# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ০৫/০২/২০১৯ মঙলবাৰ**

**আজি ইংৰাজী ০৫-০২-২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত পূৰ্ব নিৰ্ধাৰিত সময় সূচী মতে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অসম বিধান সভাৰ ২০১৯ বৰ্ষৰ বাজেট অধিবেশন পুনৰ অনুস্থিত হয়।**

**মাননীয় অধ্যক্ষ ঃ**-Question No - 54, বিনন্দ কুমাৰ শইকীয়া। মন্ত্ৰী ডাঙৰীয়া, গড়কাপ্তানি।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া,ছিপাঝাৰঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন আছিল, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত কুৰুৱা মোৰ সমষ্টি আৰু গুৱাহাটী নাৰেঙ্গী ইয়াৰ সংযোগী দলং এখনৰ কথা আছিল দীৰ্ঘদিন ধৰি অৰ্থাৎ বহু বছৰ ধৰি এইটো এটা দাবী উত্থাপন হৈ আছিলে আমাৰ উত্তৰ পাৰৰ ৰাইজৰ আৰু বিশেষভাবে আমাৰ দৰং বৰ্তমানৰ ওডালগুৰি, বাকসা, শোনিতপুৰ আনকি অৰুণাচল, ভূটান এই বৃহৎ অঞ্চলৰ মানুহ এইটো কথাৰ লগত জড়িত আছিল। মই ভাল পাইছিলো যে আমাৰ এইখন চৰকাৰ অহাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই ২০১৬ চনত এই কথাটো খুব ভালকৈ কৈছিল যে এইখন দলং নিৰ্মান কৰা হ'ব আৰু কেইবাবাৰো আমাৰ কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰী ডাঙৰীয়া আহোতে তেওঁ এই কথাটো উল্লেখ কৰিছিল। ৰাজ্যপাল মহোদয়ৰ ভাষণটো এই কথাটো উল্লেখ হৈছিল। কিন্তু তাৰ পাছত অধ্যক্ষ মহোদয়, আমি যোৱা আঢ়ৈ বছৰে ৪ বাৰ মই বিধান সভাত এইটো প্ৰশ্ন আনিছিলো কিন্তু একে পৰ্য্যায়তে প্ৰত্যেকবাৰে মই উত্তৰখিনি পাই আছো। DPR আৰু feasibility Report ঠিক তেনেকুৱা। এতিয়া প্ৰশ্নটো হৈছে যে আচলতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এতিয়া তেখেতৰ তৎপৰতাতে কেইবাখনো দলং আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত হৈছে। আমাৰ বগীবিল ও হৈ গ'ল। আমাৰ শৰাইঘাটৰ দলংখনো সোনকালে হৈ গ'ল আৰু ভূপেন হাজৰিকা সেতুও হৈ গ'ল। এতিয়া উত্তৰ গুৱাহাটীৰ দলংখনো আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়া আহি ৯ তাৰিখে এইখনৰ আধাৰশিলা কৰিব। এতিয়া কুৰুৱা নাৰেঙ্গী যিখন দলং, এইখনৰ প্ৰয়োজনীয়তা টো উপলব্ধি কৰি এইখনো সোনকালে আৰম্ভ কৰাৰ ব্যৱস্থা কৰিব নেকি ? মই সেই প্ৰশ্নটো মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, সদনত কুৰুৱা নাৰেঙ্গী দলংখনৰ বিষয়ে কেইবা বাৰো আলোচনা কৰা হৈছিল বা উল্লেখিতও হৈছিল। আমাৰ অসম চৰকাৰে এটা সময়ত কুৰুৱা আৰু নাৰেঙ্গী সংযোগী দলং এখনৰ নিৰ্মানৰ বাবে feasibility Study কৰাৰ বাবে Rites Limited, stook consultant, আৰু Grifort India Private Limited বুলি JV এটাক দায়িত্ব দিছিল। যেতিয়া আমি কাম-কাজখিনি কৰি থকাৰ মুহূৰ্ততে এটা নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। এই নতুন ৰাষ্ট্ৰীয় ঘাইপথটো চাংসাৰিত আৰম্ভ হ'ব, চাংসাৰিৰ পৰা ই কুৰুৱা ডুমুনীচকী হৈ নাৰেঙ্গীলৈকে যাব। সাংসাৰিৰ পৰা মাজেৰে ৰাষ্টাটো আহি কুৰুৱা পাব। কুৰুৱাৰ পৰা সি নাৰেঙ্গীলৈ যাব। স্বাভাৱিকতে এই ৪৭ কিঃ

মিঃ  নতুন ঘাই পথটোত কুৰুৱা নাৰেঙ্গী দলংখনো সংযোজিত হৈ থাকিব। ইয়াত যিহেতু ভাৰত চৰকাৰে এই আঁচনিটো তেওঁলোকৰ হাতলৈ লৈ যায় আৰু National Highways & Infrastructure Develppment Corporation Ltd (NHIDCL) ক এই গোটেই ৰাষ্টাটোৰ দায়িত্ব অৰ্পণ কৰে। যিহেতু  বৰ্তমান এই গোটেই বিষয়টো NHIDCL আৰু আৰু ভাৰত চৰকাৰৰ অধীনলৈ গুছি গ'ল এই ক্ষেত্ৰত ৰাজ্যচৰকাৰৰ কৰণীয়,  তেখেত সকলৰ পৰা নতুনকৈ কিবা Communication নহালৈকে আমি বিশেষ কৰিবলগীয়া নাথাকে। আনুষ্ঠানিক ভাৱে আমি গম পোৱা মতে, NHIDCL য়ে DPR বনোৱাৰ কাম হাতত লৈছে। গতিকে যেতিয়া NHIDCL য়ে DPR বনাই তেওঁলোকে আমাক জনাব বা Land acquisition আদিৰ কথা আলোচনা কৰিব তেতিয়াহে আমি পৰৱৰ্তী পৰ্য্যায়লৈকে আগবাঢ়িব পাৰিম।  ভাৰত চৰকাৰে যিখন আমাক চিঠি দিছিল 9th Feb. 2017 ত তাত তেওঁলোকে Managing Director, National Highway & Infrastructure Development Corporation তেওঁলোকে লিখিছিল, ''I am directed to say that Hon'ble Minister has approved in principle declaration of following Roads at New National highway in the state of Assam, subject to the out come of DPR" তাৰমানে DPR বনোৱাৰ পাছতহে তেওঁলোকে formaly declear কৰে। আৰু ইয়াৰ ১ নং তে নাৰেঙ্গী কুৰুৱাৰ ডুমুনীচকী including চাংসাৰিৰ পৰা কুৰুৱা ৪৭ কিঃ মিঃ অৰ্ন্তভুক্ত হৈ আছে।  গতিকে বিষয়টোৰ ক্ষেত্ৰত বৰ্তমানৰ position টো এইটো পৰ্য্যায়তে আছে। গতিকে মই মাননীয় সদস্য জনক যেতিয়াই ভাৰত চৰকাৰৰ পৰা  এই বিষয়ে আৰু আমি শুনিবলৈ পাম। তেতিয়া আমি গম পাম খালী তেওঁলোকৰ Copy একোটা মই সন্মানীয় বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াক দি দিম। তাত NHIDCL য়ে Last আমাক দিছে, The final feasibility Report regarding construction of a six lane bridge over the river Brahmaputra connecting Narengi and Kurua with the Road link to Dumunichowki on NH prepared has been proposed by NHI গতিকে তেওঁলোকৰ বিভিন্ন correspondence চলি আছে আৰু মই গোটেই correspondence ৰ তথ্যখিনি আমাৰ মাননীয় সদস্য ডাঙৰীয়াক দি দিম। কেন্দ্ৰীয় চৰকাৰৰ পৰা এই বিষয়ে নতুনকৈ শুনিব পোৱাৰ লগে লগে আমি সদনক অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, সদস্যঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জ্ঞাপন কৰিছো মন্ত্ৰী ডাঙৰীয়াক। বহুতখিনি কথা আজি আকৌ নতুনকৈ জানিলো এই বিষয়ে। কিন্তু আমাৰ যেতিয়া গুৱাহাটীখন আৰু সম্প্ৰসাৰিত হৈ আছে, ৰাজ্যিক, ৰাজধানী ক্ষেত্ৰত সম্প্ৰসাৰণ হৈছে আৰু আমাৰ অঞ্চললৈ গৈছে। আমাৰ ছিপাঝাৰ, পাথৰিঘাট, মঙ্গলদৈ এতিয়া ৰাজ্যিক ৰাজধানীৰ ক্ষেত্ৰত অৰ্ন্তভুক্ত হৈছে. গতিকে শিক্ষা বানিজ্য বিভিন্ন বিষয়ত এই দলংখনে কিন্তু সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাব। গতিকে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে যিহেতু আহি আছে, ৯ তাৰিখে তেখেতৰ সভা আছে, আমাৰ মন্ত্ৰী মহোদয়ৰ তৎপৰতাত যদি এই বিষয়টো কিবাকে উল্লেখ হয় তেতিয়াহ'লে মই ভাবো যে সেইটো আমাৰ গোটেই অঞ্চললৈ এটা ভাল বাৰ্তা যাব।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। গুৰুজ্যোতি দাস। মঙ্গলদৈৰ বিধায়ক।

**শ্ৰী গুৰুজ্যোতি দাস, সদস্য ঃ-** অধ্যক্ষ মহোদয়,  ইতিমধ্যে আমাৰ সন্মানীয় বিধায়ক বিনন্দ কুমাৰ

শইকীয়া ডাঙৰীয়াই যথেষ্টবাৰ প্ৰশ্নটো উত্থাপন কৰিছে। কিন্তু আমাৰ গড়কাপ্তানী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মাৰ সভাপতিত্বত যথেষ্টখিনি পৰিবৰ্তন আহিছে ৰাষ্টা-ঘাটৰ আৰু বহুকেইখন দলঙো হ'ল। আমাৰ এই দলংখন ইতিমধ্যে হ'লে, অৰ্থাৎ এই বছৰত হ'লে ভাল লাগিব। আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। তেখেতে উত্তৰত কৈছে কথাটো। সঞ্জয় কিষাণ। This is related to কুৰুৱা দলং। গতিকে আপুনি বেলেগ কিবা কথা সোধাৰ অৱকাশ নাই। এই দলংখনৰ বাদে অন্য কথা সোধাৰ অৱকাশ নাই।

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ-** মাননীয় অধ্যক্ষ মহোদয়, দলংৰেই কথা ক'ব বিচাৰিছো। আমাৰ চৰকাৰৰ দিনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যোগেদি বহুত দলং হৈছে। আমিও পাইছো। কিন্তু দলংৰ কাম বিলাক বহুত লেহেমীয়া হৈছে। Contractor বিলাকে কাম পোৱাৰ পাছত বহুত দিন পেলাই থৈছে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। দৃষ্টিগোচৰ হৈছে, আপোনাৰ কথাটো দৃষ্টিগোচৰ কৰিলে চৰকাৰক। ইয়াৰ পাছত Question No-45. আমিনুল ইছলাম। বিত্তমন্ত্ৰী

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো চাইছো, আচলতে পৰিৰ্বতন হোৱাতো অসমবাসীয়ে বিচাৰিছিলো, কিন্তু কিছুমান পৰিবৰ্তন অত্যন্ত মাৰাত্মক হৈ পৰে, প্ৰশ্ন উত্তৰ দিয়াত ষ্টাইলৰ যিটো পৰিবৰ্তন হ'ল, সেই পৰিৰ্বতনটো অত্যন্ত দুখ লগা, আমাৰ অনাকাংশিত হৈ গ'ল। প্ৰশ্ন উত্তৰত যিটো দিয়া হৈছে, যোৱা ২০১৮-১৯ বৰ্ষটোত। এই বিত্তীয় বৰ্ষটোত কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে কি কি শিতানত কিমান টকা বিত্তীয় অনুদান লাভ কৰা হ'ল, কিন্তু দেখা গ'ল যে, ইয়াত কথাটো এনেকৈ বুজাই দিয়া হৈছে যে, অসম চৰকাৰৰ যিবিলাক হিচাপ পত্ৰ, এইটো বিত্তীয় বৰ্ষ হিচাপে ৰখা হয় ৩১ মাৰ্চৰ পিছত যিটো মহাগাণণিকৰ ৰিপোৰ্ট আহিব তাতহে পোৱা যাব। কথাটো এনেকুৱা হৈ গ'ল যে, বিত্তীয় বিভাগে এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান আহিল নাহিল একো নাজানে, এইটো অডিটৰ জেনেৰেল মহাগানণিকৰ ৰিপোৰ্ট পালেহে ৰাজ্যৰ বিত্ত বিভাগে গম পাব যে এই বছৰটোত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা টকা আহিছে নে নাই? আৰু দ্বিতীয় মোৰ 'খ' নং প্ৰশ্নৰ উত্তৰত চাওঁক অধ্যক্ষ মহোদয়, তাতো কোৱা হৈছে যে, ৰাজ্য চৰকাৰৰ প্ৰয়োজনীয় পুঁজি মোকোলাই দিব নোৱাৰাৰ বাবে এই বছৰ কেন্দ্ৰীয় চৰকাৰৰ দিব লগা কোনো আঁচনি বা কোনো প্ৰকল্পৰ পইচা পোৱা নাই নেকি? এইটো কথাও তেনেকেই কোৱা হৈছে যে, কেন্দ্ৰীয় চৰকাৰৰ পুঁজি সময়মতে খৰচ কৰা আৰু ৰাজ্যচৰকাৰৰ অংশ সময়মতে মুকলি কৰাৰ ওপৰত বিত্ত বিভাগে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে। গতিকে তেনেস্থলত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজি মোকোলাই দিব নোৱাৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পুঁজি পাবলৈ বাকী থকাৰ প্ৰশ্ন নুঠে ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি জানিব বিচাৰিছে সুধি দিয়ক।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, তথ্যবিলাক যিটো বিচাৰিছিলো, তেনেধৰণৰ কিছুমান থিয়'ৰজিকেল কথা কৈ যে আমাক বিভ্ৰান্ত কৰিব বিচাৰিছে, এনেকুৱাই লাগিছে। দাতাটো দি দিব লাগে যে, ইমান টকা পোৱা গ'ল, যে প্ৰশ্ন নুঠে এইটো কিয় নহ'ব, মহাগাণণিকৰ। এনেকৈ উত্তৰ দিলেটো আমি প্ৰশ্ন সোধাৰেই কোনো অৰ্থ নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উত্তৰটোত সন্তুষ্ট নহয়, গতিকে আপুনি কি বিচাৰিছে সোধক ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** প্ৰত্যক্ষভাৱে সঠিক উত্তৰ বিচাৰিছিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কিছুমান প্ৰশ্ন সোধা যায়, আৰু তাৰ উত্তৰটো নাথাকে, তেতিয়াহ'লে উত্তৰটো দিব পৰা নাযায়। তাত প্ৰশ্ন সুধিছে যে, এতিয়ালৈকে ৰাজ্য চৰকাৰে পুঁজি মোকোলোই দিয়া নাই বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কি কি টকা পোৱা নাই। তেনেকুৱা যিহেটো প্ৰশ্নই উঠা নাই। আমি সকলো ষ্টেটচেয়াৰ দি আছো, Inability হোৱা নাই, চিলিং বন্ধ হোৱা নাই, কোনো বিভাগক আমি Deny কৰা নাই। এতিয়া মই জোৰ কৈ এটা বিভাগৰ নাম আপোনাক ক'ৰপৰা আনি দিওঁ। মই যদি এতিয়া জোৰ জবৰদস্তি বিভাগ এটাৰ নাম আনি দিওঁ, যে উদ্যোগ বিভাগটোৱে এইটো স্কীমত ষ্টেটচেয়াৰ দিব নোৱাৰাৰ কাৰণে টকা পোৱা নাই। উদ্যোগ বিভাগটোৱে মোক বেয়া নাপাব নেকি? এই যে চাৰ, এনেকুৱা কথাটো হোৱা নাই। গতিকে যদি তেনেকুৱা কিবা পৰিৱেশ হয়, ৩১ মাৰ্চতহে আমি গম পাম যে, যদি কোনোবা বিভাগে আমাক ষ্টেটচেয়াৰ খুজিলে, আমি ষ্টেটচেয়াৰ নিদিলো, নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা নিদিলে সেই প্ৰশ্নটো আহিব ৩১ মাৰ্চৰ দিনাখনহে। আজি মই, মাননীয় সদস্য গৰাকীক ভাল লগাবৰ কাৰণে মই এটা উত্তৰ কেনেকৈ দি দিওঁ। Artificially, I cannot manage a answer. চিধা-চিধি পবিত্ৰ সদনত আমি থিয় হৈ স্পষ্টভাৱে কৈছো যে ৰাজ্য চৰকাৰৰ অংশ মোকোলাই নিদিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পুঁজি নোপোৱাৰ প্ৰশ্নটো, আজিৰ দিনত ভাবিবই নোৱাৰি। কাৰণ আমি যিয়ে বিচাৰিছে, আমি তাকে দি আছো। গতিকে মই নিজে এতিয়া কঁৰপৰা উত্তৰ manufecture কৰিম। দ্বিতীয় কথাটো হ'ল যে কোন বিভাগে কিমান খৰচ কৰিছে। কালি ৰাতি ১২ টা বজাত মই প্ৰায় সাতশ কোটি টকা মুকলি কৰি দিছো। এই উত্তৰটো দি পঠাইছো অসম বিধান সভাত ৪ টাত। তাৰমানে আজি দিয়া উত্তৰটো ভুল হ'ব। কেন্দ্ৰীয় চৰকাৰে বহুত টকা directly release কৰি দিয়ে, য'ত ষ্টেট ট্ৰেজাৰীৰ যোগেদি নিদিয়ে আৰু বহুত টকা কেন্দ্ৰীয় চৰকাৰে, ৰিজাৰ্ভ বেংকে আমাৰ পৰা নিজে নিজে deduct কৰি লয়। যোৱা তিনিদিনৰ আগত দেৰ হাজাৰ কোটি টকাৰ লোন এটা তেওঁলোকে নিজে নিজে deduct কৰি লৈছে। ইয়াত বিভিন্ন system থাকে, যিটো এ জিৰ বাদে কোনেও এইটো উলিয়াই আনিব নোৱাৰে যে, ক'ত অসম চৰকাৰৰ কোন বিভাগ কিমান টকা খৰচ হ'ল কি হ'ল? তথাপিতো এই পবিত্ৰ সদনক বিশ্বাসত লৈ যোৱা বাৰো ৩১ মাৰ্চ হৈ যোৱাৰ লগে লগে মই নিজে নিজে এটা ষ্টেটমেণ্ট দিছো, কৈছো এইটো Sensitive. তাৰ পাছত কি হ'ল, মই সদনত ষ্টেটমেণ্ট দিছিলো যে, মোৰ ৭০ হাজাৰ কোটি টকা খৰচ হৈছে। এতিয়া এ জিৰ ৰিপোৰ্টত আহিলে ৬৯ হাজাৰ ২০০ হে খৰচ হৈছে। তাৰমানে মই যিমান কৈছিলো, তাতকৈ কমি আহিলে। পিছত আপোনালোকে মোক প্ৰিভিলেইজ আনিব যে, আপুনিতো অসত্য কথা ক'লে। কাৰণ এইটো এ জিৰ বাহিৰে হিচাপটো কোনেও নাপায়। কিন্তু আমিতো একো লুকুৱা নাই। অন্তত শেষ হোৱা বিত্তীয় বৰ্ষটোৰ গোটেই হিচাবটো আপোনাক দিছো। ২০১৭-১৮ লৈকে আমি কি পাইছো, দিছো আৰু অহা দুই এদিনতে এ জিৰ ৰিপোৰ্ট আহিব ২০১৭-১৮ পাই যাব। কিন্তু ২০১৮-১৯ ৰ on-going ব্যৱস্থা এটাত প্ৰশ্ন সুধি এইটোতো কোনা এটাৰ মই উত্তৰ দিব নোৱাৰা বস্তুটোৰ মই ক'ৰ পৰা উত্তৰ আনি দিও। যদি মই জনিলোহেতেন যে, ক'ত কিমান, আপুনি যদি মোক সোধো যে, Sensitively কওঁকচোন বিত্ত বিভাগে কিমান টকা এতিয়ালৈকে মুকলি কৰি দিলে। মই ক'ব পাৰো যে, we have release around 48 thousand crores right now, but I have to put word like around approximatly.তেনেকৈটো বিধান সভাত উত্তৰ দিব নোৱাৰি। গতিকে যিখিনি পাৰি আমি উত্তৰ দিছো। ইয়াতে আপুনি যদি উত্তৰটো চায়, তেতিয়াহ'লে

সম্পূৰ্ণভাৱে দিছো যে, চলিত বিত্তীয় বৰ্ষত ৩১ জানুৱাৰী পৰ্য্যন্ত ৪৬ হাজাৰ কোটি টকা আমি মুকলি কৰি দিছো, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰত্যক্ষভাৱে অহা কিছু টকাও বিভাগবিলাকে নিজে নিজে খৰচ কৰি আছে। সেই হিচাপটো মই নাপাম। কাৰণ my job is not audit, finance department is not audit. Audit is resposibility of CAG. ইয়াত মই তেওঁলোকৰ অধিকাৰটো কেনেকৈ encroch কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Specific যদি কিবা আছে সোধক।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, Specific কৈ আছো যে, আচলতে কিছুমান বিভাগৰ যিখিনি কাম হৈ গ'ল বা এতিয়ালৈকে পেমেণ্ট কৰিব পৰা নাই। আমি যেতিয়া সুধো, যেনেকৈ MSDP ৰ যিবিলাক কাম আধা টকা তেওঁলোকে পালে, এক দেৰ বছৰ হৈ গ'ল বাকী পইচা পোৱা নাই, কাম হৈ গ'ল। ঠিক সেইদৰে P&RD (Panchyat & Rural Development) টো সেই একে।

**মাননীয় অধ্যক্ষ ঃ** কথাতো হৈছে যে, এটা বিভাগৰ Specific সুধিলে তেখেতে উত্তৰ দিবলৈ চেষ্টা কৰিব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিভাগবিলাকত হয় কি, তেতিয়া তেওঁলোকে কয় আমাৰ বাকী দ্বিতীয় কিস্তিৰ টকাটো পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা আপুনি বাজেটত আনিব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহাদয়, এইটো কথাৰ কাৰণে প্ৰশ্নটো হৈছে, তাৰমানে কৈছে সেই কেন্দ্ৰৰ পৰা টকাটো অহা নাই, সেই কাৰণে তেওঁলোকে ঠিকাদাৰৰ বাকীটকাখিনি দিব পৰা নাই। সেই কাৰণে মই প্ৰশ্নটো কৰিছিলো যে এতিয়ালৈকে কোন কোন বিভাগত কেন্দ্ৰীয় চেয়াৰটো পাবলৈ বাকী আছে আৰু ষ্টেটচেয়াৰটো নিদিয়াৰ কাৰণে তাত পোৱা হোৱা নাই। যিহেতু তাত বিষয়াসকলে এইটো কৈ থাকে, যেনেকৈ P&RD (Panchyat & Rural Development) ৰ দুবছৰৰ বহুত কামৰ পেণ্ডিং টকা দিব পৰা নাই। গতিকে এই কথাতো মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে যে, এ.জি ৰিপোৰ্টত ফাইনেল ৰিপোৰ্টটো পাম। কিন্তু ইয়াত আমি ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে এতিয়ালৈকে,এটা প্ৰশ্ন যদি এনেকৈ সোধা হয়, যে এইটো ৩১ তাৰিখলৈকে বা ১২ তাৰিখলৈকে ইমান টকা দিয়া হ'ল। ইয়াত যিটো 'ক' অনুসূচী ত আছে কেন্দ্ৰীয় চৰকাৰৰ পৰা যোৱা ১০ বছৰত কোন বিভাগে কিমান টকা পাইছে, 'ক' হেডত যোৱা ১০ বছৰত দেখা গ'ল State Plan , Non Plan, Central Plan, Centrally Sponored Plan, Special Plan ইয়াত যিখিনি টকা পোৱা হৈছিল, দেখা গ'ল যে, এই টকাতো ২০১৭-১৮ ত সেইখিনি নাই। এই কেইটা হেডত টকা অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন টো কৰক ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মই এইটোৱেই সুধিছিলো যে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোন কোন হেডত টকা বন্ধ হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** You are a senior member. I think, supplementary we should be ready prepared with your question. এনেকে আহি ইয়াত বৰ্ণনা কৰি থাকিব নোৱাৰে নহয়। আপুনি কি পোৱা নাই, Specific নুসুধে কিয়? যে মই এইটো বিচাৰিছিলো, পোৱা নাই। আপুনি প্ৰশ্নটো সোধক।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো

বিশেষ মৰ্য্যদা অসমে পাইছিলে, যিখিনি পুঁজি আগতে পাইছিলে, এইবাৰ যে এইখিনি পোৱা নাই, এই কথাটো সুধিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি মোক কোনোবাই প্ৰশ্ন সোধে, যে MSDP ৰ ৰাজ্য চৰকাৰে অংশ নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰাই দিয়া নাই নেকি? মোৰ উত্তৰটো হৈছে, সত্য নহয়। আজিৰ দিনত যিয়ে ষ্টেটচেয়াৰ খুজিছে, কাকো না কৰাৰ প্ৰশ্ন নুঠে আৰু যদি MSDP ৰ টকা অহা নাই, সংখ্যালঘু উন্নয়ন বিভাগক সুধিলে গম পাব কি অহা নাই। প্ৰধানকৈ ইউ চি ব্যৱহাৰৰ কাৰণে এই টকাবিলাক নাহে, কাৰণ বিভিন্ন ঠাইত যেতিয়া টকাবিলাক দিয়া হয়, কোনোবাই এখন স্কুলতো যদি ইউ চি নিদিয়ে, তাৰ কাৰণে গোটেই ৰাজ্যখনেই ভোগ কৰিবলগীয়া হয়। এতিয়া মই আপোনালোকক এটা সৰু উদাহৰণ দিছো। প্ৰত্যেক বছৰে Additor General এ এটা ৰিপোৰ্টি দিয়ে, যে ৭০০ ইউ.চি দিব পৰা নাই আৰু আমি সদনত সদায় বাহিৰত গৈ আমি কও যে, চৰকাৰ বিফল (failed). এই বিষয়টোৰ ওপৰত যেতিয়া মই সোমালো দেখিছো যে এই গোটেই U.C বিলাক MLA আৰু Untied Fund. বাকী সকলো ডিপাৰ্টমেন্টৰ U.C Hundred Per cent আহে MLA আৰু Untied Fund. ৰ ইউ চি নাহে । এইবিলাক গৈ গৈ এনেধৰণৰ হয় যে- ধৰক এজন এম এল অ ১লাখ টকাৰ স্কীমত ৮০ হাজাৰ টকা মুকলি কৰি দিয়ে বাকী ২০ হাজাৰ টকা Second Instlement ত ল'বলৈ কোনো কমিটি নাহে। ফলত সেই স্কীমৰ ইউ চি দিব নোৱাৰাকৈ থাকি যায়। কাৰণ কাম কমপ্লিট নহ'লে ইউ চি দিব নোৱাৰে। এইবাৰ আমাৰ বাজেট স্পীচত হয়তো ক'ৰবাত আহিব যে এইবাৰ আমি বহি গোটেই ডিপাৰ্টমেন্টৰ ইউ চি এটা এটাকৈ দি দিলো। যি ৫৫০ ইউ চি আমি দিব নোৱাৰিলো সেইখিনি MLA আৰু Untied Fundৰ । বহু বিষয়াই নিজৰ অপৰাগতাটো ঢাকিবলৈ ফাইনেন্সে দিয়া নাই বা এনেধৰণৰ কথা কয়। বিধায়ক হিচাপে প্ৰশ্নটো শুধিলে উত্তৰটো পাই যাব যে MSDP ত এনেকুৱা হৈছে নেকি? মই এইটো কথাই কৈছো মাননীয় সদস্যগৰকীৰ কোনোবা বিভাগৰ ওপৰত সন্দেহ যদি আছে যে State Share নিদিয়া কাৰণে আমি এইটো পোৱা নাই মই অনুৰোধ কৰিম যে Short Question এটা হ'লেও লৈ আহক । মোৰ specific answer দিয়াত কোনো অসুবিধা নাই। দ্বিতীয় কথাটো হ'ল - এইটো সকলোৰে জনা কথা plan and non Plan আজি বন্ধ হৈ গৈছে আৰু Central Government ৰ পৰা যি আহে as a transper আহে । আমাৰ Central Share ৰ Tax devalution হিচাপে আৰু সেই হিচাবে আপোনালোকে চালে দেখিব ২০১৬-১৭ত যি টকা আহিছে ৩২ হাজাৰ কোটি টকা আমাৰ ২০১৮-১৯ ত অৰ্থ্যাৎ ৩৬,৮৪৩ এইদৰে প্ৰত্যেকবাৰে বাঢ়ি গৈ আছে গতিকে অসম কোনো প্ৰকাৰে ক্ষতিগ্ৰস্ত হোৱা নাই। খালী আগৰ হেডত পইচা আহে। System বিলাক Planning Commission উঠাই দিয়াৰ পিচত System টো সলনি হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Next Question 56 , Abdul Khaleque.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীআব্দুল খালেক, জনীয়া ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে মোৰ প্ৰশ্নৰ উত্তৰত জনাইছে যে বিধায়ক পুঁজিৰ এতিয়ালৈকে ৭৩ কোটি টকা মোকলাই দিছে। অধ্যক্ষ মহোদয় মই অন্য জিলা বা সমষ্টিৰ কথা নাজানো, কিন্তু বৰপেটা জিলাৰ ৫ টা সমষ্টিত যোৱাকালি ৫ কোটি টকা মোকলাই দিছে। অধ্যক্ষ মহোদয়, আজি ৫ ফেব্ৰুৱাৰী, এইটো বিত্তীয় বৰ্ষ শেষ হ'ব। মন্ত্ৰী মহোদয়ে যিটো ইউ চি কথাৰ সৈতে আমি একমত আৰু 'খ' প্ৰশ্নৰ উত্তৰত কৈছে যে বিধায়ক এলেকা উন্নয়ন আঁচনিৰ

ৰূপায়ণত বিলম্ব নহয়। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ক'ব খোজো যে এইটো সত্য নহয়। কাৰণ বিধায়কসকলৰ কাম হৈছে আমি আঁচনি দিও, আপুনিও দিয়ে। আমি কামবোৰ Recommend কৰো আৰু জিলা উপায়ুক্ত বা ৰূপান্তৰ উন্নয়ণ বিভাগে সেইখিনি ৰূপায়ণ কৰে। বিভিন্ন কাৰণত আমি বাৰে বাৰে হেঁচা দিয়াৰ পিছতো সময়মতে আঁচনি ৰূপায়ণ নহয়। আমাৰ আঁচনিবিলাক অধ্যক্ষ মহোদয়, যিখন Sanction Letter দিয়ে তাত লিখা থাকে যে ৯০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। কিন্তু ৯০ দিনৰ পিচতো ১ বছৰ যায়, ডেৰ বছৰ যায়, দুবছৰ যায় কিন্তু ৰূপায়ণ নহয়। আমি cancel কৰিব কোৱাৰ পিচতো কেতিয়াবা সেইটো নহয়। গতিকে কেনেকৈ খৰতকীয়াভাবে ৰূপায়ণ কৰিব পাৰে আৰু এই হাৰত যদি বিধায়ক পুঁজিৰ ধন মোকলাই দিয়ে অধ্যক্ষ মহোদয় February মাহত তেতিয়াহ'লে আমি ২০১৯-২০ চনৰ যিটো বিধায়ক পুঁজি হ'ব সেইটো বিধায়কসকলে ব্যৱহাৰ কৰা অসুবিধা হ'ব যিহেতু ২০২১ত নিৰ্ব্বাচন হ'ব । ২০১১-২০ৰ বিধায়ক পুঁজি ব্যৱহাৰ কৰা অসম্ভৱ হ'ব। তেখেতে আগতে ১৬-১৭ত ১০০ শতাংশ ৰূপায়ণৰ কথা কৈছিল কিন্তু পিছত Modification কৰি ৮৫ শতাংশ ক'লে। বাকীসকলৰ কথা মই নাজানো কিন্তু মই ১০০ শতাংশ দিছিলো । গতিকে কিমান সোনকালে মোকলাই দিব পাৰে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, MLA Fund এতিয়া বছৰৰ ফাণ্ড বছৰত মুকলি কৰি দিয়া Systemটোৰ পৰা আমি আঁতৰিব লাগিব। সংসদৰ MP Fund টো দি থৈ দিয়ে কিন্তু যেতিয়া Utilization দিয়ে তেতিয়া তাত বছৰৰ কথা নাথাকে তেওলোকক Next Instlement release কৰি দিয়ে। আমাৰ ইয়াত হৈছে- বছৰৰ ফাণ্ড বছৰে মুকলি কৰি দিয়ে। ফলত ইউ চি দিয়ে বা নিদিয়ে টকাটো মুকলি কৰি দিব লাগে । এতিয়া আমি এম পি ফাণ্ডৰ আৰ্হিত আমি Utilization Track কৰিছো। কাৰণ এইবাৰ যদি কোনোৱাই ৮৫ শতাংশ খৰছ নকৰে টকা মুকলি নহয়। সেই টকাটো Carry Forward হৈ যাব অহা বাৰ বাজেটলৈকে । কিন্তু এইবাৰ উলিয়াই দিয়াৰ স্বাৰ্থত আমি বিনা ইউ চি এম এল এ ফাণ্ড নিদিও। Accountant General যিটো ৰিপোৰ্ট দিয়ে সেইটোৰ ওপৰত গৈ আমি বাহিৰত গৈ Press Conference কৰো যে ইউ চি পোৱা নাই । সেই কাৰনে আমি এইটো নিয়ম কৰি লৈছো যে ইউ চি নিদিয়া বিধায়ক সকলে এইবাৰ বিধায়ক পুঁজি নাপাব। কিন্তু প্ৰথমবাৰ আমি এই Strict Utilization Apply কৰিছো ২০১৬-১৭ Utilization ১০০ শতাংশ বিচাৰিছিলো সেইটো আমি ৮৫ শতাংশলৈকে নমাই দিছো যাতে এম এল এ সকলে এইটো Accustom হ'ব পাৰে। গতিকে যোৱাবাৰ ৭০ শতাংশ এইবাৰ ৮৫ শতাংশ কিন্তু এম পি ফাণ্ডত নিয়ম আছে । গতিকে অহা বছৰ যদি কোনোবাই এপ্ৰিল মাহতে ৰিলিজ কৰি দিব পাৰে আমি এপ্ৰিল মাহতে ৰিলিজ কৰি দিব পাৰিম। এই ৭৩ খনৰ লিষ্টৰ কিছুমান জুলাইতে পইছা লৈ গৈছে । গতিকে এইটো আমাৰ Activity And Utilisationৰ ওপৰতে নিৰ্ভৰ কৰিব।

**শ্ৰীআব্দুল খালেক, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয় , মই আগতে কৈছো যে আমি Recommendation দিও ৰূপায়ণটো উপায়ুক্তৰ কাৰ্য্যালয়ে কৰে। গোটেই প্ৰক্ৰিয়াটো সহজীকৰণ কৰিবলৈ যদি তেখেতৰ ডিপাৰ্টমেন্টৰ এচ পি ও লেভেলৰ বিষয়া - বা ডি ডি চি লেভেললৈকে বিষয়টো যাতে নিস্পত্তি কৰে । কাৰণ এচ পি ও - আৰু ডি ডি চিৰ তাত কেতিয়াবা ১ মাহ ডেৰমাহলৈকে ফাইল পৰি থাকে। ৰূপায়ণ নোহোৱাৰ কাৰণে বিধায়কসকল দায়ী নহয় , বিধায়কসকল ৰিভিউ

কৰিব পাৰে। ৰূপান্তৰ আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰীয়ে আমাক সুহৃদ পুঁজি দিছে। ধন্যবাদ জনাইছো। কিন্তু এতিয়ালৈকে ফাণ্ড পোৱা নাই । সেই বিষয়টো তেখেতৰ দৃষ্টি গোচৰ কৰিছো। অধ্যক্ষ মহোদয়, যিটো ফাণ্ড পোৱা নাই বুলি কৈছে সেইটো ১০০ শতাংশ ব্যৱহাৰৰ পিছত নোপোৱাৰ কথা নাহে। দুই এজনৰ ভিতৰতে পাই যাব।

**মাননীয় অধ্যক্ষ ঃ** গুনীন্দ্ৰ নাথ দাস ...।

**গুনীন্দ্ৰ নাথ দাস, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক পুঁজি বৰপেটা সমষ্টিত ৰিলিজ কৰি দিয়া কথাটো আজি গম পাইছো। আমি কিন্তু কোনো চিঠি পোৱা নাই। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খোজো আচলতে আমি এই টকাটো পোৱাৰ লগে লগে প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানক অনুমোদন কৰো। কিন্তু দেখা যায় যে, কাৰ্য্যালয়ত বহু দিন পৰি থাকে । গতিক এইটো সহজ লভ্য কৰিব লাগে যাতে পইচাটো সহজে অনুমোদন হয়। তাৰ উপৰিও এই যিটো বিধায়ক পুঁজি সেইটোৰ জৰিয়তে আমি সমষ্টিত টিকি থাকিব পাৰিছো। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে এই বিধায়ক পুঁজিটো ১ কোটি টকাৰ পৰা ২ কোটি টকালৈ বৃদ্ধি কৰা হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া .....

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক উন্নয়ণ পুঁজি ৰূপায়ণৰ দায়িত্ব উপায়ুক্তসকলৰ হাতত থাকে আৰু T & D Departmentএ উপায়ুক্তসকলক পৰামৰ্শ দি থাকে। এই বিষয়ে যদি কিবা স্পষ্ট অভিযোগ থাকে আমি ডি চিসকলৰ লগত কথা পাতিব পাৰিম। বিধায়ক পুঁজি উন্নয়ণৰ বিকল্প যদি চৰকাৰী ব্যৱস্থাই permit কৰে তেনেকুৱা বিকল্প মডেল যদি কাৰোবাৰ লগত আছে আমাক দিলে আমি আলোচনা কৰিব পাৰিম।

মাননীয় অধ্যক্ষ ঃ ডাঃ নোমল মোমিন..।

**ডাঃনোমল মোমিন, বোকাজান ঃ** অধ্যক্ষ মহোদয়, যিটো Utilisation Certificate সইটো জিলাভিত্তিত নকৰি এল এ চিৰাইজ কৰিলে আমাৰ বাবে সুবিধা হ'ব। কাৰণ এখন জিলাৰ এজন এম এল এৰ কাম যদি কমপ্লিট নহয় বাকী এম এল এৰ কাম কমপ্লিট হ'লেও ডি চি য়ে নপঠায়। সেই কাৰণে এল এ চিৰাইজ কৰিলে মই ভাবো ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** পৰামৰ্শটো ভাল । মন্ত্ৰী ডাঙৰীয়াই কি কয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় এইটো এল এ চিৰাইজ এইটো জিলা ৰাইজ নহয়। গতিকে মাননীয় সদস্যসকলক যদি কিবা Clarification লাগে মই ডি চিসকলক পঠিয়াই দিম। এখন জিলাত কেইবাটাও সমষ্টি থাকে কাৰো বাবে কোনোবা চাফাৰ কৰাৰ কথাটো নাই। তেওলোকে individually পঠাব লাগে।¯ বহুতেই individually proposal পঠায়। মই আজিয়ে কাৰ্ব্বি আংলঙৰ ডি চিক জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আৰু কোনোবা দলৰ আছিল নেকি কাৰোবাৰ? AIDUF ৰ চাহাবুদ্দিন আহমেদ আপুনি কওঁক।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক উন্নয়ণ পুঁজিৰ যিটো কথা কৈছে আমি বিধায়ক বিলাক Grass root levelৰ মানুহৰ লগত সম্পৰ্ক। আমি যেতিয়া MLA ৰ উন্নয়ণ পুঁজিৰ পৰা স্কুল ঘৰ, ৰাষ্টা-ঘাট, কাল্টভাৰ্ট আদি কৰিব যাওঁ সাধৰণতে প্ৰশ্ন হয় আমি কি পাইছো আপোনালোকৰ পৰা? আপোনালোকে MLA Fund ত আমাক কি দিলে? আমি ৰাষ্টা দিছো, কাল্টভাৰ্ট দিছো, ঘৰ দিছো এইবিলাকটো চৰকাৰে কৰিবই, চৰকাৰৰ আঁচনি আছে, বিভাগ

আছে আমি সেইবোৰৰ পৰা কি পালো?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আমাৰ বিধায়ক পুঁজি, উন্নয়ণ পুঁজিৰ পৰা Individual আঁচনি লোৱাৰ কাৰণে, যেনেকুৰা Unemployed লৰা আছে বা বিধবা সকলৰ Self Help Group আছে Individual power pump আছে, ছেলো মেচিন আছে, স্প্ৰে মেচিন আছে, হাঁহ-কুকুৰা, গাহৰি, গৰু-মহ আদি পালন কৰাৰ কাৰণে Individual আঁচনি লোৱাৰ কাৰণে যদি আমাৰ বিধায়ক পুঁজিৰ পৰা এটা দিয়াৰ ব্যৱস্থা মোকলাই দিয়ে তেতিয়া আমি সাধৰণ মানুহৰ উপকাৰ কৰাৰ কাৰণে এটা সুবিধা পাম বুলি ভাৱি মই অনুৰোধ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটোৰ সুবিধা আছে নেকি?

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, MLA Fundটো Capital Intensive আৰু Asset creation. গতিকে এই বিষয়টো বিবেচনা কৰিব পৰা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** শেষত ৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক পুঁজিৰ মূল টকাৰ পৰা যিটো Interest fund হয়, সেই Interest fund টো উঠাই অনাৰ কাৰণে চৰকাৰে কিবা নিৰ্দ্দেশ দিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মই জনাত দিছে। মই নিজে পাইছো কাৰণে কৈছো। মন্ত্ৰীয়ে কব।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক পুঁজি ৰাজ্য চৰকাৰে বিভাগ বিলাকক দিওঁ, বহুত ক্ষেত্ৰত সেই পুঁজিটো খৰচ নকৰি তেওঁলোকে বেংকত থৈ দিয়েআৰু এইটো বিধায়ক পুঁজি বুলি নহয় যিমান পুঁজি বেংকত থৈ দিয়ে তেওঁলোকে তাৰ পৰা Interest পাই ৭.৫ শতাংশ বা ৮ শতাংশ। আমি যেতিয়া Market Borrowing কৰো কাৰণ আমাৰ বাজেট খনৰো যদি Financing চাই তেতিয়াহলে almost 10,000 Crores Market Borrowing হয় আৰু RIDF আদি বিভিন্ন আঁচনি আমি on Interest পইচা লওঁ ভাৰত চৰকাৰ বা ৰিৰ্জভ বেঙ্কৰ পৰা। আমি Interest ত লোৱা টকাটো যেতিয়া কোনোৱা Implementing Agencyয়ে তাত ৰাখি থৈ দিয়ে, খৰচো নকৰে আৰু Interest included কৰে তেতিয়া সেইটো আমাৰ ৰাজ্য চৰকাৰৰ Interest ৰ Againstত যায়। সেই কাৰণে আমাৰ গোটেই কথাটো হ'ল যে Interest হ'বই নালাগে, পাৰ্কিং হ'বই নালাগে আপোনালোকে সোনকালে, টকাটো খৰচ কৰক। সেই কাৰণে আমি এইবাৰ এটা বিত্তীয় শৃংখলতাৰ নিয়ম হিচাপে আমি এটা ব্যৱস্থা কৰিছো যে আগতে ধৰক আমি এটা Corporationক পইছা দিলো, তেওঁলোকে আঁচনিটো খৰচ নকৰি আঁচনিটো ৰাখি থৈ তাৰ Fixed Deposit ৰ টকাইদি তেওঁলোকে দৰমহা দিয়াৰ আৰম্ভ কৰে। সেই কাৰণে সেই গোটেই ব্যৱস্থাটো বিলুপ্তি হ'বৰ কাৰণে এই বিত্ত বিভাগে খুবজোৰ কৰি লাগি আছে যে য'ত যিমান Interest হৈছে আপোনালোকে ৰাজ্য চৰকাৰক ঘুৰাই দিয়ক। কাৰণ আমিও যাৰ পৰা ধাৰ আনিছো তাক আমি Interest দিব লাগে। উদ্দেশ্যটো Interest লোৱাটো নহয়, উদ্দেশ্যটো হৈছে যাতে Interest আহিব পৰা positionটোৱে নাহে। যেনেকৈ আজি MLA Fund আহিলে প্ৰথম দিনাখনেই আমি ৭০ শতাংশ মুকলাই দিব লাগে। তাকে নকৰি ৭০ শতাংশ আমি গোটেই বছৰটোৰ শেষলৈকে ৰাখিথৈ বেংকত এটা Interest create কৰো। সেই কাৰণে আমাৰ উদ্দেশ্যটো হ'ল আজি আমি বৰপেটাত টকা মোকলাই দিছো অহা এমাহৰ ভিতৰত টকাটো

হিতাধীকাৰিয়ে পাই যাব লাগে, যাতে Interest accrued য়ে নহয়। সেই কাৰণে আমি Money parking ৰ against ত, Fund parking ৰ against ত as a Financial discipline ৰ ব্যৱস্থাৰ ফালৰ পৰা আমি ব্যৱস্থা লৈছো আৰু কেৱল MLA Fund বুলি নহয় সকলো ধৰণৰ Fund ৰ ওপৰত আমি এইটো নিৰ্দ্দেশ দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মোৰ এটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট ৰ'ব। প্ৰশ্ন নহয়, প্ৰশ্নৰ বহুতে হাত দাঙিছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মোৰ বিষয়টো গুৰুত্বপূৰ্ণ। মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** গুৰুত্বপূৰ্ণ, মই আপোনাক দিম। মই সেইকাৰণে in writing দি দিবলৈ কৈছো, মই মন্ত্ৰী ডাঙৰীয়াক সেই প্ৰশ্ন দিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মোৰ সমষ্টিত মই চাহ-বাগিছাৰ বেছি কাম কৰিব পৰা নাই, NOC দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ৰ'ব ৰ'ব, এক মিনিট ৰ'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় মন্ত্ৰী মহোদয়ে Video Conferenceত কৈছিল, তেখেতে কিবা এটা ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এনেকৈ নকৰ, অলপমান বহকচোন।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মোৰ সমষ্টিৰ কাম হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই চাই দিম। মই নিজেও সেইখন যোৰহাট জিলাৰে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** আপুনি মোৰ Guardian.

**মাননীয় অধ্যক্ষ ঃ** আপুনি এক মিনিট বহক। মই কালিও কৈছো, This is Question Hour. Please kindly Sit down. I will allow special Question Discusion on 49.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মোৰ সমষ্টিৰ কাম হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** সকলোৰে সমষ্টি আছে। আপুনি তেনেকৈ নকৰ, অকমান বহক। এনেকৈ হাউচ চলিব নোৱাৰে। আপুনি শুনিবলৈ যত্ন কৰক।

**(একেই সময়তে বহুকেইজন বিধায়ক ডাঃ নোমল মমিন, জাকিৰ হুছেইন সিকদাৰ, আবুল কালাম ৰছিদ আলাম, ওৱাজেদ আলী চৌধুৰী, কমলাক্ষ দে পুৰকায়স্থ, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কয়, ফলত সদনত হুলুস্থুলীয়া পৰিবেশ হয়)**

**মাননীয় অধ্যক্ষ ঃ** You can not hold the proceedings of the House, you are not allowed. Please, please, please sit down. I am on late. মই আছো। I am on late. Why are you shouting like this. Mr Kurmi, Mr Kurmi. Please, you control for your self other wise, I will compel take action. Mr. Hussain, please told him sit down. I want to give you supplementary but your leader Mr. Rakibul Hussain said that he would give answer.

**(সদনত হুলুস্থুলীয়া পৰিবেশ হয়)**

**মাননীয় অধ্যক্ষ ঃ** Do not compel me to take any hard steps. মই আপোনাক

বহিবলৈ কৈছো, আপুনি বহিবনে নবহে ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মই বহিম চাৰ।

**মাননীয় অধ্যক্ষ ঃ** বহক। This is too much, in this way I can not run the House such an important question, we are discussing, I told every day to be quite & clam. বহুত বিধায়কে হাত দাঙিছে তেখেত সকলৰ সমষ্টিৰ উন্নয়নৰ প্ৰশ্ন আছে, কমলাক্ষ দে পুৰকায়স্থই হাত দাঙিছে, আপুনি হাত দাঙিছে আৰু ইফালে নুৰুল হুদা তেখেতেও হাত দাঙিছে। যেতিয়া ৰকিবুল হুছেইন ডাঙৰীয়া তেখেত Deputy leader of the House of Opposition. তেওঁ কলে মইও কব বিচাৰো, মই কলো যে আপোনালোকৰ ফালৰ পৰা এজনে কওঁক। প্ৰত্যেক দলে যদি শুনিব খোজে কংগ্ৰেছেও শুনিব লাগিব হয়তো। মই আপোনাক অকমান ৰ'ব কৈছো। মই কথা কৈ থাকোতে আপুনি নামাতিব। আপুনি third time MLA নহয় জানো, তেতিয়াহলে ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মই।

**মাননীয় অধ্যক্ষ ঃ** গুৰুত্বপূৰ্ণ বিষয় যদি হয় আপুনি ৰকিবুল হুছেইনক বুজাব, হাউচৰ পিছত। তেখেতক বুজাই দিব। এতিয়া মই কথাটো কৈছো আমাৰ Question Hour ত, মই সদায় দেখিছো যে আচল কথাবোৰ কৰবাত যায়, Question Hour ত সকলো কথা পাতিব পাৰি নেকি ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অকমান মনেমনে থাকক। মোক আপুনি hard steps ল'বলৈ বাধ্য নকৰিব। মই মন্ত্ৰী ডাঙৰীয়াক এটা কথা অনুৰোধ কৰিব খুজিছো যে হয় MLA fund টো লৈ বহুতো পইচা আমি Utility ৰ utilisation ৰ servey ৰ যিটো Certificate সেইটো আমি সময়মতে দিব নোৱাৰো। সেইটো আমাৰ ক্ষেত্ৰতো হৈ আছে। মই নিজেও চাইছো, সেইটো মোৰ ক্ষেত্ৰতো হৈ আছে। গোটেই কথাটো হৈছে যে আমাৰ এটা System আছে নহয় Fundটো কেনেকৈ কৰে, কেনেকৈ কৰে তাৰ এটা System আছে, সেই মতে হয়। Utility ৰ কাৰণে কি হয় আমাৰ যিবিলাক Construction Committee থাকে তাত বেছিভাগ চৰকাৰী বিষয়া সকল থাকে। তেওঁলোকৰ নিয়ম সেইটো। কিন্তু, মই আপোনাক এটা অনুৰোধ কৰিব খোজো যে DDC যি জন থাকে, তেওঁ সবতে নাথাকে, পাৰিলে ব্ল'ক লেভেলৰ যিকেইজন BDO থাকে আৰু Circleত যিজন Circle Officer থাকে তেওঁলোকেও যদি সকলোকে সভাৰ কপিটো বেলেগে দি দিয়ে তেতিয়াহলে অকমান হয়তো monitoringটো বেছি ভাল হ'ব। আমি বিধায়ক সকলেও ১৫-২০ দিনৰ মূৰত বা এমাহৰ মুৰে মূৰে গম পাব লাগে পইচা ৰিলিজ হোৱাৰ পিছত যে কামটো হৈছে নে নাইহোৱা। কাৰণ ইমান টকা দিয়ে, যথেষ্ট টকা দিছে ২ কোটি টকা দিব খুজিছে। কিন্তু আমি টকা যথেষ্ট পাইছো। ৫ লাখৰ পৰা আজি ১/২ কোটি হৈছে, এই টকাখিনি কিন্তু Utilize কৰোতে আমাৰ বিধায়ক সকলে প্ৰত্যকটো Scheme চাবলৈ সময় নাপাই আমাৰো সম্ভৱ নহয়। সেই কাৰণে Monitoring টো অকনমান, মই ভাবো এই System টো অকনমান Official Monitoring টো কৰি যাতে ১মাহ বা ২ মাহৰ ভিতৰত পইচা ৭০শতাংশ খৰচ নকৰি MLA Should be informed তেওঁলোকে এখন মিটিং পাতিলে, আপোনালোকে যেনেকৈ মন্ত্ৰীৰ মিটিং পাতে আমাৰো এখন Monitoring meeting পাতিলে ভাল লাগে। দ্বিতীয়তে, এই যিটো সুহৃদ বা এনেকুৱা ধৰণৰ Bank Transfer আজি কালি Bank Trans-

fer কৰোতে মই দেখিছো বহুত DC Office ত sufficient ১/২ জন মানুহ নাথাকে বিষয়া বা কৰ্মচাৰী। ৭/৮ টা যেতিয়া সমষ্টি থাকে সেইখন জিলাত বহুত অসুবিধা হয়, সেই কথাখিনি আমি চকু ৰাখিব লাগিব। ৰূপজ্যোতি কুৰ্মীয়ে যিটো কৈছে You belong to my District মই বুজি পাওঁ, আপুনি যেনেকৈ বাগানৰ অঞ্চলৰ বাবে দুখীয়া মানুহখিনিৰ কাৰণে চিন্তা কৰিছে কোনোৰাই চৰ অঞ্চলৰ দুখীয়া খিনিৰ কাৰণে কৰিব কোনোৰাই Tribal অঞ্চলৰ কাৰণে কৰিব। চাহ বাগিছাৰ NOC নিদিয়ে এই কথাটো ইয়াৰ উত্তৰত নাহে, আপুনি সেই কথাটো সুধিবৰ কাৰণে এটা Supplementary নলৈও মোক যদি কলে হেতেন এইটো দিছে মই লগে লগে এতিয়া কৈ দিলো হেতেন মই আপোনাক Writing দিবলৈ কৈছিলো, কাৰণ এনেকৈ আপোনাক দিম বাকী সকলক নিদিম আপোনাৰ তাত সাংঘাতিক সমস্যা আছে, বাকী সকলৰ নাই। Supplementary দুটা দিব পাৰো Go through the books but why I allowed আপুনি 3rd time MLA, so you must understand. First time MLA কিবা এটা ক'লে বেলেগ কথা আৰু এই Debate টো আপোনালোকে হাউচত যেতিয়া কথা কৈ থাকো আপোনালোকৰ মাজত এইটো কৰি কাক দেখুৱাইছে, মই direct telecast কৰাওঁ আমি ভাল Message দিব লাগে নে বেয়া মেচেজ দিব লাগে, তেখেতৰ সমষ্টিত অসুবিধা হৈছে মই বুজি পাইছো, মোৰ অসুবিধা হৈছে, ১২৬ জনক মই একেলগে কবলৈ সুবিধা দিব পাৰিম নেকি? This is not the way, আমাৰ House ৰ উপৰিওঁ আমাৰ বহুত opportunities আছে, সেই কাৰণে মই কৈছো ৪৯ ত we can ask for a question for discussion under Rule 49. যেতিয়া এটা question ত কিবা থাকিব লাগে ৪৯ ত আহিব এনেকুৱা নকৰিব আপোনালোকৰ কিবা থাকিলে Writing দি দিব, মই নিজে চাই দিম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত আমাৰ Interest জড়িত হৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ If that is then, I will call a meeting of all the MLAs. Now, Question No. 57 নজৰুল হ'ক।

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ অধীনত যি প্ৰতিখন Revenue Village ত ট্ৰেক্টৰ দিয়াৰ কথা আছিল সেই হিচাপত বিভিন্ন গোটে আবেদন দিছিলে আৰু সেই আবেদনৰ ভিত্তিত মাত্ৰ Single applicant যি সকল Single Group যি সকলে কৰিছে তেওঁলোকক এতিয়া লৈকে অকল ধুবুৰী সমষ্টিত ২৪খন দিয়া হৈছে। বাকী যি একাধিক গ্ৰুপে আবেদন দিছিলে তেওঁলোকক কেতিয়া দিয়া হব আৰু সেই চাৰিটা বা পাঁচটা গ্ৰুপৰ ভিতৰত কাক দিয়া হব এইটো Final কৰাৰ পদ্ধতিটো কি পদ্ধতি হব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে নজৰুল হ'ক ডাঙৰীয়াই ধুবুৰী জিলাৰ, ধুবুৰী সদৰ সমষ্টিত মুখ্যমন্ত্ৰী সমগ্ৰ গাওঁ উন্নয়ন যোজনাৰ অধীনত প্ৰথম পৰ্য্যায়ত কিমানখন Tractor দিয়া হৈছিল কথাটো শুনিছিলো। আমি প্ৰথম পৰ্য্যায়ত ২৫ খন Single Application পাইছিলো ধুবুৰী সদৰ সমষ্টিত আৰু Single Application পোৱা এতিয়ালৈকে ২৪টা গোটক ট্ৰেক্টৰ প্ৰদান কৰা হৈছে, আৰু এটা গোটক ট্ৰেক্টৰ প্ৰদান কৰিবৰ কাৰণে বাকী আছে।

আৰু সেই গোটেই দ্বিতীয়বাৰ যি আমি ট্ৰেক্টৰ দিম Second phase সেই গোটেই সেই ট্ৰেক্টৰ খিনি পাব। তাৰ লগে লগে বাকী যিখিনি Double/Triple Application আছিল, সেইখিনি এতিয়া বিবেচনা কৰি থকা হৈছে আমি চাই আছো আমাৰ তাত যিখন কমিটি থাকে তেওঁলোকে চাই আছে সেইখিনি সমগ্ৰ অসমত আমি একেলগে বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। Second phase ত আমি সেইখিনি বিতৰণ কৰাৰ ব্যৱস্থা কৰিম।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, একাধিক গ্ৰুপে যে আবেদন দিছে তাৰ পৰা Final list খন কি পদ্ধতিত বনোৱা হব, দ্বিতীয়তে, ইয়াত এই চলিত বৰ্ষত কৃষি বিভাগে নতুনকৈ আৰু ৮টা প্ৰকল্প আঁচনি হাতত লৈছে। দুৰ্ভাগ্যৰ কথা আমি জনপ্ৰতিনিধি হোৱাৰ পিছতো এই সম্পৰ্কে আমি সম্পৰ্ণ অৱগত নহয়, নতুন স্কিম কিবা যদি আঁচনি হাতত লোৱা হয়, তাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত লোকেল জনপ্ৰতিনিধি হিচাপে আমাৰ MLA সকলোকো Confidence ত লোৱাৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ট্ৰেক্টৰ বিতৰণ কৰিবৰ কাৰণে জিলা পৰ্য্যায়ত যিখন কমিটি থাকে, সেই কমিটিত আমাৰ যিখিনি আবেদন আহে, সেই আবেদন সমূহ চোৱা-চিতা কৰিবৰ কাৰণে প্ৰতিজন বিধায়কৰ পৰা তাত প্ৰতিনিধি দিয়া হয় আৰু সেই কমিটিখনে এইখিনি তাত চোৱা-চিতা কৰে যিখিনি আবেদন Single আহিছিল, সেইখিনি দিয়াৰ ব্যৱস্থা কৰা হ'ল আৰু যি বিলাক Double/Triple আছে, সেইখিনি তেনেধৰণে তাত বাঁচনি কৰি দিয়াৰ ব্যৱস্থা কৰা হব। দ্বিতীয়তে, এইবাৰ আপোনালোকে দেখিছে যে ইয়াত কেইবাটাও প্ৰশ্ন আছিল আমি এইবাৰ ২০১৮-২০১৯ বৰ্ষত নতুনকৈ কেইটামান কামৰ কৰিব কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে, এইখিনি ক্ষেত্ৰত আমাৰ জিলাৰ যি গৰাকী কৃষি বিষয়া থাকে, জিলা কৃষি বিষয়াক আমাৰ যি সকল বিধায়ক আছে, বিধায়ক সকলৰ লগত এইখিনি অৱগত কৰে। এইবাৰ আপোনালোকে জানে যে আমি পঞ্চম অসম বিত্ত আয়োগৰ অধীনত আমি কৃষিৰ সা-সজুলি দিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো, সেইটো আপোনালোকে অতি সোনকালে পাব ৫ হাজাৰ টকাকৈ আৰু বিভিন্ন জিলাত নিৰ্মাণ কাৰ্য্য বনাবৰ কাৰণে এটা ব্যৱস্থা গ্ৰহণ কৰা হৈছে, এইখিনি বাজেটত দিয়া হৈছে A Group Business Clinic উন্নয়ন কৰিবৰ কাৰণে দিয়া হৈছে। কৃষি পাম উন্নয়ন, কলা কৰ্ষণ পাম, বৰাক উপত্যকাত কৃষি বিশ্ববিদ্যালয় উন্নয়ন, কাজিৰঙাত Orchid

Park , ডিমা হাচাও উদ্যান শস্য মহাবিদ্যালয় এনেধৰণে নতুন Proposal এইখিনি দিয়া হৈছে আৰু এই সম্পৰ্কে আমাৰ বিধায়ক সকল অৱগত হ'ব য'ত য'ত আপোনালোকৰ স্কিম বিলাক দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই মাত্ৰ উত্তৰ দিছে, বিধায়ক সকলক লগত কৃষি বিষয়াই আলোচনা কৰিব। মই নিজে ধুবুৰী কৃষি বিষয়াক ফোন কৰিছিলো যে একাধিক আবেদন যি বিলাকে কৰিছে, এই ক্ষেত্ৰত আমি কিবা আপোনালোকক Suggestion দিব পাৰো নেকি? কয় যে আপোনালোকে এই কমিটিৰ মেম্বাৰ নহয় গতিকে আমি ইতিমধ্যে মিটিং কৰি Selection কৰিলো । গতিকে মন্ত্ৰী মহোদয়ে কোৱা কথাখিনি এইটো সঁচা নহয়। গতিকে যদি সঁচাকে বিধায়ক সকলক লগত লৈ Confidence ত লৈ এইটো কৰিব বিচাৰিছে তেতিয়া হ'লে কৃষি বিষয়াই মোক Telephone ত কিয় replay দিলে যে আপোনালোকে ইয়াৰ মেম্বাৰ নহয় গতিকে আমি ইতিমধ্যে Selection কৰিলো।

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি তাৰ মেম্বাৰ নহয় মইও তাৰ মেম্বাৰ নহয়, কিন্তু আমি তাত ২জন প্ৰতিনিধি দিছো। আপোনাৰো তাত প্ৰতিনিধি থাকে সেই প্ৰতিনিধি সকলে সেইখিনি কাম কৰিব।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তাত প্ৰতিনিধি System নাই। আপোনালোকে Clear Instruction দিয়ক।

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Social worker দুজন থাকে তাত কিয় নাথাকিব Social worker.

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়কৰ প্ৰতিনিধি ক'ত, আমি বিচৰা নাই আমাক লব লাগে বুলি কিন্তু কথাটো কৈছে কাৰণে আমি কথাটো Clear কৰিছো।

**শ্ৰী তপন কুমাৰ গগৈ (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী সমগ্ৰ উন্নয়ন গাওঁ অঞ্চলৰ জৰিয়তে ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে, প্ৰথম পৰ্য্যায়ত যি বিলাক Single application আহিছিল, তাত Decision লোৱা হ'ল Single application বিলাক যিমান আহিছেসেই বিলাকক দিয়া হ'ল তাত আমি দুজন, দুজন Social worker হিচাপে আছে, তেখেত সকলে এই কথাখিনি তাত যিখন কমিটি তাত চোৱা-চিতা কৰে সেইখনত Social worker কেইজনে গোটেইখিনি কথা বক্ত্যৱ ৰাখে প্ৰতিটো সমষ্টিতে Social worker আছে, আপোনালোকে জিলা ভিত্তিত চাই লব।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰণ Social worker বেলেগ বস্তু, এইটো Govt. য়ে Ruling party ৰ পৰা কোনোৱাক Social worker দি দিয়ে। এইটো বিধায়কৰ Recommendation, Social worker নহয়। MLA ৰ প্ৰতিনিধি মানেই MLA য়ে Recommendation কৰিব লাগিব। আমাৰ জিলাখনত কোনো Social worker ৰ নাম আমাৰ পৰা লোৱা নাই আৰু মই Phone কৰাৰ পিছতো বিষয়া গৰাকীয়ে মোক বেয়াকৈ কৈছে। মই অতন্ত্য লাজ পাইছো ।

**শ্ৰী পদ্ম হাজৰিকা (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই Social worker দিয়াটো কমিটিত নতুন কথা নহয়, আগৰ Government ত দেখিছো নহয়, আমি যেতিয়া সেইফালে আছিলো , তেতিয়া Social worker আগৰ দিনতো দিছিলে। গতিকে Social worker য়ে এই বিলাক কমিটি বনাইয়ে আছে, এইটো নতুন কথা নহয়। এইটো চলি আছে পৰম্পৰাগত ভাৱে চলিয়ে থাকিব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি সেই কৃষি বিষয়াজনক মাতি আনি কথাখিনি শুধি লব, শুধিলে কথাটো শেষ হব। Next Question 58. শ্ৰী আব্দুল কালাম ৰচিদ আলম।

**শ্ৰী পিযুষ হাজৰিকা (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুল কালাম ৰচিদ আলম (মাননীয় বিধায়ক)** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ উত্তৰত মই সন্তুষ্ট হব পৰা নাই কিয়নো গোৱালপাৰা চহৰত NHPC ৰ অধিনত ৩৫ টা ৰাষ্টাৰ নিৰ্মান কাৰ্য চলি আছে আৰু মই জানিব বিচাৰিছো যে এই নিৰ্মান কাৰ্যত জড়িত ঠিকাদাৰ সকলে চৰকাৰৰ লগত নিৰ্দিষ্ট সময়ত কাম সম্পাদন কৰি দিয়াৰ যি নিৰ্ধাৰিত চুক্তি কৰিছিল সেই সময় মতে কাম বিলাক সম্পূৰ্ণ কৰিব পাৰিছেনে নাই ? উত্তৰত লিখিছে প্ৰতিকুল বতৰৰ বাবে আৰু চৰকাৰী ভাৱে শিল, বালি, পাথৰ সমুহ আবন্টন নিদিয়াৰ বাবে ঠিকাদাৰ বিলাকে নিৰ্দিষ্ট সময়ত কাম সম্পাদন কৰিব পৰা নাই।

চৰকাৰী ভাৱে শিল, বালি, মাটি,পাথৰ আদি সোনকালে আবন্টন দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিব নেকি ? দ্বিতীয়তে, মই সুধিছিলো, যে নির্ধাৰিত চুক্তি অনুযায়ী চৰকাৰী ভাৱে আবন্টিত কাম সমুহ সম্পাদন কৰোতে কোনো কাৰিকৰি প্ৰশিক্ষণ প্ৰাপ্ত লোকক নিয়োগ কৰা হৈছে নেকি? তেখেতে থকা বুলি লিখিছে যদিও মই জনাত তেনে কোনো Technical Person নিয়োগ কৰা হোৱা নাই, যাৰ বাবে আজি পথটোৰ অৱস্থা বেয়া হৈ গৈছে। গতিকে চৰকাৰে এইক্ষেত্ৰত এটা সুব্যৱস্থা কৰিব নেকি? লগতে উক্ত পথটো নিৰ্মানত কিমান জন BE. JE. Engineer নিয়োগ কৰা হৈছে মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** - ধন্যবাদ, মন্ত্ৰী, উত্তৰটো দিয়ক।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, এই আঁচনিখন আৰম্ভ হৈছিল ২০১৪-১৫ বৰ্ষত আৰু ২০১৬ বৰ্ষলৈকে ৰাষ্টাৰ নিৰ্মাণ কাৰ্য প্ৰায় ৫১.৬ শতাংশ সম্পূৰ্ণ কৰা হৈছিল। ইয়াৰ পাচৰ পৰ্যায়ত আমাৰ চৰকাৰে প্ৰায় ৯৪ শতাংশ সম্পূৰ্ণ কৰে। বিগত চৰকাৰৰ দিনত উক্ত পথটোৰ নিৰ্মান কাৰ্যত তিনিটাকৈ তদন্ত কৰা হৈছিল । প্ৰথমে TNCP বিভাগৰ ফালৰ পৰা তদন্ত কৰা হৈছিল। তেখেত সকলে তদন্তৰ প্ৰতিবেদনত উল্লেখ কৰিছিল যে ০১-০৪-২০১৫ চনত ১.৩০ কোটি টকা অতিৰিক্ত ভাৱে মোকলাই লৈ যায়, কিন্তু তেতিয়া গড়কাপ্তানি বিভাগে কয় যে TNCP বিভাগৰ তদন্ত কৰাৰ অধিকাৰ নাই। তেতিয়া পুনৰ উপায়ুক্তৰ অধিনত তদন্ত কৰা হৈছিল আৰু তেতিয়া Project Implementation Committee ৰ পৰামৰ্শ মতে উক্ত পথটোৰ নিৰ্মাণ কাৰ্য সোনকালে আৰম্ভ কৰা হল, এতিয়া প্ৰায় ৯৪ শতাংশ সম্পূৰ্ণ কৰা হল। বাকী যি ৬ শতাংশ কাম আছে সেইখিনিও আমি অতি সোনকালে শেষ কৰিম।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** - আপোনাৰ আৰু কিবা সুধিব লগীয়া আছে নেকি ?

**শ্ৰী আঃ কালাম ৰচিদ মণ্ডল, বিধায়ক ঃ**- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে Technical Person ৰ কথা নকলে আৰু মই জনাত তেনে কোনো Technical Person প্ৰকৃততে field ত নাই। দ্বিতীয়তে আৰু এটা কথা মই ইয়াতে জানিব বিচাৰিছো যে এই কামটো প্ৰতক্ষ ভাৱে ঠিকাদাৰকেই কৰিবলৈ আবন্টন দিয়া হৈছিল, কোনো ধৰণৰ Sub-Contract নাছিল ঠিকাদাৰ জন আছিল Soity Infrastructure Pvt. Ltd. ৰ আৰু address B.K. Tower ঠিকাদাৰ জনৰ নামটো যদিওঁ Agarwal বুলি দিছে, প্ৰকৃততে এইটো ভাগ্য কলিতাৰ হে ঠিকা আছিল যেন লাগে। গতিকে এই ঠিকাটো নিশ্চয় Sub-Contract ত দিয়া হৈছে আৰু ৰাষ্টাটোৰ নিৰ্মান কাৰ্য শেষ হোৱায়ে নাই বৰ্তমান এই ৰাষ্টাটো ভাঙি যাব ধৰিছে। গতিকে বিষয়টো তদন্ত কৰি ঠিকাদাৰ জনক ৰাষ্টাটো মেৰামতি কৰি দিয়াৰ বাবে বাধ্য কৰিব লাগে অন্যথা ঠিকাদাৰ জনৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**শ্ৰী পিযুছ হাজৰিকা, মন্ত্ৰীঃ**- অধ্যক্ষ মহোদয়, ২০১৪ বৰ্ষত নিৰ্মান কৰা ৰাষ্টাটো ইমান সোনকালে বেয়া হব পাৰে নেকি ! যদি Primary ঠিকাদাৰ জনে কাৰোবাক Sub-Contract টো দিছে আৰু আপুনি যদি in detailsটো মোক আনি দিব পাৰে তেন্তে মই নিশ্চয় বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** -Next Question No. 59.

**শ্ৰী তপন গগৈ, মন্ত্ৰীঃ**- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী জাকিৰ হুচেইন চিকদাৰ, বিধায়ক ঃ**- অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে "সৌভাগ্য আঁচনি"ৰ জড়িয়তে কিমান মানুহ উপকৃত হৈছে তাৰ তালিকা এখন মোক দিছে যদিও তাৰ সত্য

সত্যতা নিৰূপন কৰিব পৰা নাযায়, কিয়নো তালিকাভুক্ত হোৱা স্বত্বেও বহুতো হিতাধিকাৰী এই "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত সা-সুবিধা সমূহ লাভ কৰিবলৈ সক্ষম হোৱা নাই, গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জড়িয়তে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো । দ্বিতীয়তে, "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত সা-সুবিধা সমুহ লাভৰ পৰা কিমান মানুহ বঞ্চিত হৈ আছে আৰু তেখেত সকল কেতিয়া এই সা-সুবিধা সমুহ লাভ কৰিবলৈ সক্ষম হব সেই সম্পৰ্কে জানিব বিচৰাত মন্ত্ৰী মহোদয়ে জনাইছে যে - যিবিলাক অঞ্চলত "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত সা-সুবিধা সমুহৰ পৰা বঞ্চিত হৈ আছে সেই অঞ্চল বিলাকত সৌভাগ্য ৰথ আৰু মাইকৰ জড়িয়তে প্ৰচাৰ কৰা হৈছে, দূৰদৰ্শন আৰু সংবাদ মাধ্যমৰ জড়িয়তেও প্ৰচাৰ চলোৱা হৈছে। কিন্তু মোৰ সমষ্টিত সৌভাগ্য ৰথ আৰু মাইকৰ জড়িয়তে "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত সা-সুবিধা সমুহৰ বিষয়ে কোনো ধৰণৰ প্ৰচাৰ চলোৱা হোৱা নাই।

এই "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত সা-সুবিধা সমুহ লাভ কৰিবলৈ গাওঁবুঢ়া সকলৰ জড়িয়তে হিতাধিকাৰী সকলক নিৰ্বাচন কৰা হব বুলি ইয়াৰ আগৰ অধিবেশনতে মন্ত্ৰী মহোদয়ে আমাক জনাইছিল। কিন্তু যেতিয়া মই এই সম্পৰ্কত গাওঁবুঢ়া সকলক সুধিছিলো তেখেত সকলে জনাইছিল যে "সৌভাগ্য আঁচনি"ৰ হিতাধিকাৰী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত দুটা প্ৰতিষ্ঠানক ঠিকা দিয়া হৈছে। মই জনাব বিচাৰিছো যে আজি পৰ্যন্ত মোৰ সমষ্টিত "সৌভাগ্য আঁচনি"ৰ কোনো ঠিকাদাৰে ভুমুকিয়েই মৰা নাই। অৱশ্যে ইয়াৰ মাজতে Electricity Department ৰ কিছু দালাল জাতিয় ব্যক্তিয়ে গাওঁৰ ঘৰে ঘৰে গৈ টকা সংগ্ৰহ কৰি হিতাধিকাৰীৰ নাম তালিকাত সন্নিবিষ্ট কৰা বুলি অভিযোগ উত্থাপন হৈছে। এই সম্পৰ্কত অভিযোগ দিয়া হৈছে যদিও বিভাগীয় ভাৱে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। সেয়েহে মই কব বিচাৰিছো যে গাওঁবুঢ়া সকলক যিহেতুকে এই "সৌভাগ্য আঁচনি"ৰ হিতাধিকাৰী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত জড়িত কৰা হৈছেই তেখেত সকলেহে প্ৰকৃত হিতাধিকাৰী সম্পৰ্কে জানিব আৰু তেওঁলোককে হিতাধিকাৰী নিৰ্বাচন কৰাৰ অধিকাৰটো দিব লাগে। বিভাগীয় ভাৱে কোনো Survey আদি নকৰাকৈ কেৱল মধ্যস্থতাকাৰীৰ দ্বাৰা উৎকোচ আদি লৈ "সৌভাগ্য আঁচনি"ৰ হিতাধিকাৰী নিৰ্বাচন কৰা কাম বোৰ কৰিছে।

মই অধ্যক্ষ মহোদয়, আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তদন্ত এটা কৰি দোষি সাব্যস্ত হোৱা ব্যক্তিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** - ধন্যবাদ। সময় বৰ কম গতিকে, মন্ত্ৰীয়ে দুই মিনিটৰ ভিতৰতে উত্তৰটো দিয়ক।

**শ্ৰী তপন গগৈ, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰীৰ "সৌভাগ্য আঁচনি"ৰ অন্তৰ্গত "সহজ বিজুলী ঘৰ যোজনা"ৰ জড়িয়তে আমি সমগ্ৰ অসমৰ প্ৰতি ঘৰ মানুহ ঘৰতে বিজুলী যোগান ধৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত ইতিমধ্যে দুটা কোম্পানীয়ে কাম কৰি আছে, এটা হল M/S MK Power & Infrastructure Pvt. Ltd. আৰু আনটো হল M/S N.H. Electrical Construction, Haju আৰু আমি Empanel সৰু সৰু ঠিকাদাৰ বিলাককো এতিয়া কাম কৰিবলৈ দিছো। যিবোৰ ঠাইলৈ বিদ্যুৎৰ খুটা আদি কঢ়িয়াই নিবলৈ অসুবিধা হয়, সেই বোৰ ঠাইত Solar system ৰ দ্বাৰা বিদ্যুৎ বা বিজুলী যোগান ধৰিবলৈ ব্যৱস্থা কৰিছো। কাম কেতিয়াও বন্ধ বৈ নাযায় আৰু কোনো মানুহো ৰৈ নাযায়, সেই বাবে আমি আমাৰ সন্মানীয় বিধায়ক সকললৈ চিঠি পঠাইছো যাতে তেওঁলোকৰ নিজা নিজা সমষ্টিত এই আঁচনিৰ অধিনত চলি

থকা কাম বিলাক বিভাগীয় বিষয়া সকলৰ লগত কথা পাতি কি কি কাম চলি আছে সেই বিলাক অলপ চোৱা চিতা কৰে, তথা তদাৰক কৰে। মই মন্ত্ৰী হোৱাৰ পাচতো আজি কেইদিন মানৰ আগতে প্ৰতিজন বিধায়কলৈকে এখনকৈ চিঠি দিছো যাতে তেখেত সকলে তেওঁলোকৰ সমষ্টিত চলি থকা আঁচনি সমুহৰ (IPGS Scheme) খতিয়ান লয় আৰু "সৌভাগ্য আঁচনি"ৰ সুবিধা লাভৰ পৰা যি সকল লোক বঞ্চিত হৈছে তেওঁলোককো অহা মাৰ্চ মাহৰ ভিতৰত হিতাধিকাৰীৰ তালিকাত সোমোৱাইলোৱাৰ বাবে ব্যৱস্থা কৰা হব।

(point of order)

**শ্ৰী পদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতী মানুহৰ সংঘাত যিটো চলি আছে ইয়াৰ নিৰাময়ৰ কাৰণে চৰকাৰে যিখিনি ব্যৱস্থা লৈছে সেইখিনি সন্তোষজনক নহয়। আজি ৰাতিপুৱা ৭ বজাত অঞ্জলী মালু দাস নামৰ এগৰাকী বি পি এল পৰিয়ালৰ মহিলা হাতীয়ে আঘাট প্ৰাপ্ত কৰাৰ ফলত এতিয়া তুবুকী মেডিকেলত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। মই এইটো আহ্বান জনাব বিচাৰিছো যে চৰকাৰৰ ফালৰ পৰা বা বিভাগে চিকিৎসাৰ কাৰণে এটা জৰুৰী ব্যৱস্থা কৰিব লাগে যাতে এটা আৰ্থিক সাহাৰ্য্য লগে লগে পায়। যিহেতু আৰ্থিক অৱস্থা বেয়া তেখেত সকলে চিকিৎসাৰ কাৰণে যথেষ্ট অসুবিধাত পৰিছে। আমি বা বিভাগে হয়তো হাতীৰ আক্ৰমণত মৃত্যু হ'লে ৪ লাখ টকাকৈ দিছো। কিন্তু যিখিনি আঘাট প্ৰাপ্ত হৈছে তেওঁলোকৰ চিকিৎসাৰ কাৰণে তৎকালীন এটা সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে আপোনাক দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো আচলতে point of order নহয়। আজি যিহেতু private members day সেয়ে মই একো কোৱা নাই। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি এটা প্ৰশ্ন আছিলে unstarred no.87 ত। ইয়াত মৰিয়ণী সমষ্টিত মোৰ দুটা চাব চেণ্টাৰ স্বাস্থ্য বিভাগে বনোৱাটো আৰু ইয়াৰ লগতে আনুসংগিক পানী, ইলেকট্ৰিচিটী হ'ল নে নাই এই প্ৰশ্নটো দিছিলো আৰু উত্তৰত ইলেকট্ৰিচিটী হ'ল বুলি ক'লে। এইটো সত্য নহয়। কাৰণ মই এসপ্তাহ আগত গৈ চাই আহিছো তাত ইলেকট্ৰচিটী নাই হোৱা। এনেদৰে বিধান সভাৰ মজিয়াত সন্মানীয় শাসক-বিৰোধী বিধায়ক সকলে ইমানবোৰ আপত্তি দৰ্শোৱাৰ পিছত যে সত্য বাতৰিৰ ওপৰত গুৰুত্ব দিব লাগে, তাৰপিছতো কি দৰে বিষয়া সকলে অসত্য উত্তৰ দিবৰ কাৰণে সাহস কৰিছে? আৰু এটা প্ৰশ্ন আছিলে unstarred no.71 । ইয়াত Signature Scheme ৰ অধীনত মৰিয়ণী সমষ্টিত ১০ কোটি টকাৰ ৰাস্তা, দলং ধৰিছে নেকি, এই প্ৰশ্নটোৰ উত্তৰ যিটো দিছে তাত আমি সন্তুষ্ট হ'ব পৰা নাই। অৰ্থাৎ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব, কেতিয়া শেষ হ'ব ইয়াত নিৰ্দিষ্টকৈ উল্লেখ নাই।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবোৰ প্ৰশ্নত আমাৰ প্ৰত্যেকজন বিধায়কৰ interest থাকে like বিধায়ক পুঁজি, সেইবিলাক প্ৰশ্নত যাতে আমাৰ প্ৰত্যেকজন বিধায়কে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে কিবা এটা উপায় উলিয়াব লাগে। লগতে যোৱাকালি মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াই কিছু উত্তৰ দিলে, এনেকুৱা পকাই মেলি দিয়ে যে আমি উত্তৰটোৱেই নাপাওঁ। গতিকে উত্তৰখিনি specific হ'ব লাগে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মোৰ starred question no. 35 ৰ যিটো উত্তৰ সেইটো শুদ্ধ নহয়। শুদ্ধ উত্তৰটো পালে হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** কেইবাজনো বিধায়কৰ আগতে সোধা প্ৰশ্নৰ উত্তৰ বিলাক মোলৈ আহিছে। মই আপোনালোকক বিতৰণহে কৰিব পৰা নাই। মই আপোনাৰটো চাই দিম। এতিয়া শ্ৰী সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো। আমি নতুনকৈ বিধায়ক হৈ আজি ইয়ালৈ আহিছো আৰু বহু কথা শিকিবলৈ চেষ্টা কৰিছো আৰু এটা কথা শিকিছো যে আপোনাৰ আদেশৰ অবিহনে আমি যিকোনো কথা ইয়াত কোৱাটো অনুচিত। কিন্তু ইয়াত দেখা গৈছে বিশেষকৈ বিৰোধী দলৰ বিধায়কে গাৰ বলেৰে কেইবাবাৰো কথা কৈছে আৰু ইয়াত ব্যৱহাৰ কৰিব নলগীয়া বাক্য ব্যৱহাৰ কৰিছে। গতিকে আমি অলপ কষ্ট পাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰথমেই কৈছো যে মইও বিধান সভাত একানব্বৈ চনতহে অহা। পচানব্বৈত অহা নহয়। বহু বছৰ হৈ গ'ল। প্ৰথমতে নতুন সদস্য সকলৰ কেনেকুৱা ধৰণে ক'ম এই লৈ অকনমান কষ্ট হয়। মই ল' বেকগ্ৰাউণ্ডৰ পৰা অহা কাৰণে অকনমান বুজিছিলো কিন্তু ল' বেকগ্ৰাউণ্ড নাথাকিলে ৰুলৰ কিতাপ বিলাক বুজাত কিছু অসুবিধা হয়। সকলোৱে বুজিব পাৰে। মোতকৈ বেছি জনা মানুহ কেইবাজনো আছিল তেতিয়া। আমি আব্দুল মুহিব মজুমদাৰক পাইছিলো excellent মানুহ আছিল এইটো ক'বই লাগিব। আমি হেমেন দাস, গোলোক ৰাজবংশীকো পাইছিলো। আমি পুৰণা মানহ বহুতক পাইছিলো। গতিকে আমি কেতিয়াবা গৈছিলো শিকিছিলো। বিৰোধী দলৰ হ'লেও আমি একেলগে বহা মেলা কৰিছিলো। এতিয়া যুযুধান ৰূপ দেখি যাওঁ মাজে মাজে। কোনেও নেৰে। সেইকাৰণে কথাটো এনেকুৱা যে ভাল বিলাক ল'ব, বেয়া বিলাক নল'ব। ইয়াতটো মই তাতকৈ একো ক'ব নোৱাৰো। ৰূপজ্যোতিয়েও কিবা এটা ক'বলৈ খুজিছে ক'বলৈ দিম। মোৰ ভাতৃ তুল্য তেওঁ। তেওঁৰ মাতৃৰ লগত মই একেলগে আছিলো। গতিকে কথটো হৈছে যে কেতিয়াবা কেতিয়াবা কিছুমান কথা আমি ইয়াত ইচ্ছা কৰিলেও ক'ব নোৱাৰো। গতিকে আমি সদায় সাগৰ মন্থন কৰাৰ নিচিনা। অমৃত ল'বই। অমৃত খিনিকে ল'ব। বাকীখিনি নল'ব। কাৰণ মইও বিধায়ক আছিলো। কেতিয়াবা হয়তো মইও ভুল কৰিছিলো, কেতিয়াবা শুদ্ধ কৰিছিলো। শিকিবও লাগিব কাৰণ এইটো শিকাৰ কথা। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিমানখিনি জানো মই ভাল। কাৰণ মা য়ে certificate দিয়া আছে গতিকে মোক বেলেগৰ চাৰ্টিফিকেট নালাগে। মাননীয় বিধায়ক সঞ্জয় কিশান ডাঙৰীয়াই শব্দ ব্যৱহাৰৰ বিষয়ে যিটো কৈছে মই সব ৰখাই দিছো। এটাও ব্যৱহাৰ কৰা নাই। মোৰ এটা কথা মই মৰম দিলে মৰম দিম আৰু দুখ দিলে খং উঠাটো স্বাভাৱিক। সিদিনাখন মাননীয় তৰুণ গগৈ ডাঙৰীয়াই যেতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তৃতা দি আছিল ইয়াত অসমৰ ৰাইজে নেদেখিলেও প্ৰচিডিংচত লিপিবদ্ধ হৈ আছে কেনেকুৱা ধৰণৰ মন্তব্য শাসকীয় দলৰ বিধায়ক সকলে দি আছিল। হয়তো উদ্দেশ্যটো এনেকুৱা হ'ব পাৰে যে শাসক দলৰ বিধায়ক সকলে মাজে মাজে ইণ্টাৰেক্ট কৰিব আৰু কথা বিলাক থৰক বৰক হ'ব আৰু কথা বিলাকৰ গতি নাথাকিব আৰু তেতিয়া ভাল হ'ব। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বক্তব্য ৰাখোতে আমি অলপমান কৈছিলো যদিও আপুনি অনুৰোধ জনোৱা কাৰণে আপোনাৰ প্ৰতি সন্মান জনাই একো কোৱা নাছিলো। গতিকে যদি আমাক সন্মান দিয়ে আমিও সন্মান দিম আৰু আমাক সন্মান নিদিলে উপায় নাই।

**ড° নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অবজেকশ্যনটো এইটোৱে আছিলে যে, অপজিশ্যনৰ দলপতিয়ে কৈ থকাৰ সময়তো আকৌ উঠি আপোনাৰ পাৰমিশ্যন নোহোৱাকৈ কথা কয় আৰু এজন বিধায়কে ইয়াত এটা আপত্তিজনক শব্দ কৰিছে যদিও ৰিৱাইণ্ড কৰি চোৱাৰ ব্যৱস্থা আছে আপুনি চাই বিহীত ব্যৱস্থা ল'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** হাউচ শেষ হোৱাৰ পিছত আপোনালোকে সকলোৱে মোৰ ৰুমলৈ আহিব। মই তাতে কথা পাতিম। ইয়াত আৰু বেছিকে নাপাতো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে এনেকুৱা যে, য'ত আমি কিবা এটা ইচ্ছু লৈ আলোচনা কৰো তাৰ পৰা যাতে বেয়া শব্দ যাতে নোলায়।

**মাননীয় অধ্যক্ষ ঃ** এই ক্ষেত্ৰত মই কাকো দোষ নিদিওঁ। নিজে নিজৰ সংযম ৰক্ষা কৰিব লাগিব ।আমাক সন্মানীয় সদস্য বুলি কয়। সন্মানটো ডিমাণ্ড কৰি নাপায়। সন্মান ব্যৱহাৰৰ জৰিয়তেহে পোৱা যায়। এইক্ষেত্ৰত আমি আৰু বিশেষ আলোচনা নকৰো। আজি প্ৰাইভেট মেম্বাৰ্চ ডে কাৰণে মই অলপ এলাউ কৰিছিলো। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনে তেওঁলোকৰ আন্দোলন অব্যাহত ৰাখিছে। এল পি, এম ই স্কুলৰ যিসকল ছাত্ৰ-ছাত্ৰী তেওঁলোক বঞ্চিত হ'ব লগা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে আমাৰ চৰকাৰৰ বিশেষকৈ শিক্ষা মন্ত্ৰীক অনুৰোধ জনাইছো যে এটা আলাপ আলোচনাৰ মাজেৰে এই সমস্যাটো সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। মই এতিয়া Under Rule 23 (2) "Members Hour" ত ৩খন Notice লৈছো। সেই ৩জন মাননীয় সদস্য হৈছে-আনোৱাৰ হুছেইন লস্কৰ, মৃণাল শইকীয়া, আব্দুল কালাম ৰছিদ আলম। মাননীয় সদস্য আনোৱা ৰ হুছেইন লস্কৰ, তেখেতে তেওঁৰ সমষ্টিৰ ৪টা বিভাগৰ কথা দিছে। মই তেখেতক প্ৰত্যেকটোৰ ওপৰত ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, বিধায়ক (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক "Members Hour" ত ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যাদ জনাইছো। মই মাননীয় যিসকল বিধায়ক আছে, তেওঁলোকক কিছু কথা জনাব বিচাৰিছো। মই যোৱা বিধান সভাত Urban Development ৰ Town and Country Planning ৰ MD ৰ ওচৰলৈ গৈছিলো আৰু আমাৰ হাইলাকান্দিৰ PMAY ৰ ঘৰৰ বিষয়ে সুধিছিলো । সেই বিষয়ে তেওঁ এনেকুৱা এটা মন্তব্য কৰিছিল যে যিটো মই Chief Secretary, মাননীয় মুখ্য মন্ত্ৰী আদি সকলোকে জনাইছিলো। কিন্তু জনোৱাৰ পিছতো আজিলৈকে দূৰ্ভাগ্য বশতঃ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। **প্ৰধান মন্ত্ৰী আৱাস যোজনা**ৰ ক্ষেত্ৰত গোটেই অসমকে বিতাড়িত কৰিছে। অসমৰ যিমানখিনি জিলা আছে, তাৰে সমষ্টিৰ সকলো মানুহে দুখ পাইছে। মই এই বিষয়ে কিছু কথা পঢ়ি দিছো। নগৰ উন্নয়ন বিভাগৰ অধীনত অসমত চলা প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ নগৰ আঁচনিৰ অধীনত যোৱা তিনি বছৰে প্ৰায় ৫৭ হাজাৰ ঘৰ চৰকাৰী অনুমোদনৰ বিপৰীতে মাত্ৰ ১১টা ঘৰ দিছে। ঘৰ কিয় সম্পূৰ্ণ হ'ব পৰা নাই? কাৰ হেমাহিৰ বাবে এই আঁচনিৰ কাম আগবাঢ়িব পৰা নাই?

২) ভূমিহীন, ভাৰতীয় নিম্ন বিত্ত আৰু মধ্য বিত্ত শ্ৰেণীৰ বাবে থকা সুলভ মূল্যৰ বাসগৃহ আঁচনিৰ অধীনত আজিলৈকে অসম চৰকাৰে পৰিচালিত কৰিব নোৱাৰিলে। কিন্তু ভাৰতৰ বিভিন্ন ৰাজ্যত আঁচনিৰ সুবিধা কৰি হাজাৰ হাজাৰ ঘৰ বনাই আছে। এই আঁচনি সফল কৰিবৰ বাবে ভাৰত চৰকাৰে এইবাৰ বাজেটত ১ লাখ কোটি টকা ধাৰ্য্য কৰিছে। আঁচনিৰ পৰিচালনা আৰু সঞ্চালক হেমাহিৰ বাবে অসমত হোৱা নাই। কিন্তু অসমৰ বাহিৰত সকলো ৰাজ্যতে হৈছে। আমাৰ অসমৰ যিসকল লোক ভাড়াতীয়া অথবা পাহাৰ অঞ্চল দখল কৰি আছে, তেওঁলোকৰ সকলো সমস্যা সমাধান হৈ গ'লহেঁতেন যদি আমাৰ আমোলা-বিষয়াসকলে অলপ গুৰুত্ব দিলেহেঁতেন। আমি বিৰোধী বিধায়কসকলে যিখিনি কথা সদনৰ বাহিৰত- সংবাদ মাধ্যম অথবা TV চেনেলত কওঁ এই কথাবোৰ যদি আমাৰ চৰকাৰে অলপ চিন্তা কৰিলেহেঁতেন। মই বহুতবাৰ বাতৰিকাকত অথবা TVচেনেলত

কৈছো। কিন্তু এতিয়ালৈকে একো ফল পোৱা নাই।

৩) অসমৰ একমাত্ৰ মহানগৰ গুৱাহাটী মহানগৰীত PMAY যোজনাৰ অধীনত এটাও ইটা পৰা নাই। এইটো অতি লাজৰ কথা যে গোটেই অসমৰ একমাত্ৰ মহানগৰীত যোৱা তিনিবছৰে এই আঁচনিৰ অধীনত এটাও কাম হোৱা নাই। এই আঁচনি যদি গুৱাহাটীত সফল ৰূপায়ণ কৰিব পাৰিলে পাহাৰ অঞ্চলত হোৱা বে-দখল বন্ধ কৰিব পৰা গ'লহেঁতেন।

৪) এই আঁচনিৰ অন্তৰ্গত এটা গুৰুত্বপূৰ্ণ কথা হ'ল, বৰ্হিযুক্ত অঞ্চলৰ উন্নয়ন। দূৰ্ভাগ্য বশতঃ যে এই কাম আজিলৈকে অসমত আৰম্ভ কৰিব পৰা নাই। য'ত অসমৰ বাহিৰত এই কাম দ্ৰুত গতিত আগবাঢ়ি আছে।

৫) মই ক'ব বিচাৰিছো যে অসম চৰকাৰৰ অধীনত 'প্ৰধান মন্ত্ৰী আৱাস যোজনা'ৰ নগৰ মিশ্যন সঞ্চালক চৰকাৰৰ দ্বাৰা অনুমোদিত যোগ্য অৰ্হতাসম্পন্ন ব্যক্তি নিযুক্তি দিয়া। Data Entry Operator নিযুক্তি কি দৰে মিশ্যন সঞ্চালকে দিছে। এই Data Operator কেইজনৰ একেদিনাই বিজ্ঞাপন দি নিযুক্তি দিয়া হয়। অসমত ১২৬টা পোষ্ট আছে আৰু কেৱল ৩৪ জন মানুহেৰে চলাই আছে। এই কেইজন মানুহে কেনেকৈ প্ৰত্যেকটো সমষ্টি চাব? প্ৰত্যেক জিলাতে বিষয়া নিয়োগ কৰিব লাগে। কিহৰ বাবে মানুহক নিযুক্তি দিয়া হোৱা নাই? এই ১২৬ জনৰ ভিতৰত MD জনে মাত্ৰ ৫ জন মানুহ লৈছে। তেওঁ যিদিনা বিজ্ঞাপন দিলে সেই দিনাই ৪জনী ছোৱালী আৰু এজন ল'ৰা ল'লে। এই বিষয়ে মই যোৱা বিধান সভাৰ পিছত মাননীয় মুখ্য মন্ত্ৰী, বিভাগীয় মন্ত্ৰী আৰু বিভাগক জনাইছিলো। কিন্তু আজিলৈকে তেওঁলোকে কিয় ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ বাবে আমাৰ যিসকল দুখীয়া ৰাইজৰ ঘৰ ভঙিছে তেওঁলোকে কষ্ট পাই আছে। আজি কাৰ হেমাহিৰ বাবে এই ঘৰসমূহৰ কাম সম্পূৰ্ণ হোৱা নাই? আজি বৰ্হিৰাজ্যৰ পৰা কিছুসংখ্য IAS বিষয়া আহি তেওঁলোকে নিজৰ মইমতালি কৰিছে। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ। মই বিৰোধী সদস্য হিচাপে সদায় মাত মাতি আহিছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এবাৰ চিন্তা কৰিব লাগিছিল যে মই চৰকাৰৰ প্ৰত্যেকখন মিটিঙলৈ আঢ়ৈ বছৰ ধৰি গৈছিলো । কিন্তু এইবোৰ সমস্যালৈ মই যেতিয়া তেওঁৰ ওচৰলৈ গ'লো আজিলৈকে কোনো সমাধান পোৱা নাই। সেইকাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ক কওঁ যে তেওঁ যেতিয়া সদনৰ ভিতৰত ১২৬ জন বিধায়ক মিলি এটা টীম বনাম বুলি কয়, আমি সদায় টীমত সহযোগিতা কৰি আহিছো। আজি মই যিখিনি কথা কৈছো সেইখিনি মই মোৰ দলীয় বা ব্যক্তিগত স্বাৰ্থত কোৱা নাই। PMAY আঁচনি সফল হ'লে দুখীয়া, মধ্যবিত্ত, নিম্ন বিত্তকে ধৰি সকলো শ্ৰেণীৰ মানুহ উপকৃত হ'লহেঁতেন। প্ৰধান মন্ত্ৰী আঁচনিৰ সফল ৰূপায়ণৰ বাবে যথেষ্ট আবণ্টন কৰিছিল যদিও অসমে এই আঁচনিসমূহত কিয় সফল হ'ব পৰা নাই? এই আঁচনিসমূহ সফল কৰাৰ বাবে সকলো ৰাজনৈতিক দলক সহযোগিতা কৰিবৰ বাবে অনুৰোধ জনাও। মই চৰকাৰক অনুৰোধ জনাও যে এই আঁচনি চলাবৰ বাবে অসমক ভাল পোৱা তথা চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ কৰিব বিচৰা দক্ষ IAS বিষয়াক মিশ্যন সঞ্চালক হিচাপে নিযুক্তি দিয়ে। চৰকাৰী যিসকল বিষয়া বহিৰাজ্যৰ পৰা আহি নিজৰ মইমতালি কৰি চলাই আছে, সেই বিষয়ে মই এটা তথ্য দিব পাৰো। বৰ্তমান মিশ্যন সঞ্চালক সঞ্জয় সিং মহোদয়ে হাই কোৰ্টৰ পৰা দিয়া আদেশো অৱমাননা কৰিছে। হাই কোৰ্টে অসম চৰকাৰৰ ওপৰত দহ হাজাৰ টকাৰ জৰিমনা বিহিছে। যাৰ ফলত Urban Development Ministry ত অসমৰ বদনাম হৈছে। এইটো এটা অতি লাজৰ বিষয়। আমাৰ চৰকাৰে বিৰোধীসকলে কোৱা কথা গুৰুত্ব নিদিয়াৰ বাবে এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে। সেইকাৰণে মুখ্য মন্ত্ৰী আৰু Urban Development Minis-

ter ৰ ওচৰত অনুৰোধ জনাম যে যিসকল বিষয়াৰ হেমাহিৰ কাৰণে এনে হৈছে, তেওঁলোকৰ ওপৰত যাতে ব্যৱস্থা লয়। মোৰ তথ্যখিনি মতে এই ১লাখ কোটি টকা গোটেই ভাৰতেত গৈছে, কিন্তু অসমত নাই। এনে ক্ষেত্ৰত মই মুখ্য মন্ত্ৰীক অনুৰোধ জনাওঁ যে বিষয়াসকলক ১০-১৫ টা মান দায়িত্ব দিয়া হয়। এনে ক্ষেত্ৰত আমাৰ অসমৰ বিষয়াসকলক দিলে ভাল হয়। নহ'লে এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈ থাকিব। মই এতিয়া Panchayat আৰু Rural Development ৰ কথা ক'ব বিচাৰিছো। মোৰ দুৰ্ভাগ্যই ক'ম নে সৌভাগ্যই ক'ম পঞ্চায়ত মন্ত্ৰী আমাৰ হাইলাকান্দি সমষ্টিত গৈছিল। মই তাত আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অসুবিধাসমূহ কৈছিলো। পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ অধীনত মোৰ প্ৰকল্পৰ সংখ্যা কিমান আছিল আৰু PMAYৰ অধীনত অধীনত চৰকাৰে কিমান ঘৰ নিৰ্ম্মাণ কৰি দিছে? মই আজিৰ পৰা ৮-৯ মাহ আগত পঞ্চায়ত মন্ত্ৰীক কৈছিলো । তাৰোপৰি এক্কা ডাঙৰীয়াকো কোৱা হৈছিল। PMAY ঘৰ, MGNREGA, 14th Finance ত যি দুৰ্নীতি হৈ আছে সেই সম্পৰ্কত মই C.E.O.ৰ বিৰুদ্ধে মুখ্য মন্ত্ৰী ডাঙৰীয়াকো directly অভিযোগ দিছিলো। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই মই বিৰোধী পক্ষৰ বিধায়ক হোৱা বাবে কোনো action লোৱা নাই। সেয়েহে আজি সদনত মই দুখেৰে ক'ব লগীয়া হৈছে যে এই দুৰ্নীতিবোৰৰ ক্ষেত্ৰত কোনো action নোলোৱাৰ বাবেই হাইলাকান্দি অঞ্চল আঁচনিসমূহৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। ২০১৭-১৮, ২০১৮-১৯ চনৰ MGNREGA আঁচনিৰ কোনো কামেই হাইলাকান্দি অঞ্চলত হোৱা নাই। গতি কে এনে ধৰণে বঞ্চিত হ'বলগীয়া কাৰণ মই আজিও বুজি পোৱা নাই। আমি বিৰোধী বিধায়ক হোৱা বাবেই আমাক বঞ্চিত কৰি ৰখা হৈছে নেকি? ৰাইজৰ প্ৰতিনিধি হিচাপে আমাক কোনো সঁহাৰি নজনায় নেকি? মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰত্যেকখন মিটিঙত গৈছো, পঞ্চায়তৰ মিটিং সমূহতো বিধায়ক হিচাপে গৈছো যাৰ ফলত মোক দলে show cause কৰিছে। মই চৰকাৰৰ মিটিঙৰ বাবে যেতিয়াই চিঠি পাইছিলো তেতিয়াই সেই মিটিঙলৈ গৈছিলো আৰু ভাৱিছিলো যে এই মিটিংবোৰৰ জৰিয়তে কিবা ভাল কাম হ'ব। মানুহে কৈছিল যে আগৰ চৰকাৰখন বেয়া কিন্তু, অধ্যক্ষ মহোদয়, মই দুখেৰে ক'বলগীয়া হৈছে যে আগৰ চৰকাৰতকৈ যেন বৰ্তমানৰ চৰকাৰখনহে বেয়া হৈছে। মোৰ এই কথাত শাসকীয় দলৰ বিধায়কসকলে যাতে বেয়া নাপায়। মই এনেকৈ এই কাৰণেই ক'বলগীয়া হৈছে যে মই বাৰম্বাৰ আপোনালোকৰ ওচৰত এই সংক্ৰান্তত অভিযোগ লৈ গৈছিলো কিন্তু মই বিৰোধী বিধায়ক হোৱাৰ বাবে মই অভিযোগ কৰা কোনো বিষয়াৰ ওপৰত আপোনালোকে কিয় action লোৱা নাই?

**মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** চৰকাৰৰ মিটিঙত গ'লে দলে show cause কৰে নেকি?

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** আনকি মই বিজেপিলৈ যোৱা বুলি সংবাদ মাধ্যমতো দেখুওৱা হৈছিল। মই বিজেপিত যোৱা নাই, চৰকাৰী কাৰ্যসূচীতহে গৈছো।

**মাননীয় অধ্যক্ষঃ** আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়া, আপোনাৰ বক্তব্যত আপুনি এটা শাৰী ক'লে যে, মই দলৰ কথা নুশুনিও মিটিঙত গৈছো, এইবোৰ কথা নক'লে ভাল।

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়।

**মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** অধ্যক্ষ মহোদয়, বিধায় ক এজনে চৰকাৰৰ মিটিঙত যোৱাৰ বাবে দলে যদি show cause কৰিছে, এনে ধৰণৰ কথা কৈ থাকিবলৈ দিলে নহ'ব। আপুনি হস্তক্ষেপ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মই আপোনালোকক সমষ্টিৰ মূল কথাবোৰ ক'বলৈ কৈছো। প্ৰত্যেকজন বিধায়কে

যিহেতু নিজৰ সমষ্টিৰ কথা ক'বলৈ সুযোগ নাপায়, সেয়েহে তিনিটা বা চাৰিটা সমষ্টিৰ মূল সমস্যাবোৰৰ কথা highlight কৰিবলৈ এটা সুযোগ দিয়া হয় । So, you are lucky that you are getting the chance. সেয়েহে, আপোনাৰ সমষ্টিত চৰকাৰৰ পৰা যি বিচাৰিছে সেইখিনি কওঁক। অকল অভিযোগ দি থাকিলে একো লাভ নহ'ব। অলপ আগতে আপুনি যি কথা ক'লে সেইখিনি ক'ব নলগীয়া কথা। আপোনাৰ দলৰ আপোনাক ভিতৰত কি কৰিছে, কি কৰা নাই, সেইটো জানো সদনক জনাব লাগে? এইবোৰ নক'ব। ইয়াৰ বিপৰীতে আপুনি ক'ব লাগে যে, মই বিৰোধী বিধায়ক হৈ চৰকাৰৰ প্ৰত্যেকটো কামত সহায়-সহযোগ কৰি আছো যদিও মই চৰকাৰৰ পৰা সহানুভূতি পাবলৈ কিয় ব্যৰ্থ হৈছো মই নাজানো। এতিয়া বাকী কথাবোৰ কওঁক, অন্য কথা নক'ব।

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। PMAY ৰ ৪০ হাজাৰ ঘৰ হ'ব লাগিছিল কিন্তু তাৰ বিপৰীতে ১৪ হাজাৰ গ্ৰামীণ ঘৰহে নিৰ্মাণ হৈছে। এনেধৰণে হোৱাৰ বাবে সমষ্টিৰ লগতে সমগ্ৰ অসমৰ দুখীয়া ৰাইজ বঞ্চিত হৈছে । এইবোৰ মই দিয়া তথ্য নহয়, ভাৰত চৰকাৰৰ তথ্য। মই তথ্যবোৰ এই কাৰণে দাঙি ধৰিছো যাতে চৰকাৰে এই বিষয়াৰ ওপৰত action লয়।

**মাননীয় অধ্যক্ষঃ** আপুনি যে চৰকাৰী বিষয়াৰ কথা কৈ আছে, সেই ক্ষেত্ৰত specific নাম ল'ব নালাগে কিন্তু তেওঁ কোনটো পদত কি বিভাগৰ কাৰ্যভাৰ লৈছে সেইটো ক'লেই হয়। বিভাগটোৰ নাম নক'লে চৰকাৰে কেনেকৈ action ল'ব?

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। মোৰ সমষ্টিত হাইলাকান্দি জিলাৰ C.E.O. ৰ বিষয়ে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আগতে কৈছিলো।

**মাননীয় অধ্যক্ষঃ** আপুনি আগতে কাক, কি কৈছিল, সেইটো বৰ্তমান দৰকাৰ নাই। আজি যিহেতু আপোনাক ক'বলৈ দিয়া হৈছে, গতিকে মূল কথাখিনি কওঁক।

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** আমি হাইলাকান্দিৰ C.E.O. ৰ ওপৰত অভিযোগ দিছিলো। ২০১৭-১৮, ২০১৮-১৯ চনত হাইলাকান্দিত PMAY , NREGA, ৰাস্তা-ঘাট নিৰ্মাণৰ একো আঁচনিৰ কাম হাতত লোৱা হোৱা নাই আৰু চৰকাৰে হেনো এই আঁচনিবোৰৰ কাম বন্ধ কৰিছে। গতিকে কিহৰ বাবে বন্ধ কৰি থৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে মোক অৱগত কৰিব লাগে। আনহাতে, কালি ইমান দুৰ্ভাগ্যজনক কথা এটা দেখিবলৈ পাইছিলো যে, PMAY ৰ ঘৰ বনাব নোৱাৰা বাবে এজন C.E.O.ই তেখেতৰ P.S. ৰ হতুৱাই আমাৰ বাগানী মানুহ এজনক মাৰ-পিট কৰিছিল যাৰ প্ৰমাণ মই আপোনাক দি আছো। গতিকে এই C.E.O. জনৰ ওপৰত যদি action লয় মই ভাৱিম যে এই চৰকাৰৰ তৰফৰ পৰা কিবা এটা ৰিজাল্ট পাইছো।

অধ্যক্ষ মহোদয়, Public Health ৰ ক্ষেত্ৰত হাইলাকান্দিত পানী নাই। Public Health Department টো ইমান ডাঙৰ বিভাগ তথাপিও আমাৰ হাইলাকান্দিঈজে খোৱাপানীৰ ক্ষেত্ৰত অসুবিধা ভূগিছে। ৪-৫ টা যি Mega scheme ৰ কাম হাতত লোৱা হৈছিল সেই কামো আজিলৈকে সম্পূৰ্ণ হোৱা নাই। গতিকে, এই আঁচনিৰ টকাবোৰ কোনে খালে? ইয়াৰ ওপৰত তদন্ত কৰি যি গৰাকীয়ে এনে কাম কৰিছে তেওঁৰ ওপৰত action ল'ব লাগে। এইবোৰ ক্ষেত্ৰত action ল'লেহে চৰকাৰৰ ভাল হ'ব। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে, town ৰ পানী আমাক দিব কিন্তু আজি ডেৰ বছৰ পৰ্যন্ত পানীৰ কোনো সুবিধা আমি পোৱা নাই। অধ্যক্ষ মহোদয়, আন এটা আমোদজনক কথা যে, Human Rights & Anti-Corruption Forum ৰ এজন কৰ্মীয়ে Public Health ৰ এটা আঁচনিৰ বিষয়ে জনাই প্ৰধান মন্ত্ৰী ডাঙৰীয়ালৈ লিখিছিল

আৰু প্ৰধান মন্ত্ৰীয়ে Anti-Corruption ক এই বিষয়ে চাবলৈ দিলে। Anti-Corruption য়ে আকৌ IWD ক এই বিষয়টো গতাই দিলে। মই ইয়াত প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়ৰ তথ্য, IWD কাৰ্যালয়ৰ তথ্য দাঙি ধৰিছো। মই ভাৱো কিছুমান IAS বিষয়া এইবোৰৰ লগত জড়িত হৈ আছে। সেয়েহে অধ্যক্ষ মহোদয়, মই কৈছো যে চৰকাৰে এই তথ্য সমূহৰ ওপৰত নজৰ দিব লাগে। এইবোৰ কাৰণতে গাঁৱৰ মানুহে এতিয়াও বিশুদ্ধ পানী খাব পৰা নাই। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এই সমস্যাবোৰৰ ক্ষেত্ৰত যাতে তেওঁ চকু দিয়ে। হাইলাকান্দি সমষ্টিত বিজুলীৰ যি সমস্যা আছিল সেই সমস্যাৰ বিষয়ে যেতিয়াই মই শক্তি মন্ত্ৰীক জনাইছিলো, তেতিয়া তেওঁ লগে লগে বিজুলীৰ সমস্যাটো সমাধান কৰি দিছিল। গতিকে মই অন্য মন্ত্ৰী সকলকো অনুৰোধ কৰিছো যাতে তেওঁলোকে এনেধৰণৰ পদক্ষেপ লয়। আমি আজি যি কাম কৰি আছো, জনহিতাৰ্থে কৰি আছো, নিজৰ স্বাৰ্থত আমি একো কাম কৰা নাই। জনসাধাৰণে ভোট দি আমাক নিৰ্বাচিত কৰিছে। মই আগতে কেতিয়াও ৰাজনীতি কৰা নাছিলো কিন্তু ৰাইজৰ স্বাৰ্থত মই এজন প্ৰতিনিধি হিচাপে থিয় হৈছো আৰু ৰাইজে বিচাৰে যাতে তেওঁলোকৰ অসুবিধা সমূহৰ বিষয়ে মই মাত মাতো। এটা কথা মই বৰ দুখেৰে ক'ব বিচাৰিছো যে যোৱা বছৰ বানপানীৰ সময়ছোৱাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া হাইলাকান্দিলৈ গৈছিল আৰু তাত উপায়ুক্ত মহোদয়ক কৈ আহিছিল যে বিধায়কসকলক লগত লৈ ছিঙা মথাউৰিবোৰ fill up কৰিব লাগে। সেইটো SDRF & NREGA ৰ ফালৰ পৰাই হওঁক বা Water Resource ৰ ফালৰ পৰাই হওঁক, কামখিনি কৰিব লাগে। Water Resource য়ে SDRF ৰ জৰিয়তে যিখিনি কাম কৰিব লাগে সেইখিনি কৰি আছে। আমাৰ দুখন জিলাত ১৩ টা মথাউৰি ছিঙি আছে। এই মথাউৰিৰ কামখিনি যদি অতি শীঘ্ৰে কৰা নহয়, তেন্তে আগন্তুক বাৰিষা কালত হাইলাকান্দি অঞ্চলে আকৌ বানপানীৰ সন্মুখীন হ'বলগীয়া হ'ব। কিন্তু, অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই C.E.O. গৰাকীক এই কামখিনিৰ দায়িত্ব দিয়াৰ পিছতো তেওঁ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথা শুনা নাই। সেয়েহে, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে erosion ৰ যিখিনি সমস্যা আছে, সেইখিনি যাতে এপ্ৰিল মাহৰ আগত সমাধান কৰে, যাতে হাইলাকান্দি অঞ্চলে ভয়াবহ বানপানীৰ পৰা পৰিত্ৰাণ পাব পাৰে। কিন্তু অফিচাৰ সকলে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথা শুনা নাই। গতিকে মই মাননীয় পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আকৌ আগৰ কথাটোলৈ নাযাব। কাৰণ flood control ৰ কথাটো গুৰুত্বপূৰ্ণ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মই সেই কথাটোলৈ যোৱা নাই ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যে ক'লে কেইটামান ছিগা বন্ধ কৰিলে আৰু কেইটামান থাকি গ'ল। থকাকেইটাৰ নাম list খনত আছেনে নাই? যদি আছে নাম কেইটা মাতি দিয়ক। যাতে মন্ত্ৰীয়ে সেই কথাটো চাব পাৰে। যদি নাই আপুনি list এখন বনাই মন্ত্ৰী ডাঙৰীয়াক দি দিব।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** কুছিলাঘাট, ৰাংকাই-লাংকাই, ৰতনপূৰ , মনপূৰ, নালুৱাক ইত্যাদি। মুঠতে তিনিটা হ'ল ১৩ টা বাকী আছে। SDRF য়ে যদি সোনকালে নোৱাৰে NREGA ৰ যোগেদিও যেনেদৰে জাগীৰোড, মৰিগাঁওত কাম কৰিছে আমাৰ তাতো NREGA ৰ যোগেদি কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ আহিছিলে। কিন্তু আজি ৬ মাহ হৈ গ'ল, CEO ই এই কামটো কৰা নাই। এইটো মোৰ আবেদন থাকিল। অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম PMAY ৰ ঘৰৰ যিবোৰ problem হৈ আছে Urban Development

ত,সেই সমূহ যাতে সোনকালে সমাধান কৰে। টাউনত মুঠ ২৫ হাজাৰ মানুহৰ ঘৰ ভাঙিছিল। তেওঁলোকে প্ৰথম আৰু দ্বিতীয় কিস্তিটো পাইছে। বাকী টকাখিনি পোৱা নাই। গাওঁ অঞ্চলতো ৪০ হাজাৰৰ ভিতৰত ১৪ হাজাৰে পাইছে। গতিকে এইখিনিৰ ওপৰত ভিত্তি কৰি চৰকাৰে CEO জনৰ ওপৰত কি action লয়, সেইটো আমাক লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মৃনাল কুমাৰ শইকীয়া।

**শ্ৰী মৃনাল কুমাৰ শইকীয়া (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Member's Hour ত মোক মোৰ সমষ্টিৰ বিষয়ে ক'বলৈ দিয়াৰ বাবে ধন্যবাদ। মই মূলতে তিনিটা বিষয়ৰ ওপৰত ক'ব বিচাৰিছো। খোৱাপানী, ৰাস্তা-ঘাট আৰু অব্যৱহৃত জলাশয়।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আমাৰ মাননীয় বিভাগীয় মন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে, মোৰ সমষ্টিত বহু দিনৰে পৰা বন্ধ হৈ থকা এটা Mega Water Supply Scheme আছিল। মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত তাৰ কাম পুণৰ আৰম্ভ হৈছে। এই আচঁনিখন সম্পূৰ্ণ হ'লে কেইবাখনো গাঁৱত খোৱাপানী সুচল হ'ব। তথাপিও মোৰ সমষ্টিত খোৱাপানীৰ অভাৱ যথেষ্ট বেছি। আপোনাৰ নিশ্চয় মনত আছে যোৱা বিধান সভাত মই এটা গেলা পানীৰ বটল এটা প্ৰদৰ্শন কৰিছিলো। মই যেতিয়া নিৰ্ব্বাচনী প্ৰচাৰত গৈছিলো, ৰাইজে মোৰ হাতত সেইটো অৰ্পণ কৰিছিল। এই গেলাপানী বহুত বেমাৰৰ কাৰক হ'ব পাৰে। খোৱাপানীৰ সমস্যাটো মই আগৰ পৰাই চিন্তা কৰো। আমাৰ দেশ স্বাধীন হোৱা ৭০ বছৰ হ'ল। বহু বস্তু আজি আমি সকলোৰে পোৱাটো নিশ্চিত কৰিলো। যেনেদৰে সকলোৰে বাবে বিজুলী বাতি, খাদ্য, শিক্ষা আদি আচঁনি ললো কিন্তু এনেকুৱা এটা আচঁনি নাই যে 'সকলোৰে বাবে খোৱাপানী।' কিন্তু এই খোৱাপানীটোকে মই সকলোতকৈ গুৰুত্বপূৰ্ণ বুলি ভাৱো। এষাৰ কথা আছে, "পানীয়ে প্ৰানীৰ প্ৰাণ।" আমি শুই উঠিয়েই প্ৰথমে খোৱাপানী এগিলাচৰ কথা চিন্তা কৰো। সেইকাৰণে মই ভাৱো আমাৰ চৰকাৰে এনেকুৱা এটা আচঁনি হাতত ল'ব লাগে, যিটোৰ দ্বাৰা সকলোৱে খোৱাপানী পাব। এইটো নিশ্চিতকৰণ কৰিব লাগে। এতিয়াও আমাৰ এনেকুৱা কিছুমান অঞ্চল আছে য'ৰ মানুহে এঘন্টা ধৰি খোজকাঢ়ি গৈ খোৱাপানী কঢ়িয়াব লাগে। খোৱাপানীৰ কাৰণেই বেমাৰ আজাৰ বেছিকৈ সৃষ্টি হয় আৰু সেই বেমাৰৰ treatment কৰিবলৈ আকৌ আমাৰ চৰকাৰৰ তৰফৰ পৰাই পইচা বেছিকৈ খৰচ হয়। গতিকে যদি আমি বিশুদ্ধ খোৱাপানী সকলোকে যোগান ধৰিব পাৰো তেতিয়া চৰকাৰৰ টকা ৰাহিহে হ'ব। খোৱাপানীৰ সমস্যাটো সমাধান কৰিব পাৰিলে মই ভাৱো স্বাস্থ্যৰ ক্ষেত্ৰতো ই এক ইতিবাচক প্ৰভাৱ পেলাব। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই খোৱাপানী মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম মোৰ সমষ্টিত যাতে এশটা খোৱাপানী যোগান আচঁনি তেওঁ আবন্টন দিয়ে।

( Shri Mazendra Narzary on the chair)

আমাৰ আন এটা সমস্যা হৈছে ৰাস্তা-ঘাট। আজি আন্তঃগাঁথনি নহলে কোনো এটা জাতিৰ, কোনো এটা অঞ্চলৰ বা কোনো এখন ৰাজ্যৰ উন্নতি হ'ব নোৱাৰে। যোৱাবাৰৰ আগৰ বিধান সভাত মোৰ এটা প্ৰশ্নৰ উত্তৰত পাইছিলো যে যোৱাটো চৰকাৰৰ দিনত ৫ বছৰত গোলাঘাট সমষ্টিত প্ৰায় ৩৩০ কোটি টকা আবন্টন হৈছিল ৰাস্তা-ঘাটৰ নামত আৰু খুমটাই সমষ্টিত আবন্টিত হৈছিল মাত্ৰ ৩৫ কোটি টকা। ইমান এটা ডাঙৰ discrimination.গোলাঘাট আৰু খুমটাই সমষ্টিৰ মাজত আন্তঃগাথনিৰ মাজত কিমান এটা ডাঙৰ পাৰ্থক্য তাৰ পৰাই গম পোৱা যায়। আমাৰ এনেকুৱা কিছুমান অঞ্চল আছে যিবিলাকৰ ছাত্ৰ-ছাত্ৰীয়ে বাৰিষাৰ দিনত স্কুললৈ যোৱাটোয়েই এৰি দিয়ে

ৰাস্তা-ঘাটৰ শোচনীয় অৱস্থাৰ কাৰণে। তেওঁলোকৰ পিতৃ-মাতৃয়ে টাউনত গৈ ভাৰাঘৰত থাকিবলগা হয় মাত্ৰ শিক্ষাৰ কাৰণে। মোৰ সমষ্টিত যি ৰাস্তা-ঘাট হৈছে এইখন চৰকাৰৰ দিনতহে হৈছে। এতিয়া বহু নতুন ৰাস্তাৰ কাম আমাৰ তাত আৰম্ভ কৰিছে। কিন্তু অধ্যক্ষ মহোদয়, আজি এটা কথা মই আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, ৰাস্তা-ঘাট বনোৱাৰ ক্ষেত্ৰত আমাৰ Raw Meterial বোৰ Forest Department ৰ পৰা আহে। কিন্তু তেখেত সকলৰ লগত PWD Department ৰ কোনো Coordination নাই। মাজতে এনেকুৱা ধৰণৰ পৰিস্থিতি হৈছিল গোটেই গোলাঘাট জিলাত কাম কৰি থকা ঠিকাদাৰ সকলে কাম কৰা বন্ধ কৰি দিছিল। তেওঁলোকে PWD Department লৈও লিখিছিল, DC ক কাগজ দিছিল, মোকো এটা কপি দিছিল। তেওঁলোকে লিখিছিলে যে Forest Department ৰ পৰা তেওঁলোক যথেষ্ট অত্যাচাৰিত হৈছিল আৰু এই Department ৰ লগত তেওঁলোকে আৰু কাম কৰিব নোৱাৰে। মই এটা কথা জানো যে, কাম কৰোতে ঠিকাদাৰ সকলে Royalty টো গুৰিতে Pay কৰে। Pay কৰাৰ পাছতো তেওঁলোকে চোৰৰ দৰে বস্তু কঢ়িয়াব লাগে। সেইকাৰণে তেওঁলোকে কৈছে যে, আমি এটা ন্যায় সঙ্গত ব্যৱসায় কৰিছো। তাৰ পিছতো আমি কিয় চোৰৰ দৰে কাম কৰিব লাগে। ইয়াৰ উপৰিও ৰাস্তাত Un official Royalty Pay কৰিবলগীয়া হয়। সেইকাৰণে কামত স্থবিৰতা আহি পৰে। আজি এজন বিধায়কে কৈছে যে, কামবিলাক ঠিকমতে অগ্ৰসৰ হোৱা নাই। গতিকে Forest Department ৰ বিষয়া কৰ্মচাৰী সকলৰ ইয়াত যথেষ্ট অৰিহণা আছে। আজি অসমৰ যিগৰাকী Forest Minister তেওঁ আগতে PWD Minister আছিলে। তেখেতে যেতিয়া ৰাজহুৱা ভাৱে অভিযোগ কৰিছিল যে বন বিভাগে আমাক Raw materials দিয়া নাই সেই কাৰণে আমি কাম কৰিব পৰা নাই। কিন্তু সেই একেজন মাননীয় মন্ত্ৰীয়েই আৰু সেই সময়ত কিন্তু মই যেতিয়া আমাৰ বৰ্তমানৰ মাননীয় বন মন্ত্ৰী PWD মন্ত্ৰী আছিল। তেতিয়া কিন্তু মোক ঠিকাদাৰ সকলে মোৰ সমষ্টিত এই সমস্যাটো পোৱা নাছিলো। বন বিষয়া সকলৰ বাবে ঠিকাদাৰে কাম কৰিবলৈ অসুবিধা পাইছে। সেই একেজন মন্ত্ৰীয়েই যেতিয়া আকৌ এতিয়া বন মন্ত্ৰী হ'লহি। তেখেতে এই সমস্যাটো কিয় বুজি পোৱা নাই মই ভাবি পোৱা নাই। তেখেতে PWD মন্ত্ৰী থাকোতে তেখেতেই এটা অভিযোগ কৰিছিল যে ফৰেষ্টে Raw materials যোগান ধৰিব পৰা নাই। আজি পুঁজিও বেছি হৈছে সকলো সমষ্টিতে। এটা ভাল ভাল পুঁজি ৰাষ্টা-ঘাট নিৰ্মানৰ কাৰণে দিছে। কিন্তু এই সমস্যাটো, মই বহুটো বিধায়কৰ মুখত শুনিছো, এই সমস্যাটো আছে। মই সেই কাৰণে অনুৰোধ কৰিম যে আমাৰ মাননীয় বন বিভাগে যাতে এই উন্নয়ন মূলক কাম হৈছে, সেই উন্নয়ন মূলক কাম কৰাত ফৰেষ্টৰ পৰা যেতিয়া ন্যায় সংগত ভাৱে Raw materials বিলাক আনে, তেতিয়া যাতে সহযোগ হে কৰে, বাধাৰ সৃষ্টি নকৰে। উন্নয়ন লাগিবই। কাৰণ যেতিয়া ক'ৰবাত এটা ৰাষ্টাত গাত হৈ থাকে, তাতে ৰাইজে মাছ পেলাই দিয়ে ধৰ্না দিয়ে, media ই দেখাই যে এইখন চৰকাৰৰ দিনত উন্নয়ন হোৱা নাই, ৰাষ্টা-ঘাটৰ অৱস্থা এনেকুৱাই আছে। সেই কাৰণে আমাৰ সমাজখন আগবঢ়াই নিবলৈ আমাৰ অসমৰ আন্তঃগাঠনি উন্নত কৰিবৰ কাৰণে আমাৰ উন্নয়ন লাগিব আৰু উন্নয়নৰ বাবে আমাক Raw materials লাগিব। Raw materials নহলে আমাৰ আন্তঃগাঠনি কেতিয়াও উন্নত নহয়। আৰু সেই Raw materials খিনি যোগান ধৰিবৰ কাৰণে আমাৰ বন বিভাগে পূৰ্ণ সহযোগীতা গড়কাপ্তানি বিভাগৰ লগত কৰিব লাগিব। আমাৰ সমষ্টিত, মোৰ সমষ্টি আৰু বোকাখাট সমষ্টিৰ যিটো যোগাযোগৰ বাবে ধন ৰাশিৰ ওপৰত দলং আছে, সেই দলংখন ৯ কোটি টকাৰে দলংখন নিৰ্মাণ কৰি আছিল। কিন্তু নিৰ্মাণ কৰি থাকোটেই গড়াখহনীয়াৰ সৃষ্টি হ'ল এচোৱা মাটি

গড়াখহনীয়াই লৈ যোৱাৰ কাৰণে দলংখন অসম্পূৰ্ণ হৈ ৰ'ল। দলংখন ওলমি গ'ল। তাৰ পাছত চিন্তা কৰা হ'ল, গড়াখহনীয়া হৈ থাকিব দলং বনাই থাকিব, ই কেতিয়াও সম্পূৰ্ণ নহ'ব। তাৰ পাছত আমি Water Resourch Department, তেখেত সকলৰ লগত আলোচনা কৰি কোৱা হ'ল যে প্ৰথমতে সেই গড়াখহনীয়াটো ৰোধ কৰিব লাগিব, তাৰ পাছত দলংৰ যি চোৱা বাকী থাকিল, সেইখিনি বনাব লাগিব। সেই ৯ কোটি টকাৰে দলংখন নিৰ্মাণ কৰা হৈছিল। এতিয়া যিহেতু দলংখনৰ length টো বৃদ্ধি কৰিব লাগিব। লগতে যি গড়াখহনীয়া ৰোধৰ কাৰণে যি ব্যৱস্থা সেই দুয়োটা মিলি পেলাই আমাৰ ৯ কোটি টকাৰ এখন বাজেট ধাৰ্য্য কৰা হৈছে। কিন্তু সেই ৯ কোটি টকাৰ sanction টো এতিয়াও হোৱা নাই। সেই কাৰণে আপোনাৰ যোগেদি মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব খুজিম, বিশেষকৈ গড়কাপ্তানি বিভাগৰ যে সেই ৯ কোটি টকাৰ পুজিঁটো মোকলাই দি থকা দলংখন সম্পূৰ্ণ হৈ কৰি ৰাইজৰ যাতায়ত কৰাৰ ব্যৱস্থা কৰি দিয়ে। আৰু এই দলংখনে আমাৰ দুয়োটা সমষ্টি বোকাখাত খুমটাই এই দুয়োটা সমষ্টিৰ উন্নয়নত বিপুল সহাৰি জনাব। আমাৰ সমষ্টিৰ বহু লোক নুমলীগড় ৰিফাইনেৰীত কৰ্মৰত অৱস্থাত থাকে। তেওঁলোকে এতিয়া প্ৰায় ২৫ কিঃ মিঃ ঘূৰি নুমলীগড় ৰিফাইনেৰীলৈ আহিব লাগে। এই দলংখন যদি হৈ যায়, তেন্তে মাত্ৰ ৫-৬ কিঃ মিঃ হে তেওঁলোকে আহিব লাগিব নুমলীগড় ৰিফাইনেৰীলৈ। সেই কাৰণে মই আপোনাৰ যোগেদি অনুৰোধ কৰিব বিচাৰিম যাতে এই দলংখনৰ কাম অতি সোনকালে পুজিঁটো মোকলাই দি এই দলংখনৰ কাম সম্পূৰ্ণ কৰা হয়। আৰু মাননীয় সভাপতি মহোদয়, আপুনি জানে যে আমাৰ গোলাঘাট জিলাৰ লগত যোৰহাট জিলা লাগি আছে। আৰু যোৰহাট এখন চিটি। গোলাঘাটৰ বহুলোক যোৰহাটলৈ অহা যোৱা কৰে। এতিয়া গোলাঘাটৰ পৰা যদি কোনোৱা যোৰহাটলৈ যায়, তেতিয়া দেৰগাওঁহৈ যাব লাগে। প্ৰায় দেৰঘণ্টা সময় লয়। কিন্তু আমাৰ এনেকুৱা এটা পথ আছিল এটা সময়ত বাছ চলিছিল। আমাৰ নাহৰণিৰ মাজেদি কাকদোঙা দলং পাৰহৈ যোৰহাট চহৰলৈ যায়, আধা দূৰত্ব কমি যায়, যদি সেই ৰাস্তটো সূচ ল হয়। এতিয়া সেই ৰাস্তাটোৰ অৱস্থা একেবাৰেই বেয়া। সেই কাৰণে মই আশা কৰিম যে আমাৰ দৰিয়া বাগানৰ পৰা গৈ কাকদোঙা নদী পাৰ হৈ আমাৰ 37 No National Highway ত ওলাইছিল সেই ৰাষ্টাটো। সেই ৰাষ্টাটো এতিয়া অসম মালাত ধৰি বহলি কৰণ কৰি StateHighway ৰ মৰ্যদা দি আমাৰ গোলাঘাট আৰু যোৰহাটক, অকল গোলাঘাট আৰু যোৰহাট বুলি কলে ভুল হ'ব, তেতিয়া আমাৰ বাকী উজনীৰ ডিব্ৰুগড় মেডিকেল কলেজলৈও আমাৰ বহু দূৰত্ব কমি যাব। মই বিচাৰিম যে মাননীয় সভাপতি মহোদয়, মই কৈছোৰেই যে আমাৰ তাত ৰাস্তা-ঘাটৰ অৱস্থা অতিকৈ বেয়া ৰাস্তা-ঘাটৰ উন্নয়ণ ন'হলে এটা সমাজৰ উন্নতি সাধন কৰিবলৈ অসম্ভৱ। আজি সকলো ছাত্ৰ-ছাত্ৰীয়েই এটা ভাল ৰাষ্টাৰে গৈ পঢ়াশুনা কৰিব খোজে। মোৰ সমষ্টিত খেতিয়ক বহুত। খেতিৰ যিখিনি উৎপাদন, সেইখিনি বজাৰলৈ লৈ যাবৰ কাৰণেও ভাল ৰাষ্টা লাগে। সেই কাৰণে মই চৰকাৰ অনুৰোধ কৰিম, যাতে তেওঁলোকে খুমটাই সমষ্টিৰ বাবে কেৱল ৰাষ্টাঘাট নিৰ্মাণৰ বাবে ২০০ কোটিৰ পেকেজ দিয়ে আৰু মোৰ সমষ্টিত যি যাতায়তৰ সমস্যা, সেই সমস্যা চিৰদিনলৈ দূৰ হয়। মাননীয় সভাপতি মহোদয়, মই তৃতীয় এটা বিষয়ত ক'ব বিচাৰিছিলো। অব্যৱহৃত জলাশয়। জলাশয় য'ত আছে খেতি কৰিব পাৰি। সকলোৱে অৱগত যে অসমৰ মাছৰ চাহিদা পুৰণ কৰিবৰ বাবে আমি অসমৰ বাহিৰৰ পৰা মাছ আনিব লগীয়া হয়। আৰু সেই মাছো স্বাস্থ্যক ৰ মাছ নহয়। আমি কাগজে পত্ৰই পাওঁ যে কিবা এটা কেমিকেল ভৰাই তাক সজীৱ কৰি ৰখা হয় আৰু সেই মাছ আমি যদি সেৱন কৰো তেতিয়া আমাৰ বহুতো side effect আছে, মাজে মাজে বন্ধ কৰি দিয়াও শুনো, যে মাছৰ আমদানি বন্ধ কৰি দিছিল। কিন্তু ভাবি আচৰিত হওঁ যে আমাৰ বহুত জলাশয়

আছে, অকল মোৰ সমষ্টিতে নহয়, সকলোতেই আমি জলাশয় ৰাষ্টাই-ঘাটে গৈ থাকোতে আমি দেখো। কিন্তু তাত আমি বৈজ্ঞানিক ভিত্তিত মাছৰ খেতি কৰিব পৰা নাই। কিন্তু জলাশয় বিলাকৰ এটা প্ৰধান সমস্যা মই দেখো যে এই বিলাক মেটেকাৰে পোত খাই থাকে। মোৰ সমষ্টিত দুটা জলাশয় আছে ডাঙৰ, আৰু সৰু -সুৰা বহুত আছে। শংকৰ বিল বুলি কয়, আৰু এটা শাওঁতলি বিল বুলি কয়। তাত যদি আমি বৈজ্ঞানিকভাৱে মাছৰ খেতি কৰো, তেতিয়া গোলাঘাট জিলাটো বাদেই, গোলাঘাট জিলাক বাদ দিওঁ আমি মাছৰ suply বাহিৰৰ জিলালৈ আমি দিব পাৰিম। আমি ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছৰ এটা আঁচনি লৈছিল মাননীয় মন্ত্ৰী মহোদয়ে , আৰু বহু পুখুৰী এতিয়া খান্দিবলৈ আৰম্ভ কৰিছে। কিন্তু তাতো দেখা যায় আজি ভাগ্য ভাল যে আমাৰ মাননীয় মীন মন্ত্ৰী, তেখেত বনমন্ত্ৰীও, মোৰ ওচৰলৈ এদিন এটা অভিযোগ আহিল, মই ইয়াত থাকোতেই ফোন আহিল যে মোৰ ৰেভিনিউ মাটিত মই পুখুৰী খান্দিবলৈ লৈছিলো, চৰকাৰে পইচা দিয়া আৰু পুখুৰী খান্দিবলৈ আৰম্ভ কৰোতেই ফৰেষ্টৰ মানুহ পাই গ'লহি। মানুহজন অলপ দুৰ্বল। দুৰ্বল দেখিলে মানুহে অলপ হেচা মাৰি ধৰে। দুখীয়া প্ৰকৃতিৰ লোক। তেওঁক ফৰেষ্টৰ মানুহে কৈছে যে আমাৰ permission নোলোৱাকে কেনেকৈ পুখুৰী খান্দিছে? তেওঁ কলে যে ৰেভিনিউৰ মাটি মোৰ, নিজৰ মাটি। হ'লেও খান্দিব নোৱাৰো। তেতিয়া তেওঁ কলে যে মই permission ল'ব নোৱাৰো পাছদিনা আকৌ ফোন কৰিছে District forest office ৰ পৰা ফৰেষ্ট অফিচলৈ যাব লাগে তেখেত। মই তেখেতক মানা কৰিলো যে নাজাবি। আকৌ কেছ লগাই বিপদ লগাই দিব পাৰে। এতিয়া এহাতে আমি চৰকাৰে পইচা দিছো পুখুৰী খান্দিবলৈ আৰু আনফালে আকৌ চৰকাৰৰ মানুহ গৈ পেলাই বাধা দিছে। এই বিলাক কিছুমান আসোৱাহ দূৰ কৰিব লাগে। দুখীয়া মানুহৰ এই বিলাকৰ বহুত কষ্ট হয়। দুখীয়া মানুহে গৈ পেলাই জিলাৰ forest Office ত গৈ পেলাই কেতিয়াও permission আনি নিজৰ ৰেভিনিউ মাটিখিনিত কেতিয়াও পুখুৰী নাখান্দে, লাগিলেই পুখুৰীকেই বাদ দিব। ঠিক আছে, মই মূল কথাটোলৈ আহো, যে মেটেকা আৰু আমাৰ জলাশয়। এটা কথা যে মেটেকাৰ পৰা আমাৰ জৈৱিক সাৰ উৎপন্ন হয়। যাৰ যাৰ সৰু সৰু বাগান আছে, তেওঁলোকে জানে যে কোৰোবাৰ পৰা মেটেকা তুলি আনি যেতিয়া বাগান বিলাক ৰুৱে বা কলম কটাৰ পিছত সেই মেটেকাবিলাকে ই এটা ভাল সাৰৰ কাম কৰে। এই যিবিলাক জলাশয়, মেটেকাৰে ভৰি আছে গোটেই অসমত মোৰ সমষ্টিৰ লগতে সেই মেটেকা য'ত বহুত পৰিমাণে পোৱা যায়, তাত যদি আমি সৰু সৰু কিছুমান উদ্যোগ খুলি দিওঁ সাৰ কাৰখানা সৰু সৰু মেনুৰেলো হ'ব পাৰে। তেতিয়া আমাৰ দুটা কামত আহিব যে, মেটেকাৰ পৰা , সাৰৰ ফালৰ পৰা আমি অসমখন স্বাৱলম্বীতা আহিব পাৰে, আমি স্বাৱলম্বী হ'ব পাৰিম। দ্বিতীয়তে, বহু Unemployed Youth তাত জড়িত হ'ব, নিজে নিজে তেনেকুৱা সৰু সৰু যদি Cottage Industry খুলিব পাৰো আৰু লগতে আমাৰ যিবিলাক জলাশয় আছে, সেইবিলাকো মুক্ত হৈ উঠিব। বছৰি বছৰি মেটেকাৰ সৃষ্টি হ'ব, Industry চলি থাকিব আৰু বছৰি বছৰি মাছ জীয়াই আমি সেই মাছেদি , স্বাস্থ্যকৰ মাছ জনসাধাৰণক খুৱাব পাৰিম, আমাৰ মাছৰ চাহিদা যিটো, সেইটো দূৰ হ'ব। তৃতীয়তে, বৃহৎ বৃহৎ জলাশয়, মোৰ যিকেইটা জলাশয় ক'লো, সুন্দৰ সুন্দৰ ঠাইত আছে, তাত পৰ্যটনৰ কাৰণেও, পৰ্যটন ক্ষেত্ৰ এখন হ'ব। যেনে জলপৰ্য্যটনক্ষেত্ৰ এখন এখন সৃষ্টি কৰিব পৰা যাব, Water Tourism. যদি এই জলাশয় বিলাকক মোৰ সমষ্টিৰ লগতে সকলোতে যদি এই জলাশয় বিলাকক উন্নত মানদণ্ড কৰি সেই মেটেকাৰে যদি সাৰৰ ব্যৱস্থাও কৰিব পাৰো, তেন্তে মই ভাৱো যে, আমাৰ গোটেই অসমৰ কাৰণে এটা ইতিবাচক দিশ হ'ব, উন্নয়নৰ ক্ষেত্ৰত আৰু মই চৰকাৰক অনুৰোধ কৰিম, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে

যাতে মই দুটা জলাশয়ৰ নাম ক'লো এটা শংকৰ বিল, আৰু এটা সাউতলী বিলপাৰ। তাত যাতে দুটা মেটেকাৰ উদ্যোগ স্থাপন হয়। স্থাপন হোৱাৰ পাছত সেই পানীখিনি যাতে ব্যৱহাৰ কৰি মাছৰ উৎপাদন কৰিব পাৰো লগে লগে Tourism Department য়ে তাত পৰ্যটনৰ ব্যৱস্থাও কৰিব পাৰে, আজিকালি মানুহক দেখা যায় যে, সকলোকে এটা refreshment বিচাৰে, নিজৰ ঘৰৰ পৰা আঁতৰি, চহৰখনৰ পৰা আঁতৰি, নিজৰ পৰিয়াল-বৰ্গক লৈ এটা দিনৰ এটা বিৰল মূহুৰ্ত বিচাৰে আৰু এই Water Tourism টো আমাৰ অসমত ইমান নদী আছে যদিও, ইমান পানী আছে যদিও Water Tourism ৰ ক্ষেত্ৰত আমি কিন্তু ইমান আগবাঢ়িব পৰা নাই। এই তিনিটা বিষয়বস্তু যদি আমি একেলগে লওঁ, ইফালে Water Tourism, মাছ আৰু Cottage Industry তেতিয়া মই ভাৱো যে আমাৰ অসমখন ৰ কাৰণে অতি এটা নতুন দিগন্তৰ সৃষ্টি হ'ব আৰু পুনৰ এবাৰ মই আজি Member's Hour ত মোক ক'বলৈ দিয়াৰ বা ৰে, সমষ্টিৰ এইখিনি কথা মোক এই পবিত্ৰ সদনত ক'ব পাৰিলো। এই সময়টো দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, সভাপতি ঃ** এতিয়া সন্মানীয় বিধায়ক শ্ৰীআবুল কালাম ৰচিদ আলম। PWD, Forest আৰু Water Resource ৰ সম্পৰ্কে তেখেতে বক্তব্য ৰাখিব।

**শ্ৰীআবুল কালাম ৰচিদ আলম, পূৰ গোৱালপাৰা ঃ** মাননীয় সভাপতি মহোদয়, মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো, যে আমাক এই সদস্যৰ সময়, আমাৰ নতুন বিধায়ক সকলক দিলে তাৰ কাৰণে মই তিনিটা বিভাগৰ কথা অৱগত কৰাম। PWD, Forest আৰু Water Resource. অৱশ্যে মাননীয় মন্ত্ৰী সকল সদনত উপস্থিত থাকিলে বেছি ভাল লাগিলহেঁতেন । যিয়ে নহওঁক মাননীয় সভাপতি মহোদয়, মই গড়কাপ্তানীৰ বিষয়ে আগতে আৰম্ভ কৰিম। আমাৰ গাওঁ সমূহত, এতিয়াওবহুত ৰাস্তা আছে, এতিয়ালৈ গড়কাপ্তানী বিভাগত ল'ব পৰা নাই। অতি সোনকালে সেইবিলাক ল'ব লাগে আৰু বিধায়ক হৈ অহাৰ পাছত সদনত আমি গম পাইছিলো যে আমাৰ সমষ্টি বিলাকত থকা SPD Bridge, কাঠৰ দলং, সকলো আৰ.চি চি হৈ যাব। কিন্তু তিনি বছৰ পাৰ হবলৈ হ'ল, মই এখনো আৰ.চি.চি ব্ৰীজৰ আধাৰশিলা স্থাপন কৰিবপাৰিছো ? বহুত আছে। কিন্তু কেতিয়াকৈ কৰিব, এই চৰকাৰৰ দিনত হ'ব নে নাই অলপ সন্দেহ আছে। গতিকে মই অনুৰোধ কৰিম, সেইসমূহ কাঠৰ দলং অতি সোনকালে আৰ চি চি লৈ পৰিৱৰ্তন কৰিব লাগে। আৰু লগতে গাওঁৰ যিসমূহ ৰাষ্টা,সেই ৰাষ্টা ঘাটত এতিয়াও বহুত বাহৰ দলং মোৰ সমষ্টিত আছে, কিজানি মোৰ সমষ্টিতে নহয়, অসমৰ প্ৰায় সকলো ঠাইতে আছে। ইমান বিপদজনক, বিশেষকৈ বাৰিষাৰ দিনতহয় সেই বাহৰ দলংবিলাক। হয় অতি সোনকালে কাঠৰ দলংৰ ব্যৱস্থা কৰিব লাগে আৰু নহ'লে আৰ চি চি লৈ সেইবিলাক পৰিৱৰ্তন কৰিব লাগে। গতিকে চৰকাৰে আৰু বিভাগে বিশেষককৈ মাননীয় মন্ত্ৰী মহোদয়ে অতি গুৰুত্ব সহকাৰে এইটো লব বুলি মোৰ আশ থাকিল। বিভিন্ন সময়ত দেখা যায় স্কুলীয়া ছাত্ৰ-ছাত্ৰী, বৃদ্ধ মানুহবিলাক সাধাৰণতে সেইবিলাক বাহৰ দলংত দুৰ্ঘটনা হৈ মৃত্যুৰ মুখত পৰা দেখা যায়। এনেকুৱা মোৰ সমষ্টিত কেইবাটাও দুৰ্ঘটনা হৈছে। সভাপতি মহোদয়, আমাৰ যিবিলাক গাওঁৰ ৰাস্তা থাকে, লগতে যিখিনি গড়কাপ্তানি বিভাগত থাকে। গাওঁৰ যিবিলাক বজাৰ থাকে, হাট থাকে, যেতিয়া সেই বজাৰৰ মাজেদি ৰাস্তাটো যায়, গোটেই ৰাস্তা ঠিকেই থাকে, কিন্তু এই বজাৰৰ খিনিহে বেয়া হয়। কাৰণ তাতে আচলতে বজাৰৰ ড্ৰেইন নাথাকে। যধে-মধে দোকানবিলাক কৰে, গড়কাপ্তানিয়ে Side pump দিয়াৰ পিছতে ড্ৰেইন দিব লাগে, কিন্তু দেখা যায় সেই ড্ৰেইন নিদিয়াৰ কাৰণে সেই বজাৰখিনি খালত পৰিণত হয়, ৰাস্তা হৈ নাথাকে। গতিকে সেইখিনি কাম অতি

সোনকালে কৰিব আৰু গুৰুত্ব সহকাৰে ল'ব বুলি মোৰ আশা থাকিল।

সভাপতি মহোদয়, গোৱালপাৰা জিলাৰ মোৰ সমষ্টিত এটা ৰাস্তা আছে, SS 46 কাম চলি আছে। দুধনৈৰ পৰা গোৱালপাৰা টাউন হৈ পঞ্চৰত্ন link road লৈকে উঠিছে।। গোৱালপাৰা জিলাত বৰ্তমান বিচ্ছিন্ন বুলিও ক'ব পাৰি। আপোনালোক সকলোৰে জ্ঞাত 37 National Highway যিটো সেই ব্ৰিজখন বেয়া হৈ আছে, আৰু এটা ৰাস্তা আছে দুধনৈৰ পৰা সোমাই গৈ গোৱালপাৰাত যাব পাৰি, সেই দুয়োটা ৰাস্তা । স্থায়ী ব্ৰিজখন বেয়া হৈ আছে, সকলোৰে জ্ঞাত, এইটো ৰাস্তাৰো কাম এতিয়ালৈ শেষ হোৱা নাই। বহুত বছৰ হ'ল কাম আৰম্ভ হৈছে। এজন ঠিকাদাৰ ব্লেকলিষ্টেদ হ'ল। GIL Pithani Group. নতুনকৈ আকৌ চাৰিটা গ্ৰুপ কৰা হ'ল, A, B,C,D. চাৰিজন ঠিকাদাৰক কাম দিয়া হ'ল। এতিয়াও যি গতিত কাম চলি আছে, মাত্ৰ B Group টোৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। A Group টোৰ কাম কেতিয়া হ'ব কোনো নিশ্চয়তা নাই আৰু C Group টোৰ কাম ঠিকাদাৰৰ বেনিফিটৰ কাৰণে হাইকৰ্ট হৈছে। এই SS 46 C Group টো। কেতিয়া মীমাংসা হ'ব কোনো ঠিক নাই। গতিকে চৰকাৰে অতি সোনকালে ব্যৱস্থা কৰিব লাগে কাৰণ ইয়াৰ পুঁজিটো আমি শুনিছো world Bank ত। গতিকে তাৰো এটা সীমা থাকে যদি সেই সীমাটো পাৰ হৈ যায়, আমি খৰচ কৰিব নোৱাৰো টকাটো ঘূৰি যাব বুলিও বহুতে কৈ আছে। C Group গ'ল, শেষত D Group ত গোৱালপাৰা টাউনৰ ট্ৰেঞ্চপোৰ্টৰ পৰা পঞ্চৰত্ন link road লৈ গৈছে। আচৰিত কথা, এইখিনি ৰাস্তা কোনে concept paper তৈয়াৰ কৰিছিলে, কোনে DPR তৈয়াৰ কৰিছিলে, কোনে estimate বনাইছিল, technical person এ বনাইছিলে নে নাই নাজানো, ৰাস্তা বনাই থাকোতে এতিয়া আমাৰ গোৱালপাৰা চহৰখন ডুবি যায়। ইয়াতে highest flood level maintain কৰা হোৱা নাই আৰু সকলোতকৈ ডাঙৰ কথা আগৰ যিটো ৰাস্তা আছিল,যিটো ড্ৰেইন আছিল, ড্ৰেইন টো এৰি ৰাস্তাৰ মাজত নতুনকৈ ড্ৰেইন দি আছে যাৰ ফলত পুৰণা ড্ৰেইনটো ৰাইজে বন্ধ কৰি দিছে, যাৰ যাৰ ঘৰৰ সন্মুখত পৰিছে, সেইটো বাউণ্ডেৰী দি লৈছে। এতিয়া গোৱালপাৰা চহৰৰ পৰা পানী ওলোৱা ৰাস্তা নাই। এতিয়া এজাক পানী পৰিলেই ৩-৪ টা ৱাৰ্ড পানীৰ তলত যায়। এনেকৈ যিটো ৰাস্তা ট্ৰেঞ্চপোৰ্টৰ পৰা যিটো পইণ্টৰ পৰা পঞ্চৰত্ন লৈ যিটো D Group, যিটো ৰাস্তা বনাই আছে, নতুন ৰাস্তাতে পানী জমা হয়। গতিকে মই অনুৰোধ কৰিম যে, এইটো DPR, estimate সলনি কৰি এইটো এটা নতুনকৈestimate বনাই এইটোৰ সু-ব্যৱস্থা কৰিব লাগিব, বিভিন্ন সময়ত ডি চি ঘেৰাও কৰিলে, মোৰ ঘৰ ঘেৰাও কৰিছে , ৰাস্তা ব্লক কৰিছে। এই নতুন ৰাস্তাটো বনাই আৰু আমাৰ গোৱালপাৰা চহৰবাসীৰ কাৰণে বিপদহে কৰিছে. গতিকে এইখিনি মই চৰকাৰক তথা বিভাগীয় বিষয়া সকল, মাননীয় মন্ত্ৰী মহোদয়ক মই অৱগত কৰালো।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল, বিধায়ক ঃ** এতিয়া এই ৰাস্তাটো গোৱালপাৰা চহৰৰ পৰা দুধনৈ লৈ গৈছে আৰু পঞ্চৰত্ন লিংক ৰোড উঠিছে। মই অনুৰোধ কৰিম বিভাগীয় মন্ত্ৰীক এই ৰাস্তাটো SS- 46 শিমলীতোলা, নগৰবেৰা হৈ ছয়গাওলৈ দিব পাৰে নেকি ? অসম মালা বুলি এটা নতুন স্কীম হৈছে, মন্ত্ৰী মহোদয়ে এদিন কৈছে মই অনুৰোধ কৰিম এই SS- 46 টো আমাৰ গোৱালপাৰা চহৰৰ পৰা দুধনৈলৈ দিয়া হৈছে আৰু গোৱালপাৰাৰ পৰা পঞ্চৰত্ন লিংক ৰোড । এই ৰাস্তাটো মই অনুৰোধ কৰিম অসম মালাৰ আঁচনিৰ অধীনত আমি শিমলীতোলা, নগৰবেৰা হৈ ছয়গাওলৈ ৩৭ নং National High way Roadত ল'ব পাৰে নেকি ? আৰু যিটো পঞ্চৰত্ন লিংক ৰোড হৈ গৈছে সেইটো বৰপেটা হৈ লক্ষিমপুৰ হৈ টিঘিৰঘিলাই দি এই SS- 46 ল'ব পাৰে নেকি ? এইটো ল'লে

আমাৰ এই দুখীয়া ৰাইজৰ উপকাৰ হ'ব। National Highwayৰ বাহিৰে আমি আৰু এটা ৰাস্তা পাম সেইটো হৈছে SS- 46 গতিকে মই এইটো " অসম মালা " ৰ অধীনত আমি এই ৰাস্তাটো কৰি দিয়াৰ ব্যৱস্থা কৰিব বুলি মই অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে আমাৰ পঞ্চৰত্নৰ পৰা গুৱাহাটীলৈ যিটো National High way Road 37 কৃষ্ণাই নদীৰ ওপৰত যিটো Bridge আছিল আজি প্ৰায় এক বছৰেই হ'ব Bridge টো ভাঙিছে। তাতে এটা বেলেগ ব্ৰীজ দিয়া হৈছে। তাত সৰ্বোচ্চ ওজন মাত্ৰ ১২ টন। ১২ টনৰ ওপৰত তাতে যাব নোৱাৰে। টোটেলী যোগাযোগ বিছিন্ন হৈছে । মই চৰকাৰক বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাম যদি অতি সোনকালে এইটো কৰিব নোৱাৰে তেনেহ'লে Emergency Subway এটাৰ ব্যৱস্থা কৰি দিব নেকি? যদি চৰকাৰে নোৱাৰে , যদি বিষয়া-কৰ্মচাৰীয়ে নোৱাৰে মই অনুৰোধ কৰিম আমাক দায়িত্ব দিয়ক, পাৱলিকক দিয়ক- পাৱলিক ইন্টাৰেষ্টেড আছে। নিজে পইছা দি ইমাজেন্সি চাব-ৱে টো বনাই ল'ব। আপোনালোকেও হেল্প কৰিব পাৰে যদি পুৰনা কাঠৰ ব্ৰীজ ক'বাত এনেয়ে পৰি আছে আমাক দিয়ক আমি ৰাইজে মিলি বনাই ল'ম। হয় চৰকাৰে বনাই দিয়ক নহ'লে ৰাইজক কওক । দুটাৰ যিকোনো এটা কৰি দিবলৈ চেষ্টা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই আগতে এটা প্ৰশ্ন দিছিলো আমাৰ যিসকল ঠিকাদাৰ থাকে সেইসকলে Tender ৰ সময়ত কিছু technical function দেখুৱাব লাগে Manpower দেখুৱাব লাগে, Mechinery দেখুৱাব লাগে তেতিয়াহে কামৰ allotmentএলটমেন্ট দিয়া হয়। যেতিয়া কাম কৰে practical field আমি তেনেকুৱা কোনো mechineary দেখা নাপাও । ঠিক এনেকুৱা Teachnical Member যিসকলক লৈ এগ্ৰিমেন্ট কৰে undertaken দিয়ে সেই সকল BE কওক JE কওক এজনো Technical person Field ত দেখা নাযায়। গতিকে মই বিভাগীয় বিষয়াসকলক, মন্ত্ৰীসকলক অনুৰোধ জনাম অন্তত এই ক্ষেত্ৰত যাতে চকু দিয়ে। agreement ত যিখিনি written দিয়ে সেইখিনি যেন Field ত দেখুৱাবলৈ বাধ্য থাকে। তেতিয়াহে আমি সময়মতে কামবিলাক সম্পূৰ্ণ কৰিব পাৰিম। পি ডব্লিউ ডি বিভাগত আজি যিমান টকা দিয়া হৈছে তাৰ বাবে পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব। সেই অনুপাতে বিভাগে বিভিন্ন কাম কৰি আছে তাৰ বাবে আমি সচাঁকৈ ধন্যবাদ দিব লাগিব। কিন্তু পি ডব্লিউ ডি বিভাগৰ কামৰ বাবে আজি মেটেৰিয়েলছৰ অভাবে দেখা দিছে। মোৰ সমষ্টিত যদিও মই বিভাগৰ ঠিকাদাৰক আচনিৰ কাম এপ্ৰিলৰ ভিতৰত শেষ কৰিবৰ বাবে কঠোৰ ভাবে নিৰ্দ্দেশ দিছো কিন্তু কামৰ বাবে যিখিনি meterials লাগে- শিল- বালি- মাটি লাগে সেইখিনি কিন্তু আজি ফিল্ডত নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অতি সোনকালে এই অসুবিধা আতৰাবলৈ অনুৰোধ জনাইছো আৰু এটা কথা হ'ল আমাৰ গোৱালপাৰা জিলাত PWD বিভাগৰ Roads আৰু Building দুয়োটাতে executive Engineer নাই বৰ্ত্তমান নাই। তাৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনাইছো। এতিয়া মই বন বিভাগৰ বিষয়ে দুটামান কথা ক'ব বিচাৰিছো। আজি বন বিভাগৰ মন্ত্ৰী এই সদনত উপস্থিত আছে ভাল লাগিছে। এতিয়া কথা হ'ল বন বি ভাগে যদি ভাবে পি ডব্লিউ ডি বি ভাগৰ এটা আঁচনি কৰিব নিদিও- এটা ৰাস্তা ঘাট কৰিব নিদিও বন বিভাগে পাৰিব । যি হওক সভাপতি মহোদয় মোৰ সমষ্টিত কেইটামান শিলৰ কোৱাৰী আছিল সেইবিলাকে ইচ্ছাকৃতভাৱে বন্ধ কৰি ৰাখিছে । ইয়াৰ আগতে tender হৈছিল। সেই টেণ্ডাৰ হোৱাৰ পিছত আকৌ allotment কৰিলে তাৰ পিছত আকৌ বন্ধ কৰি দিলে। ইয়াৰ কাৰণ কি ? এতিয়া ভূটানৰ পৰা মেটেৰিয়েলছবিলাক আনিব লগা হৈছে। গতিকে আজি নিৰ্মান কাৰ্য্যত যিটো মেটেৰিয়েলছৰ অভাৱ হৈছে তাৰ সুব্যৱস্থা কৰিব লাগে। মই বন ও পৰিবেশৰ

বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাইছো অতি সোনকালে কোৱাৰীবিলাক খুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মন্ত্ৰী মহোদয় আগতে পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰী আছিল কি অসুবিধা হৈছে তেখেতে নিশ্চয় বুজি পাব। এতিয়া বালি মহল বিলাকৰ কথা কৈছো। বালি মহল আবন্টণ দিয়াৰ সময়ত এটা এৰিয়া ডিফাইন কৰি দিয়া হয়। কিন্তু এটা বালি মহল লৈ গোটেই নদীটোত বালি কালেকশ্যন কৰে। গতিকে চৰকাৰৰ ৰেভিনিউ লষ্ট হৈছে। যিটো এৰিয়া দিয়া হৈছে তাতে বালি কালেকশ্যনটো সীমাবদ্ধ থাকিব লাগে নহ'লে যদি স্ক'প আছে নতুনকৈ বালি মহল খোলাৰ ব্যৱস্থা কৰিব লাগে। নতুনকৈ টেণ্ডাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া আমাৰ ৰাজহ বঢ়াৰ লগতে বালিটো আমি সহজভাবে পাম। আৰু এটা কথা এটা চালানেৰে কমেও ১৫-২০ খন বালিৰ ট্ৰাকেৰে বালি সৰবৰাহ কৰি আছে। চালানত কোনো তাৰিখ উল্লেখ নাথাকে । বন বিভাগৰ বিষয়া-কৰ্মচাৰীক, ডি এফ ও- ৰেঞ্জাৰ-ফৰেষ্টাৰ ইত্যাদিক মেনেজ কৰি এটা চক্ৰই দুনীতি চলাই গৈছে। বহু দুনীতি হৈ আছে । চৰকাৰৰ বহু টকাৰ ৰাজহ লষ্ট হৈ আছে। আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ইয়াৰ এটা তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। এটা Magistrate enquiry দিলে ধৰা পৰি যাব। সেই চলান হাতত ৰাখে, ফৰেষ্টাৰ, ৰেঞ্জাৰ বিষয়াক মেনেজ কৰি মাহেলী system কৰি এইবিলাক চলাই আছে। যদি Magistrate Enquiry দিয়ে এইটো ধৰা পৰিব। গতিকে মই অনুৰোধ জনাম এই যে ৰাজহ যিটো lost হৈ আছে এটা চালানত ১৫ ৰ পৰা ২০ খন গাড়ী গৈ আছে আৰু যদি দিয়া আছে এটা গাড়ীত 5 CM মাল ল'বলৈ তাতে লৈ আছে 10 CM. এই যে এটা illegal চলি আছে, বালিৰ এটা ছিণ্ডিকেট আছে, সেইটো মোৰ সমষ্টি বুলি নহয়, অসমতে কিজানি আছে, ছয়গাঁৱতো কিজানি আছে। এইবিলাক দেখিলে, Enquiry কৰিলে সেইটো জানিব পাৰিব। গতিকে মই অনুৰোধ জনাম অতি সোনকালে এই বালিৰ যিটো চিণ্ডিকেট চলি আছে, যিটো ৰাজহ কৰ ফাকি দি আছে সেইটো অতি সোনকালে এইটো Enquiry কৰি ইয়াৰ সু-ব্যৱস্থা কৰিব বুলি মোৰ আশা থাকিল। অধ্যক্ষ মহোদয়, মই আৰু বিশেষ সময় নলওঁ, ফৰেষ্ট বিভাগত বিশেষকৈ আমাৰ গোৱালপাৰা জিলা বা কামৰূপ আদি কৰি এই অঞ্চলত নতুনকৈ গা কৰি উঠিছে ৰবৰ খেতি। য'ত নেকি সেইটো আমাৰ স্বাস্থ্যৰ কাৰণে ক্ষতিকাৰক। বিভিন্ন বেমাৰ-আজাৰ ইয়াৰ পৰা আৰম্ভ হোৱা বুলি মানুহে কয়, নাজানো। এইটো যদি Forest Product নহয় গতিকে এই Rubber খেতি বোৰ বন্ধ কৰি বেলেগ কিবা Plantation কৰিব লাগে। মই শুনা পাইছো যে South Indiaত আগতে Rubber খেতি কৰিছিল। এতিয়া সেইবিলাক বন্ধ কৰি দিয়া হ'ল। এতিয়া গা কৰি উঠিছে আমাৰ উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ আমাৰ গোৱালপাৰা জিলাত। অধ্যক্ষ মহোদয়, এনেকুৱা ৰবৰ খেতি, এই ৰবৰ খেতিত পক্ষী এটাও ন'পৰে, ইমান বিসাক্ত। গতিকে অতিসোনকালে এইবিলাক বন্ধ কৰি দি আমাৰ যিখিনি Forest Product আছে সেইবিলাক Plantation কৰিব লাগে। অতি সোনকালে এইটো কৰিব বুলি মোৰ আশা থাকিল। অধ্যক্ষ মহোদয়, মই অলপ সময় লৈ আছো, যেয়ে নহওঁক আৰু এটা বিভাগ আছে সেইটো হ'ল Water Resource. অধ্যক্ষ মহোদয়, মই ৫ মিনিট সময় ল'ম, বেছি নলওঁ।

**মাননীয় অধ্যক্ষ ঃ** তেনেকুৱাতে শেষ কৰিলে ভাল হ'ব।

**শ্ৰী আবুল কালাম ৰছিদ আলাম ঃ** হয়, মোৰ সমষ্টি ৬০-৭০ কি.মি. ব্ৰহ্মপুত্ৰ নদীৰ পাৰত। আচৰিত লাগে এই নদীৰ পাৰত মথাউৰী নাই। অলপ পানী বঢ়াৰ লগে লগে মোৰ সমষ্টিৰ এটা অংশ ডুব যায়। গতিকে মই অনুৰোধ জনাম, এতিয়া বিভাগীয় মন্ত্ৰী কোন গম পোৱা নাই, গতিকে মই আপোনাৰ যোগেদি মই অৱগত কৰিছো। মোৰ সমষ্টিৰ মথাউৰীখিনি দিব লাগে আৰু এই বানৰ

কৰলৰ পৰা এই পৰিয়াল সকলক ৰক্ষা কৰিব লাগে। কেৱল পৰিয়াল বুলিয়ে নহয় বিভিন্ন শিক্ষা অনুস্থান, স্বাস্থ্য অনুস্থান বহুত কিবা কিবি আছে সেইবাবে মথাউৰীৰ ব্যৱস্থা কৰি ইয়াৰ এটা permanent solution ৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ গোৱালপাৰা চহৰ ব্ৰহ্মপুত্ৰৰ ভাবুকিত আছে। বহুতখিনি খহাই লৈ গৈছে। গতিকে এইটোৰ এটা permanent protection ৰ প্ৰয়োজন আছে। এতিয়া ভাল এটা scope আছে আমাৰ দাদন পাহাৰৰ পৰা, মই প্ৰত্যেকবাৰ Assemblyত প্ৰশ্ন কৰি আছো যে দাদন পাহাৰৰ পৰা শুলোকগু পাহাৰ আৰু শুলোকগু পাহাৰৰ পৰা পঞ্চৰত্ন পাহাৰ, ইয়াতে যদি permanent protection ৰ ব্যৱস্থা কৰি দিয়ে আমাৰ গোৱালপাৰা চহৰ খন ৰক্ষা পৰিব। গতিকে এইখিনি আমি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, বিষয়া সকলক অনুৰোধ জনাইছো, চৰকাৰক অনুৰোধ জনাইছো অতি সোনকালে কৰিববৈলে। অধ্যক্ষ মহোদয়, গোৱালপাৰা চহৰৰ ওচৰতে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ পিছফালে বলধমাৰী চৰ এখন গাওঁ পঞ্চায়ত, বলধমাৰী চৰটো ভাঙি শেষ হৈ গৈছে প্ৰায় আৰু অলপখিনি আছে। তাতে মই Signature Schemeটো দিছো, যিটো ১০ কোটি টকা দিছে। কিন্তু আজিলৈ সেই Signature Schemeটো কোনপৰ্য্যায়ত আছে আজিলৈ গম পোৱা নাই। এতিয়া কাম কৰিব পৰা মাহ মাত্ৰ ২ টা মাহ আছে। গতিকে অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো চৰকাৰক বা বিভাগীয় মন্ত্ৰীক। অতি সোনকালে Signature Schemeটো মোকলাই ইয়াৰ সু-ব্যৱস্থাটো কৰি দিব লাগে। মই শেষ কৰাৰ আগতে মোৰ এটা গুৰুত্বপূৰ্ণ সমস্যা আছে আমাৰ গোৱালপাৰাত, কেৱল গোৱালপাৰাতে নহয় কামৰূপৰ পৰা আৰম্ভ হয় যিটো মেঘালয়ৰ ঢল পানী, flash flood বুলি কয়। এইটো এনেকুৱাকৈ আহে আমাক এক ঘন্টা সময়ো নিদিয়ে। যদি ৰাতি হয়, ২০০৪ চনত হৈছিল, আপোনালোক সকলোৰে জ্ঞাত যে কেনেকুৱা অৱস্থা হৈছিল। ২০১৪ চনতো হৈছিল, ভাগ্য ভাল দিনতে হৈছিল। প্ৰশাসনৰ সৎ ইচ্ছা থাকিলেও মানুহখিনিক উদ্ধাৰ কৰিব নোৱাৰে। খুব বেছি এক ঘন্টা সময় পাই। সেই সময়ত নে Rubber Boat পায় নে উদ্ধাৰ কৰা বেলেগ সজুলি পায়, একো নাপায়। ইমান সোনকালে মেঘালয়ৰ পৰা ঢলটো নামি আহে। গতিকে মই অনুৰোধ কৰিম ভলভলা নদীক জিনাৰী নদী বুলি কয় আৰু কৃষ্ণাই নদী এই দুখন নদীৰ দুয়োকাষে যদি মথাউৰী বান্ধে তেতিয়াহলে এই বিপদৰ পৰা আমি ৰক্ষা পাম। গতিকে মই চৰকাৰক অনুৰোধ জনাইছো, এই flash flood ৰ পৰা ৰক্ষা পাবলৈ হ'লে কৃষ্ণাই নদীৰ দুয়োকাষে আৰু জিনাৰী নদীৰ দুয়োকাষে permanent মথাউৰী বান্ধিব লাগিব, তেতিয়াহে আমি ৰক্ষা পাম। এইখিনি কৈ অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই যি আমাৰ বিধায়কক সময় দিছিল সেইবাবে আকৌ এবাৰ আন্তৰিক ধন্যবাদ দিছো যে এই সমস্যা বোৰ সদনত জনাব পাৰিছো তাৰ কাৰণে মই ধন্যবাদ দি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমি তিনিজন সন্মানীয় সদস্যক দিছিলো, তেখেত সকলে কলে। মই মন্ত্ৰী সকলৰ হাতত আমি আগতে নোট বিলাক দিছো, যদি পাৰে বিশেষকৈ অলপ উত্তৰবোৰ দি দিলে ভাল হ'ব। মই প্ৰথমতে Public Health Engineering Department ৰ ফালৰ পৰা কবলৈ অনুৰোধ কৰিলো। তেখেতৰ দুজন সদস্যৰ প্ৰশ্ন আছিল।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Member Hourত আমাৰ সন্মানীয় সদস্য আনোৱাৰ হুছেইন লস্কৰ আৰু সুমতাই সমষ্টিৰ বিধায়ক মৃনাল শইকীয়া ডাঙৰীয়াই তেওঁলোকৰ সমষ্টিত থকা খোৱা পানীৰ যি সমস্যা সেই বিলাক সমস্যা তেওঁলোকে উত্থাপন কৰিছে আৰু মই নিজেও স্বীকাৰ কৰিছো যে আমাৰ কিছু কিছু অঞ্চলত এতিয়াও বিশুদ্ধ খোৱা পানী আমি দিব পৰা নাই। এইটো আমাৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টা, যিবিলাক অঞ্চলত আমি বিশুদ্ধ খোৱা পানী দিব পৰা নাই সেইবিলাক

অঞ্চলত আমি বিভিন্ন ধৰণে কেন্দ্ৰীয় চৰকাৰৰ, ৰাজ্য চৰকাৰৰ পুঁজি দি আঁচনি লোৱাৰ আমাৰ প্ৰক্ৰিয়া চলি আছে আৰু মই ভাৱো অনাগত দিনত যিবোৰ অঞ্চলত বিশুদ্ধ খোৱা পানী আমি দিব পৰা নাই সেইবোৰ অঞ্চলত আমি বিশুদ্ধ খোৱা পানী দিব পাৰিম। অধ্যক্ষ ডাঙৰীয়া, বিগত চৰকাৰৰ দিনত আমাৰ ৰাজ্যখনত NRWP আঁচনিৰ যোগেদি বহুত আঁচনি লোৱা হৈছিল। প্ৰায় ১৫০০ ত কৈ বেছি আঁচনি সেইসময়ত লোৱা হৈছিল আৰু প্ৰায় বিলাক আঁচনি নিৰ্মীয়মান অৱস্থাত আছে আৰু কিছুমান এতিয়ালৈকে আমি আৰম্ভ কৰিব পৰা নাই। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ কিছুমান নীতি নিৰ্দেশনা অনুযায়ী আমি কিছুমান কাম কৰিব পৰা নাছিলো কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰে সেই নীতি নিৰ্দ্দেশনাটো উঠাই দিছে। যিহেতু আমাৰ গোটেই জিলাত ODF হ'ল, সেইকাৰণে এই ক্ষেত্ৰত কোনো বাধা এতিয়া আৰোপ কৰা নাই। গতিকে যিবিলাক কাম আমি আৰম্ভ কৰিব পৰা নাছিলো Scheme already sanction আছিল সেইবিলাক আমি এতিয়া আৰম্ভ কৰিছো আৰু যিবিলাক আঁচনি নিৰ্মীয়মান অৱস্থাত আছিল সেই ঠিকাদাৰ সকলক আমি পইচা দিব পৰা নাছিলো, যোৱা বিগত চৰকাৰৰ দিনত সেইবোৰ আৰম্ভ হৈছিল, এতিয়া সেই ঠিকাদাৰ সকলকো আমি পইচা দিয়াৰ ব্যৱস্থা কৰিছো। সেইবাবে তেওঁলোকে ইতিমধ্যে কামবোৰ কৰিবৰ কাৰণে আৰম্ভ কৰিছে। মই আশা কৰিম খুৱ সোনকালে নিৰ্মীয়মান অৱস্থাত থকা আঁচনিবোৰ আমি সম্পূৰ্ণ কৰিব পাৰিম। যিবিলাক আঁচনি আমি নিৰ্মাণ কৰিছো বিকল হৈ থকাটো এটা Process। Scheme নিৰ্মাণ হোৱাৰ পিছত বিভিন্ন কাৰণত বিকল হৈ থাকে গতিকে এই আঁচনি বিলাক বিকল হৈ থাকিলেও আমাৰ ৰাইজে বিশুদ্ধ খোৱা পানী নাপায়। গতিকে এই বিকল হৈ থকা আঁচনি বিলাকো আমি পুনৰ নিৰ্মাণ কৰাৰ ব্যৱস্থা ইতিমধ্যে আমি কৰিছো। যোৱা বিত্তীয় বৰ্ষত মই প্ৰতিটো বিধান সভা সমষ্টিত ৩৬ লাখ টকা আৱন্টন দিছিলো আৰু আমাৰ বিধায়ক সকলৰ পৰা সেই আঁচনিটোৰ নাম আমি লৈ আমি ইতিমধ্য কাম কৰি আছো আৰু এতিয়ালৈকে বহুটো কাম সম্পূৰ্ণ হৈছে। এই বিত্তীয় বৰ্ষটো প্ৰতিটো বিধান সভা সমষ্টিত এই বিকল হৈ থকা আঁচনি বিলাক পুনৰ নিৰ্মাণৰ বাবে আমি ৫০ লাখ কৈ টকা দিছো। ইতিমধ্যে আমাৰ সন্মানীয় সদস্য সকলে নিজৰ নিজৰ সমষ্টিত বিকল হৈ থকা আঁচনি আছে, অগ্ৰাধিকাৰ ভিত্তিত তেওঁলোকে ইতিমধ্যে Proposal বোৰ দিছে, ইতিমধ্যে এইটো আমি Financial Sanction কিছুমানৰ পাইছো আৰু কিছুমানৰ পোৱা নাই কিন্তু সেইবোৰ অতি সোনকালে আমি পাম। এই ক্ষেত্ৰত ডাঙৰ সমস্যাটো হৈছে যে যি বিলাক আঁচনি নিৰ্মাণ কৰা হৈছে এই ক্ষেত্ৰত প্ৰধান সমস্যা হ'ল চোৱা-চিতাৰ সমস্যা। এতিয়া এই আঁচনি বিলাক যদি ৰাইজে তেওঁলোকৰ কাৰণে বনাই দিয়া বুলি ভাবি এই আঁচনি বোৰৰ চোৱা-চিতাৰ দায়িত্বটো তেখেত সকলে লম বুলি মনত ভাব নাহে, তেতিয়া হলে হয়টো সেই আঁচনি বিলাক আকৌ বিকল হৈ যাব পাৰে। সেই কাৰণে আজি মই আপোনাৰ জৰিয়তে মই আমাৰ সন্মানীয় বিধায়ক সকলোকো অনুৰোধ কৰিছো যে যি বিলাক আঁচনি আমি ইতিমধ্যে পুনৰ নিৰ্মাণ কৰিছো, সেইবোৰ চোৱা-চিতা কৰাৰ কাৰণে এখন ব্যৱহাৰিক কমিটি গঠন কৰা আমাৰ চৰকাৰৰ নিয়ম আছে। গতিকে সেই আঁচনি বিলাকত ব্যৱহাৰিক কমিটি গঠন কৰি দিবৰ কাৰণে আমাৰ বিধায়ক সকলে যাতে সহযোগ কৰে তাৰ কাৰণে মই আহ্বান জনাইছো। গতিকে যি বিলাক বিকল আঁচনি আছে সেই বোৰ অনাগত দিনত আমি সম্পূৰ্ণ কৰিম আৰু আমাৰ চৰকাৰৰ লক্ষ্য হ'ল GDP Goal মতে অহা ২০৩০ চনৰ ভিতৰত প্ৰতিটো পৰিয়ালত পানী দিয়াৰ যিটো লক্ষ্য আছে সেই লক্ষ্যত আমি উপনীত হব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত Minister Forest & Fishery একেলগে উত্তৰ দিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Members' Hour

ত আমাৰ মাননীয় বিধায়ক শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া আৰু আব্দুল কালাম ৰচিদ আলাম ডাঙৰীয়াই Forest ৰ সন্দৰ্ভত আৰু Fishery ৰ সন্দৰ্ভত কেইটামান সমস্যা আৰু পৰামৰ্শ তেখেত সকলে আগবঢ়াইছে। আবুল কালাম ৰচিদ আলাম তেখেতে এঠাইত কৈছে যে কিছুমান আমি Tender কৰিছিলো আৰু এই Tender ৰ ব্যৱস্থাটো বন্ধ হৈ গ'ল, কথাটো সঁচা। গোৱালপাৰা জিলাৰ আমি ৯ টা শিলৰ কোৱাৰী চিনাক্ত নিবিদা দিয়া হৈছিল সেইবোৰৰ ভিতৰত আছে, নলংগা শিল কোৱাৰী, হাতীশিলা শিল কোৱাৰী, চিতলমাৰী শিল কোৱাৰী, ৰাক্ষসীনি (A)শিল কোৱাৰী, ৰাক্ষসীনি (B)শিল কোৱাৰী, ৰাক্ষসীনি (C)শিল কোৱাৰী,ৰাক্ষসীনি (D)শিল কোৱাৰী, ৰাক্ষসীনি (E)শিল কোৱাৰী, ৰাক্ষসীনি (F)শিল কোৱাৰী এনেকুৱা ৯টা মান শিলৰ কোৱাৰী আমি Tender ত আনিছিলো, আৰু গোটেইখিনি Reserve ৰ ভিতৰত পৰে। কিন্তু ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ে এখন চিঠি আমাক দিলে আৰু এই চিঠি নম্বৰ হৈছে RONE/MISC/AS/ 2014-SHI ইত্যাদি ইত্যাদি। এই চিঠিখন আমি পালো ২৪-০১-২০১৮ অনুসৰি মহল সমূহৰ কালি নূন্যতম আগতে আছিল ১ হেক্টৰ এতিয়া তেওঁলোকে কৈছে নূন্যতম ৫ হেক্টৰ কৰাটো বাধ্যতামূলক কৰিব লাগে। সেই কাৰণে এই Tender বিলাক Cancel কৰা হৈছে। এই নিৰ্দেশনা পোৱাৰ পিছত আৰু এই নিৰ্দেশনাৰ আধাৰত বন সংমগুল বিষয়াই Online Portal যোগে ৩১-১২-২০১৮ তাৰিখে Nodal Officer, Office of the Principal Chief Conservator of Forests & HOFF, Assam ৰ নলংগা শিল কোৱাৰীৰ প্ৰস্তাৱ দাখিল কৰিছে। উক্ত প্ৰস্তাৱ সমূহ ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়লৈ পঠিওঁৱাৰ ব্যৱস্থা কৰা হৈছে। হয়টো এই কথাটো কৈছে যে কিয় এইটো বন্ধ হ'ল। কিন্তু এইটো সঁচা কথা যে বন্ধ কৰা হ'ল। Ministry of Environment & Forest য়ে যিটো নিয়ম বান্ধি দিলে ভাৰত চৰকাৰৰ ফালৰ পৰা সেই কাৰণে এইটো বন্ধ কৰা হৈছে। আৰু মই ভাবো যে এতিয়া ৫ হেক্টৰ কৰি মই যিটো প্ৰস্তাৱ পঠাইছো সেই প্ৰস্তাৱটো নিসন্ধেহে তেওঁলোকৰ চিঠি মৰ্মে গ্ৰহণ কৰিব। এইটো Accept হলে আমি নতুন কৈ কোৱাৰী আমি Settlement কৰিব পাৰিম। গোৱালপাৰা জিলাত একমাত্ৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বৰ্তমান চলি থকা শিলৰ কোৱাঁৰীটো হ'ল চিতলমাৰী শিলৰ কোৱাঁৰী (১ হেক্টৰ)। উক্ত কোৱাৰীটো চৰকাৰী চিঠি নং FG.27/Nodal/ Proposal/Chitalmari St.Quarry No.2/Goalpara Divn dtd. 09-05-2018 যোগে আৱন্টন দিয়া হয়। এইটো বেছি দিন হোৱা নাই, কিছুদিন আগেত আমি আৱন্টন দিছো আৰু সম্পূৰ্ণ বিধিগত ভাৱে ইয়াৰ পৰা শিল উঠোৱা হৈছে। তাৰো পৰি ২০১৭ চনৰ শিলৰ মহল ৰূপে ৰাক্ষসীনি (A,B,C,E &F) ৫ টা শিল কোৱাৰীৰ নিবিদা দিয়া হৈছিল। কিন্তু Mining plan ৰ অনুমতিৰ বাবে Geology and Mining বিভাগে গ্ৰাহ্য নকৰিলে। আমি ৫ টাৰ Mining plan দিলো কিন্তু Geology and Mining এইটো গ্ৰাহ্য নকৰিলে। যিহেতু উক্ত ৫টা কোৱাৰীক গ্ৰেনাইট পাথৰ পোৱা গৈছিল। এই ৫টা আমি দিব বিচাৰিছো, Geology and Mining য়ে এইটো দিয়া নাই এই কাৰণে যে ইয়াত মহামূল্যবান গ্ৰেনাইট পাথৰ পোৱা গৈছে। আজি গ্ৰেনাইট থাকিলে আমি Forest য়ে দিব নোৱাৰো এই কথাটো আপুনিও জানে আমিও জানো। সেই কাৰণে এই ৫টা কোৱাৰীৰ এতিয়া লৈকে Settlement কৰিব পৰা নাই। তাৰোপৰি ৰাক্ষসীনি (D) মহলটো নিজৰা থকাৰ বাবে নিবিদাৰ পৰা উঠাই লোৱা হয়। হাতিশিলা শিলৰ কোৱাৰীটো জনবসতি পূৰ্ণ অঞ্চলত হোৱাৰ বাবে Environment Clearance Certificate উপায়ুক্তৰ পৰা পোৱা নগ'ল। উপায়ুক্ত মহোদয়ৰ ফালৰ পৰা Environment Clearance Certificate

খন লব লাগে, আৰু ইয়াতে কোৰাৰীটোৰ ওচৰত বহুটো মানুহে বাস কৰি আছে, তাৰ বাবে তেখেতে নিদিলে। যিহেতু উক্ত বাসিন্দা খিনি The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Right) Act, 2006 ৰ অধিনত বসবাস কৰি আছে। অবৈধ শিল, বালি আৰু মাটি সৰবৰাহৰ ক্ষেত্ৰত সাম্ভাব্য পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ ফলত ২০১৮-২০১৯ জানুৱাৰী লৈকে ৪৩ টা অভিযোগ (Offence) মুঠ ৯ লাখ টকা জৰিমণা হিচাপে আদায় লোৱা হৈছে। বৰ্তমান চৰকাৰৰ অধীনত গোৱালপাৰা জিলাৰ ১৪টা বালিৰ মহল আবণ্টন দিয়া হৈছে । এই বালি মহল সমূহ হ'ল - কৃষ্ণাই বালি মহল - ২, দুধনৈ বালি মহল -২, দমনী বালি মহল - ২, বলবলা বালি মহল , আৰু দেউচিলা বালি মহল এই কেইটা আৰণ্টন দিয়া হৈছে ।

তাৰোপৰি কৃষ্ণাই বালি মহল - ৩, দুধনৈ বালি মহল - ৩ আৰু দেউচিলা বালি মহল - ৩ বালি মহল সমূহ নিবিদা দিয়াৰ বাবে উপায়ুক্তৰ সৈতে Environmental clearance ৰ বাবে উপায়ুক্তৰ সৈতে যোগাযোগ কৰি থকা হৈছে । উক্ত মহল সমূহ ৰাজহ বিভাগৰ অধীনস্থ অঞ্চলত অৱস্থিত ।

ৰবৰৰ গছ বিষাক্ত বুলি আপুনি কৈছে , কিন্তু ৰবৰ গছ বিষাক্ত গছ নহয় । ৰবৰ গছৰ পাত পৰি ৰবৰ গছৰ তলৰ মাটিৰ উৰ্বৰতা শক্তি কিছু হ্ৰাস পাই যদিও ব্যাপক ক্ষতিকাৰক নহয় । সংৰক্ষিত বনাঞ্চলৰ ভিতৰত থকা ৰবৰৰ খেতি আৰু খেতি কৰা লোকসকলৰ বিষয়ে সম্পূৰ্ণ জৰীপ কৰি তথ্য আহৰণ কৰাৰ বিহিত ব্যৱস্থা লোৱা হব । উক্ত তথ্যৰ ওপৰত ভিত্তি কৰি The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Right ) Act, 2006 ৰ আধাৰত নিৰ্ভৰ কৰি বিহিত ব্যৱস্থা লোৱা হব ।

আৰু কিছুমান কথা আপুনি কৈছে । হয়, আমাৰ চৰকাৰ অহাৰ পিছতে আমি কিছুমান কুৱেৰি চেটেলমেণ্ট কৰিছো আৰু কিছুমান কুৱেৰি চেটেলমেণ্টৰ কাৰণে আমাৰ গাইড-লাইনত আছে । আৰু এটা কথা কৈছে যে বিভিন্ন ঠাইত , বালি এখন চালানত বহুতখিনি লৈ গৈ আছে । হয়, লৈ গৈ থকাৰ কাৰণেই আমি কিছুমান কনফৰ্ম কৰিব পাৰিছো । ৯ লাখ টকাটো যি সকলে দুই নম্বৰী কৰি লৈ গৈ আছে তেওঁলোকৰ পৰাই আমি লৈছো । একেবাৰে হোৱা নাই এই কথাটো নহয়। বিভাগ তৎপৰ আছে , আমি বিভাগৰ ফালৰ পৰা চেষ্টা চলাই আছো । যিমান সোনকালে পাৰো আগৰ যি সকল অবৈধ ব্যৱসায়ী আছিল তেওঁলোকক আমি কৰায়ত্ব কৰি আকৌ নিয়ম নীতিৰ আধাৰত শিল বালিৰ কামটো ইমপ্লিমেণ্ট কৰিব পাৰো । আপুনি কৈছে যে বহুত খিনি টকা দিয়া হৈছে পি ডব্লিউ ডি বিভাগত । কথাটো সচাঁ, বহুতখিন টকা মই পাইছো । কিন্তু কথাটো হৈছে যে আমাৰ কিছুমান আগৰ কুৱেৰী আছে । আজিৰ দিনত আমাৰ পি ডব্লিউ ডি মন্ত্ৰী ডাঙৰীয়াই জানিবলৈ দিছে যে প্ৰায় ১০ হাজাৰ পি এম জি এচ ৱাই ৰাষ্টাৰ কাম আৰম্ভ হৈছে । ঠিক তেনেকৈ আমাৰ হাজাৰ হাজাৰ কৌটি টকাৰ ৰাষ্টাৰ কাম আৰম্ভ হৈছে । স্বাভাবিকভাবে ডিমাণ্ডটো যথেষ্ট বাঢ়িছে । কিমান বাঢ়িছে এইটো মেক আপ কৰাৰ চেষ্টা আমি কৰি আছো ।

মই যেতিয়া ডি উটিত যাওঁ, আমাৰ বিভাগৰ মূৰব্বী সকলক সুধিলে গম পোৱা যায় যে কোনো কোনো এটা/দুটা ঠাইত কিছু সমস্যা আছে । সমস্যাটো এনেধৰণৰ যে ঠিকাদাৰ সকলে বিচাৰে যে তেওঁৰ কামটো য'ত আছে, তাৰ ওচৰে পাজৰে কুৱেৰী হ'ব লাগে । ঠিকাদাৰে বিচাৰে যে আমাৰ ওচৰত হ'লে কেৰিং চাৰ্জটো অলপ কমি যায় । কিছুমানে আকৌ কয় যে আমি ইয়াৰ পৰা নলও ইটো এটা সমস্যা । আৰু এটা কথা, এই যিটো চোৰাং বেহাৰ কথা কোৱা হৈছে ,

তাত কিছুমান (মই গোটেইখিনিৰ কথা নকওঁ ) ঠিকাদাৰো চামিল আছে । চামিল আছে বুলি এইকাৰণেই কৈছো যে ধৰক, তেওঁৰ এটা কামত ৫ হাজাৰ কিওবিক মিটাৰ শিল লাগে , তেওঁ যদি ৫ হাজাৰ কিওবিক শিল নি ৰাষ্টাত দিয়ে তেতিয়া ৰাষ্টাটো ভাল হৈ যায় । কিন্তু দেখা যায় যে কিছুমান ঠাইত আমি দেখিছো , কিছুমান ঠিকাদাৰে যিমানখিনি শিল ৰাষ্টাটোত দিব লাগে, সিমানখিনি শিল নিদিয়ে। এতিয়া প্ৰশ্নটো হৈছে বাকী শিলটো ক'ত যায় ? তেওঁলোকেটো প্ৰকৃততে যিমান শিলৰ প্ৰয়োজন সেই হিচাপ মতেই বিলটো লয় । গতিকে বাকী শিলটো মাৰ্কেটত যায় । এটা চালানত ডেভেলপমেন্টৰ চালান দুটামান পকেটত ৰাখি দিলে, তাৰ পিছত গাড়ী কেইখনমান লগাই দিলে, আৰু তাৰ পিছত যেতিয়া ডি এফ অ ' বা ৰেঞ্জাৰ যাব, কব যে এইটো ক র্পোৰেশ্যনৰ হয় আৰু এইটো ডেভ 'লপমেণ্টৰ হয় । এই পাথৰ বালিৰ চিণ্ডিকেটৰ ভিতৰত কেইটামান ঠিকাদাৰ চামিল আছে । আপুনি হয়তো মাননীয় মন্ত্ৰীক গৈ অভিযোগ কৰিব যে এই ৰাস্তাৰ কামটো মাত্ৰ ২০% হৈছে । কিন্তু আপুনি যদি ডি, এফ, অ' অফিচত খবৰ লয়, দেখিব যে তেওঁ ৮০% শিলগুটি উঠাই ললে । সেই শিলগুটি বিলাক ক'ত গ'ল ? গতিকে এই কথাবিলাক আছে । আমাৰ ফালৰ পৰা এই সমস্যাবোৰ সমাধান কৰাৰ চেষ্টা কৰি আছো। । আমাৰ মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই ফিচাৰীৰ কথা কৈছে যে - " ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ" ৰ ফিচাৰী চেংশ্যন হৈছে, কিন্তু ফৰেষ্টৰ ফালৰ পৰা গৈ বাধা দিছে । মই কিয় বাধা দিলে খবৰ লম । আমি নিয়ম মতে ফৰেষ্টৰ মাটিত ফিচাৰী দিব নোৱাৰো । যদি এইটো ৰেভিনিওৰ মাটি হয়, কিয় ফৰেষ্ট বিভাগৰ ফালৰ পৰা বাধা দিয়া হৈছে এইটো ঠিক হোৱা নাই । এটা ১ বিঘা পুখুৰীৰ মাটি খণ্ডাৰ ক্ষেত্ৰত (যিহেতু ৰেভিনিওৰ মাটি হয় ) বন বিভাগৰ কিয় পাৰ্মিচন লব লাগে সেইটো এটা ডাঙৰ কথা হয় । মই এই কথাটোৰ খবৰ লম । আপুনি কৈছে যে আগতে শিলগুটিৰ সমস্যা নাছিল, যেতিয়া মই পি, ডব্লিউ, ডিৰ মন্ত্ৰী আছিলো হয়তো মোৰ ভাগ্যই ভাল আছিল, তেতিয়া গোলাঘাটত শিলগুটিৰ সমস্যা নাছিল । এতিয়া হয়তো এনেকুৱাও হব পাৰে যে যিমানখিনি শিলগুটি বা বালি বা মাটিৰ ডিমাণ্ড আহিছে, সিমানখিনি দিয়াৰ ক্ষেত্ৰত গোলাঘাট জিলাত হয়তো সেই স্থিতি নাই । গোলাঘাট জিলাৰ ওচৰে-পাজৰে বহুত সংৰক্ষিত বনাঞ্চল আছে । আটাইতকৈ মৰমৰ উদ্যান এটা আছে কাজিৰঙা । কাজিৰঙাৰ বাবেও বহুখিনি বাধা নিষেধ থাকিব পাৰে, মই ভালকৈ খবৰ লম । আপুনি যি ফিচাৰীৰ কথা কৈছে ভাল লাগিছে । আমাৰ সমাজ জীৱনত ইয়াৰ গুৰুত্ব আছে । ইয়াত যি দুটা ফিচাৰীৰ কথা আপুনি কৈছে , শাঁতলি আৰু শংকৰ বিলৰ কথা কৈছে । এই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে গোলাঘাট জিলাৰ শংকৰ বিলখন অসম মীন উন্নয়ন নিগমৰ অধীনত (এফ ডি চি ) উপটে মেৰা গাওঁৰ ( ডাক ঃ বাদুলিপাৰ ) শ্ৰী নাৰায়ণ দাসে ২০১৩-১৪ চনৰ পৰা ২০১৯-২০ চনলৈ বন্দৰস্থি লৈ আছে । বিলখনৰ মুঠ পানীকালি ৩০ হেক্টৰ । বৰ্তমান শ্ৰী নাৰায়ণ দাসে বিলখনত মাছ পালন কৰি বছৰি ৩৮,৪০,০০০.০০ টকা উপাৰ্জন কৰি আছে । তেখেতৰ নেতৃত্বত মুঠ ৫০ জন মানুহে লগ লাগি এই বিলখনৰ ৯০% মেটেকা চাফা কৰিলে । বৰ্তমান ১০% মেটেকা বিলখনত আছে । তেখেতে বিলখহনত ৰৌ, বাহু, মিৰিকা, চিলভাৰকাৰ্প আৰু কুঁড়িমাছ পালনৰ জৰিয়তে বছৰি প্ৰায় ৮০ কুইন্টল মাছ উৎপাদন কৰি স্থানীয় মাছৰ বজাৰ আৰু গোলাঘাট পাইকাৰী মাছৰ বজাৰত বিক্ৰী কৰি আছে ।

শাওঁতলি বিলখন মীন বিভাগৰ অধীনস্থ নহয় । এই বিলখন বছৰি কঠালগুৰী উন্নয়ন খণ্ডৰ অধীনত নিবিদা হয় । বৰ্তমান এই বিলখন গ্ৰাম্য উন্নয়ন সংস্থাৰ ( ভি অ ) পৰিচালনা কৰি আছে । সভানেত্ৰী শ্ৰীমতী সংগীতা তামূলী, সম্পাদিকা শ্ৰীমতী হীৰা চাহুৰ তত্বাবধানত ১০০ জনীয়া সদস্যই এই বিলখন পৰিচালনা কৰি আছে । বৰ্তমান এই বিল খনৰ পানীকালি ৩০ হেক্টৰ ।

বিলখন উন্নয়ন কৰাৰ বাবে মাননীয় স্থানীয় বিধায়ক মহোদয়ৰ পৃষ্ঠপোষকতাত আঞ্চলিক পঞ্চায়তৰ জৰিয়তে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে । এই সন্দৰ্ভত মীন বিভাগে প্ৰয়োজনীয় সঁহাৰি প্ৰদান কৰিব ।

উল্লেখযোগ্য মীন বিভাগৰ সৌজন্যত গোলাঘাট জিলাত মীন উৎপাদন বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে । ইয়াৰ ভিতৰত নাবাৰ্ডৰ অৰ্থ সাহাৰ্য্যত গ্ৰাম্য আন্ত ঃ গাঁঠনি উন্নয়ন পুঁজিৰ অধীনত ২০১৮-১৯ বৰ্ষত ২০১ জন ব্যক্তিগত হিতাধীকাৰীৰ মুঠ ২৮,১৪ হেক্টৰ পানীকালি উন্নয়ন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে । ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহাৰ্য্যত নীল বিপ্লৱ আঁচনিৰ অধীনত ৪.৯০ হেক্টৰ পানীকালি সামৰি ৪৯ জন হিতাধীকাৰীৰ ব্যক্তিগত পুখুৰী উন্নয়ন, মাছপোনা উৎপাদনৰ বাবে এটা 'মাছপোনা উৎপাদন কেন্দ্ৰ' আৰু এটা মাছৰ খাদ্য উৎপাদন কাৰখানা স্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈছে । উক্ত আঁচনি সমূহৰ জৰিয়তে গোলাঘাট জিলাত অধিক মাছ উৎপাদন কৰি মাছৰ চাহিদা পূৰণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে । চাৰ, আমাৰ মৃনাল শইকীয়া ডাঙৰীয়াই কৈছে যে আমি যদি চেষ্টা কৰো বহুখিনি মাছৰ উৎপাদন বৃদ্ধি হ'ব । আমাৰ চৰকাৰ অহাৰ পিছতে আমি বিভিন্ন ধৰণে চেষ্টা চলাই আছো যাতে আমাৰ বিভাগৰ সহায়তেই মীনপালক সকলে মাছৰ উৎপাদন বৃদ্ধি কৰিব পাৰে তাৰ চেষ্টা অব্যাহত আছে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী তপন গগৈ।

**শ্ৰী তপন গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুগৰাকী সন্মানীয় বিধায়ক খুমটাই সমষ্টিৰ মাননীয় শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়া আৰু গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই গড়কা প্তানী বিভাগৰ ওপৰত বক্তব্য ৰাখিছে। খুমটাই সমষ্টিৰ বিধায়ক মাননীয় শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ ৰাস্তা- ঘাটৰ যিখিনি সমস্যা সেইখিনি সমস্যাৰ বিষয়ে ইয়াত উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ তৰফৰ আপোনালোকে জানি ভাল পাব যে আমি কেইবাটাও শিতানত অসমৰ ৰাস্তা-ঘাট, দলং নিৰ্মাণৰ কাৰণে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু সকলো বিধায়কৰ লগত হোৱা আলোচনা মৰ্ম্মে আমি চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে পইচা মুকলি কৰি দিছো আৰু গোটেই অসমতে এনেকুৱা ধৰণৰ ৰাস্তা বিলাক নিৰ্মাণৰ কাম চলি আছে। ইয়াত খুমটাই বিধান সভা সমষ্টিৰ PMGSY, SOPD-G , ARMF , SDRF, CONVERSION OF 1000 NOS OF SPT BRIDGES INTO RCC BRIDGES আদি বিভিন্ন আচঁনিৰ জৰিয়তে ইংৰাজী ২০১৬-১৭ , ২০১৭-১৮ আৰু ২০১৮-১৯ বিত্তীয় বৰ্ষত বিভিন্ন ধৰণৰ কাম চলি আছে। তাত প্ৰায় ১০০ কোটিৰ ওপৰত বিভিন্ন শিতানত ৰাস্তা আৰু দলঙৰ কাম চলি আছে। মৃনাল শইকীয়া ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ যিখিনি বেয়া ৰাস্তাৰ কথা কৈছে, ছাত্ৰ- ছাত্ৰী সকল অহা যোৱাৰ ক্ষেত্ৰত অসুবিধা হয় এই কথাটো আমি সকলোৱে উপলব্ধি কৰো। কাৰণ স্বাধীনতাৰ আজি ৭০-৭৩ বছৰ পিছতো অসমৰ ৰাস্তা-ঘাট বিলাক যেনেকৈ নিৰ্মাণ হ'ব লাগিছিল বা ভাল হ'ব লাগিছিল তেনেকুৱা ধৰণৰ কাম বিলাক নহ'ল আৰু নোহোৱাৰ কাৰণে এতিয়া প্ৰতিটো অঞ্চলতে ৰাইজে বিভিন্ন সমস্যাৰ সন্মূখীন হৈ আহিছে আৰু খুমটাই সমষ্টিও তাৰ ব্যতিক্ৰম নহয়। সেয়েহে আমি এই কথাখিনি উপলব্ধি কৰিছো। আমাৰ ১০০ কোটি টকাৰ কাম চলি থকাৰ উপৰিও তেখেতে দুশ কোটি টকাৰ এটা পেকেজ খুমটাই সমষ্টিৰ বাবে নিৰ্ধাৰণ কৰিবৰ কাৰণে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগলৈ এটা অনুৰোধ জনাইছে। আমি অনুৰোধ জনাইছো যে একেলগে দুশ কোটি টকাৰ এটা পেকেজ দি দিয়াটো চৰকাৰৰ বাবে সহজ নহয়। গতিকে আপোনাক জনাব বিচাৰিছো যে আপোনাৰ সমষ্টিত

আমি এতিয়া যিখিনি কাম কৰি আছো সেইখিনিৰ উপৰিও যিবিলাক কাম আছে, সেইখিনি এচ ও পি ডি শিতানত ভৱিষ্যতে পৰ্য্যায়ক্ৰমে সেইখিনিও কৰিবৰ কাৰণে আমি বিভাগে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিম সেই কথাখিনি মই আপোনাক অ ৱগত কৰিলো আৰু মই আশা ৰাখিলো বিভিন্ন শিতানৰ যোগেদি আপুনি এই পইচাখিনি পাবৰ কাৰণে সক্ষম হ'ব আৰু ৰাস্তাখিনি বনাবৰ কাৰণে পৰ্য্যায়ক্ৰমে সক্ষম হ'ব। সেই বিশ্বাসটো আমি ৰাখিছো। তাৰ লগে লগে আমাৰ গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ কেইবাটাও সমস্যাৰ বিষয়ে উপস্থাপন কৰিছে। গোৱালপাৰা পূব বিধান সভা সমষ্টিত মুঠ ১৫ খন কাঠৰ দলং আছে। ইয়াৰে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত মুঠ ৫ খন দলং আৰু "মহাবীৰ লাচিত চিলাৰায় সেতু" নিৰ্মাণ আঁচনিৰ অধীনত অন্য চাৰিখন দলং পকীকৰণৰ বাবে এতিয়ালৈ অনুমোদন পোৱা হৈছে। বাকী থকা ছয়খন কাঠৰ দলং পৰ্য্যায়ক্ৰমে অগ্ৰাধিকাৰ ভিত্তিত পকীকৰণৰ ব্যৱস্থা কৰা হ'ব। গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ অন্তৰ্গত গাঁৱলীয়া পথ সমূহৰ কিছু সংখ্যক পথ 'প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা(২)' ৰ অন্তৰ্ভুক্তিৰ কাম চলি আছে আৰু এই কাম অনতিপলমে সম্পূৰ্ণ কৰাৰ পদক্ষেপ লোৱা হৈছে। এই পথ সমূহৰ তালিকাখন National Rural Road Development Agency ৰ ফালৰ পৰা অনুমোদন পালে জৰীপ কৰি প্ৰাক্কলনৰ কাম আৰম্ভ কৰা হ'ব। যিখিনি বৈ গৈছে সেইখিনি তেনেধৰণে আমি গোটেইখিনি কৰিছো।গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ অন্তৰ্গত আগিয়া বজাৰত SH-12 ৰাস্তাৰ দুইফালে বাৰশ মিটাৰ আৰু ASTC point গোৱালপাৰাৰ পৰা কাৰবালা বজাৰলৈ SH-46 ৰাস্তাৰ দুয়োকাষে ৪৫০০ মিটাৰ পকী ড্ৰেইন ASRP শিতানত নিৰ্মাণ কৰা হৈছে। আপোনাৰ সমষ্টিৰ অন্তৰ্গত উল্লেখযোগ্য বজাৰ সমূহৰ মাজেৰে যোৱা অন্যান্য পথ সমূহৰ দুয়োকাষে ড্ৰেইন বনোৱাৰ ব্যৱস্থা ভৱিষ্যতে পুঁজি সাপেক্ষে কৰিবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিম। এই কথাটো আপোনাক অৱগত কৰিলো। তাৰ লগে লগে আপুনি আৰু দুটামান কথা ইয়াত উল্লেখ কৰিছিল যে SH-46 ৰ দুধনৈৰ পৰা মাটিয়া, গোৱালপাৰা হৈ পঞ্চৰত্ন লৈ পথটোৰ কাম আজিৰ তাৰিখতো সম্পূৰ্ণ হোৱা নাই এই কথাটো আপুনি ইয়াত উল্লেখ কৰিছে। ইয়াত চাৰিটা বিভাগত কামবিলাক ভাগ কৰা হৈছিল। গ্ৰুপ এ, গ্ৰুপ বি, গ্ৰুপ চি, গ্ৰুপ ডি। গ্ৰুপ চি ৰ বাহিৰে বাকী কেইটাৰ কাম পূৰ্ণ গতিত চলি আছে। বৰ্তমানলৈকে গ্ৰুপ এ ৰ কামৰ অগ্ৰগতি ৫৫ শতাংশ, গ্ৰুপ বি ৰ কামৰ অগ্ৰগতি ৮০ শতাংশ আৰু গ্ৰুপ ডি ৰ কামৰ অগ্ৰগতি ৭০ শতাংশ, তিনিওটা গ্ৰুপৰ কাম অহা ২০১৯ চনৰ চেপ্তেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। গ্ৰুপ চি ৰ ডুবাপাৰাৰ পৰা গোৱালপাৰা বি.অ. চি.(২১.১৫ কি. মি. ৰ পৰা ৩১.৪১ কি. মি.) লৈ পথচোৱাৰ নিৰ্মাণৰ কাম মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকাৰ বাবে নিৰ্মাণৰ কাম প্ৰদান কৰিব পৰা হোৱা নাই। এই সন্দৰ্ভত আটাইতকৈ কম মূল্যৰ দৰপত্ৰ দলিল জমা কৰোঁতা (Lowest Bidder) গৰাকীয়ে দৰপত্ৰ দলিল (Bid Document) অনুসৰি প্ৰয়োজনীয় প্ৰযুক্তিগত যোগ্যতা প্ৰদান কৰিব নোৱাৰাত নিৰ্মাণৰ কাম প্ৰদানৰ বাবে বিবেচিত নহ'ল। ২ য় কম মূল্যৰ দলিল জমা কৰোঁতা এম-এচ পি কে কোম্পানীক যোৱা ২০১৭ চনৰ ১৭ জুলাইত গ্ৰহণ কমিটিয়ে নিৰ্মাণৰ কাম প্ৰদানত অনুমোদন জনাইছিল । কিন্তু মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে আটাইতকৈ কম মূল্যৰ দৰপত্ৰ দলিল জমা কৰা চি চি এল ইন্টাৰনেশ্যনেল ৰিট্ পিটিশ্যনৰ ওপৰত ভিত্তি কৰি স্থিতাৱস্থা বাহাল ৰখাৰ নিৰ্দেশ দিয়ে বাবে উক্ত কোম্পাণীৰ লগত নিৰ্মাণৰ চুক্তি স্বাক্ষৰ কৰিব পৰা নগ'ল। বৰ্তমানলৈ বিষয়টো মাননীয় উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। উচ্চ ন্যায়ালয়ৰ পৰা খাৰিজ হৈ অহাৰ পিছত আমি এইটো খৰতকীয়াকৈ .কৰাৰ ব্যৱস্থা কৰিম। প্ৰাক্কলনত হাই

ফ্লাড লেভেল বিবেচনা কৰা হৈছে আৰু সেইমতে কাম কৰা হৈছে। গ্ৰুপ ডি ৰ কামটোত (ASTC Point to Pancharatna) ইতিমধ্যে দুটা কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল। এটা ৩২.৩২০ কি.মি আনটো ৩২.৮২০ কি. মি.। এই কালভাৰ্ট দুটাৰ মুখবোৰ ৰাইজে বন্ধ কৰি দিয়াৰ বাবে কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছিল। এইখিনি আচলতে জনপ্ৰতিনিধি হিচাপে আপোনালোকেও চোৱাচিতা কৰাৰ দৰকাৰ আছে আৰু ৰাইজৰ মাজত সজাগতা আনিব লাগে। এইক্ষেত্ৰত আপুনিও ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা ৰাখিছো। ইয়াৰ উপৰিও পৰৱৰ্তী পৰ্য্যায়ত কৃত্ৰিম বানপানীৰ পানী সোনকালে ওলাই যাবলৈ ৩২.৫৮০ কি. মি.ত পুনৰ এটা কালভাৰ্ট নিৰ্মাণ কৰি দিয়া হৈছে আৰু কৃত্ৰিম বানপানীৰ সমস্যা দূৰ কৰা হৈছে।

SH-46 মাটিয়াৰ পৰা শিমলীতোলা, নগৰবেৰা হৈ ছয়গাওঁলৈ (NH-37) আৰু পঞ্চৰত্নৰ পৰা বৰভিটা, লক্ষীপুৰ, গৌৰনগৰ, টিক্ৰিকিল্লা হৈ মানকাচাৰলৈ পথটো বৰ্তমানলৈ বিবেচনা কৰা হোৱা নাই। পুঁজি সাপেক্ষে বিহীত ব্যৱস্থা ল'ম।

যোৱা ২১-৩-২০১৮ তাৰিখে ৩৭ নং (পুৰণি) / ১৭ নং (নতুন) ৰাষ্ট্ৰীয় ঘাইপথৰ দলং নং ৩৪/১ (কৃষ্ণাই দলং) ৰ distressed span ৰ কাৰণে সকলো ধৰণৰ যানবাহন বন্ধ কৰা হৈছিল। যোৱা ২১-৪-২০১৮ তাৰিখে কৃষ্ণাই দলঙৰ ১২ টন বহন ক্ষমতা সম্পন্ন আৰু ১০ কি. মি. প্ৰতি ঘণ্টা বেগত যাব পৰাকৈ এখন Bailey Bridge স্থাপন কৰি যানবাহন চলাচলৰ বাবে পথ মুকলি কৰি দিয়া হয় আৰু বৰ্তমান উক্ত Bailey Bridge ৰ দ্বাৰা যাতায়াত চলি আছে। কৃষ্ণাই দলঙৰ মুঠ দৈৰ্ঘ্য ৯৯ মিটাৰ আৰু span arrangement 3x33 mtr. উক্ত Bailey Bridge ৰ দৈৰ্ঘ্য 1x33 mtr. ইতিমধ্যে কৃষ্ণাই দলঙৰ কাষত এখন নতুনকৈ দলং নিৰ্মাণ আৰু পুৰণি দলং খনৰ মেৰামতিৰ বাবে ৬৮৮৫.৭৫ লাখ টকা ব্যয় সাপেক্ষে প্ৰাক্কলন প্ৰস্তুত কৰি Ministry of Road Transport & Highways (MoRT&H), Govt. of India লৈ পঠোৱা হৈছে। MoRT&H ৰ অনুমোদন সাপেক্ষে উক্ত নতুন দলঙৰ নিৰ্মাণ তথা পুৰণি দলং খনৰ মেৰামতিৰ কাম হাতত লোৱা হ'ব। কামটো সম্পূৰ্ণ হ'লে সেই স্থানত অহা যোৱাৰ বাবে দুখন পৃথক দলঙৰ ব্যৱস্থা হ'ব। ওপৰত উল্লেখ কৰা ধৰণে তাৎক্ষনিক ব্যৱস্থা হিচাবে Bailey Bridge স্থাপন কৰি যাতায়াতৰ বাবে মুকলি কৰি দিয়াৰ পৰিপেক্ষিতত আৰু বিকল্প নতুন দলং নিৰ্মাণ তথা ক্ষতিগ্ৰস্ত দলং ৰ মেৰামতিৰ বাবে পৰিকল্পনা হাতত লোৱা হেতু emergency sub-way ৰ পৰিকল্পনা নাই। এইটোৱে আছিলে আজি আপুনি যিখিনি কথা উল্লেখ কৰিলে আৰু বিভাগৰ ফালৰ পৰা যি ব্যৱস্থা লোৱা হৈছে এইখিনি কথাকে আপোনালোকক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰী নৱ কুমাৰ দলে।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, প্ৰমোন্নয়ণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়াই Member Hour ত তেওঁৰ সমষ্টি হাইলাকান্দিৰ **প্ৰধান মন্ত্ৰী আৱাস যোজনা**ৰ গৃহৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰিছিল। হাইলাকান্দি সমষ্টিত **প্ৰধান মন্ত্ৰী আৱাস যোজনা** গ্ৰামীণৰ ১৩৯৯ টা গৃহ নিৰ্মাণৰ বাবে অনুমোদিত হৈছে আৰু ইয়াৰ ৬৬৭ টা গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হৈছে। দ্বিতীয়তে, তেখেতে এই সম্পূৰ্ণ হোৱা গৃহসমূহৰ মুঠ ধনৰ পৰিমাণ বিষয়ে জানিব বিচাৰিছে। ৬৬৭ টা গৃহ নিৰ্ম্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু তাৰ বাবদ আমি ৮৬৭.১ লাখ টকা অনুমোদন কৰিছো। মাননীয় সদস্য গৰাকীয়ে PMAY অধীনৰ ঘৰৰ কিছু বিত্তীয় অনিয়মৰ কথা তেখেতে কৈছে। যিহেতু আমি PMAY অধীনৰ গৃহৰ হিতাধিকাৰী সকলৰ একাউণ্টলৈকে DVD ৰ মাধ্যমেৰে পইচা দিয়াৰ ব্যৱস্থা আছে। সেইবাবে এই গোটেই ব্যৱস্থাটোত

বিত্তীয় অনিয়ম হোৱা নাই বুলি আমি জনাব বিচাৰিছো। তৃতীয়তে, হাইলাকান্দি সমষ্টিত কিমানজন যোগ্য হিতাধিকাৰী আছে, সেই বিষয়ে জানিব বিচাৰিছিল। PWL ত হাইলাকান্দি সমষ্টিত মুঠ ৬৩৪৯ গৰাকী হিতাধিকাৰীৰ ভিতৰত ১৩৯৯ গৰাকী হিতাধিকাৰীক আমি ইতিমধ্যে গৃহ আবণ্টণ দিয়াৰ বাবে অনুমোদন দিছো । মুঠ ৪৯৫০ গৰাকী হিতাধিকাৰীয়ে আজিলৈকে গৃহ আবণ্টন পোৱা নাই। যিহেতুকে **প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ** গ্ৰামীণ এই আঁচনিখনৰ অধীনত ২০২২ চনৰ ভিতৰত ভাৰতবৰ্ষৰ সকলো হিতাধিকাৰীক দিয়াৰ বাবে ব্যৱস্থা কৰিছে। সেইবাবে ২০২২ চনৰ ভিতৰত যিসকল যোগ্য হিতাধিকাৰী আছে, তেওঁলোকক পৰ্য্যায়ক্ৰমে দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। 14th Finance Commission আঁচনিৰ অধীনত কিছু আঁচনিৰ বিষয়ে উল্লেখ কৰিছে। যিহেতুকে এই আঁচনিসমূহ গ্ৰাম সভাৰ জৰিয়তে অনুমোদন দিয়াৰ ব্যৱস্থা কৰা হয়, আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত যিখিনি User Group আছে, তেখেতসকলৰ মাজতে সভাপতি আৰু Construction Committee ৰ দ্বাৰা এই আঁচনিসমূহ ৰূপায়ণ কৰা হয়। গতিকে এই আঁচনিসমূহ উচিত ভাৱে ৰূপায়ণ কৰি থকা হৈছে। তেখেতৰ যদি কিবা অসুবিধা বা অভিযোগ থাকে তাৰ বাবে আমি নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিম তাৰ লগতে হাইলাকান্দি জিলাৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ বিৰুদ্ধে এটা বিষয় দাঙি ধৰিছে। এই বিষয়ে আমি এটা তদন্তৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Flood Control Minister আজি নাই। সেয়েহে আজি তেখেতৰ হৈ চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই তেওঁৰ কথাখিনি ক'ব লগতে Urban Development ৰ কথাখিনিও ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়াই কোৱা কথাখিনিৰ উত্তৰ দিয়াৰ আগতে মই আপোনাক ধন্যবাদ জনাব বিচাৰিছো যে Speaker's Initiative প্ৰথমবাৰৰ বাবে আপুনি সদনত Introduce কৰিলে, যাৰ জৰিয়তে মাননীয় বিধায়ক সকলে তেওঁলোকৰ অঞ্চলটোৰ সমস্যাৰ বিষয়ে সুকীয়াভাৱে ক'বলৈ সুযোগ পাইছে আৰু চৰকাৰৰ ফালৰ পৰা তাৰ উত্তৰ লাভ কৰিছে। আমাৰ নগৰ উন্নয়ণ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত নাই। তেখেতৰ হৈ মই উত্তৰ দিবলৈ বিচাৰিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে **প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ** অধীনত নগৰ অঞ্চলত বসবাস কৰা লোকৰ বাবে ঘৰৰ ব্যৱস্থা দিয়া আছে। যোজনাখনৰ Beneficiary Led Construction, Component, BLC ৰ অধীনত ৫৭১৫৪ জন হিতাধিকাৰী চিনাক্তকৰণ কৰা হৈছে। ইয়াৰে ২৩০৭৯ জন হিতাধিকাৰী গৃহ নিৰ্ম্মাণৰ কাম চলি আছে আৰু কামসমূহ বিভিন্ন পৰ্য্যয়ত আছে। এতিয়ালৈকে এই Component ৰ অধীনত ৬২.৫ শতাংশ অগ্ৰগতি লাভ হৈছে। BLC Component ৰ অধীনত ভাৰত চৰকাৰৰ পৰা ৩৩৫.২০২ কোটি টকা আৰু অসম চৰকাৰৰ ফালৰ পৰা ১১১.৭৩৪কোটি টকা আৱণ্টন দিয়া হৈছে। এই Component ৰ অধীনত গৃহ নিৰ্ম্মাণ কৰিবলৈ প্ৰতি গৃহৰ বিপৰীতে ২ লাখ টকাৰ সাহাৰ্য্য তিনিটা কিস্তিত আদায় দিয়া হয়। যোৱা ৬ মাহত সৰ্বমুঠ ২৪৬.০২ কোটি টকাৰ চৰকাৰী সাহাৰ্য্য দিয়া হৈছে আৰু গৃহ নিৰ্ম্মাণৰ বাবে উপযুক্ত সময় অক্টোবৰ মাহৰ পৰা আৰম্ভ হোৱা বাবে নিৰ্ম্মীয়মান ঘৰসমূহ সম্পূৰ্ণ হোৱাৰ দিশত আগবাঢ়িছে। হাইলাকান্দি জিলাত নিৰ্ম্মীয়মান ঘৰৰ সংখ্যা ৭৯৮ আৰু তাৰে ইতিমধ্যে ৮৮.৭৭ কোটি টকাৰ ৰাজ সাহাৰ্য্য হিতাধিকাৰীলৈ পোনপটীয়াভাৱে মুকলি কৰি দিয়া হৈছে। হিতাধিকাৰীয়ে চৰকাৰী সাহাৰ্য্যৰ অংশ লাভ কৰাৰ পিছত নিজে আগভাগ লৈ গৃহ নিৰ্ম্মা্ণ সম্পূৰ্ণ কৰিব লাগে। BLC Component ৰ অধীনত গৃহ নিৰ্ম্মাণৰ লগত জড়িত হৈ থকা প্ৰক্ৰিয়াসমূহ

আৰু অসম নগৰ অঞ্চলত ইয়াৰ অগ্ৰগতিৰ খতিয়ান তলত দিয়া হ'ল।

**হিতাধিকাৰীৰৰ চিনাক্তকৰণ, প্ৰাক্কলন প্ৰস্তুত কৰণ আৰু অনুমোদন।**

হিতাধিকাৰীৰ চিনাক্তকৰণ হৈছে- ৫৭১৫৪। তাৰে ভিতৰত প্ৰাক্কলন প্ৰস্তুত আৰু অনুমোদন দিয়া হৈছে-১৫৭। Geo-tagging সম্পূৰ্ণ কৰা হৈছে-১৬১। তাৰ পিছত Fund Transfer Order প্ৰস্তুত কৰা হৈছে-১৬১। Geo-tagg সম্পূৰ্ণ কৰা হিতাধিকাৰীৰ সংখ্যা হৈছে-৫৭১৫৪। Letter of Intent জাৰি কৰা হিতাধিকাৰীৰৰ সংখ্যা হৈছে-২৭৪৮২। হিতাধিকাৰীৰ চুক্তিৰ স্বাক্ষৰ হৈছে-২৫৮৪৭। চৰকাৰীৰ সাৰ্হায্য প্ৰাপ্ত হিতাধিকাৰীৰ প্ৰথম- ২৩০৭৯, দ্বিতীয়-১২৮, তৃতীয়-১১ আৰু নিৰ্ম্মীয়মান আছে বৰ্তমান ২৩০৭৯। **প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ** অধীনত নগৰ অঞ্চলত BLC Component ৰ অধীনত গুৱাহাটী মহানগৰৰ বাবে ২১০জন হিতাধিকাৰী চিনাক্ত কৰি এখন প্ৰাক্কলন ভাৰত চৰকাৰলৈ যোৱা নৱেম্বৰ মাহত অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। যোজনাখনৰ সুলভ মূল্যৰ গৃহ নিৰ্ম্মাণ আঁচনি Affordable Housing in Partnership Component ৰ অধীনত গৃহনিৰ্ম্মাণৰ বাবে অতিৰিক্ত খণ্ড চিনাক্তকৰণ কৰিবৰ বাবে বিজ্ঞাপনৰ ব্যৱস্থা লোৱা হৈছে আৰু এই তথ্য সংগ্ৰহ কৰি থকা হৈছে। এই খিনিতে উল্লেখ কৰিব পাৰি যে চৰকাৰে অভিযানটোৰ সফল আৰু ক্ষীপ্ৰতাৰে ৰূপায়ণৰ লক্ষ্য ৰাখি মাটি-বাৰী সংক্ৰান্তত নিয়মসূহত কিছু শিথিলতা প্ৰদান কৰিছে। সেইকাৰণে পৰৱৰ্ত্তী সময়ত আঁচনি ৰূপায়ণত কিছু স্থিৰতা আহি পৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছিল, সেই ক্ষেত্ৰত আমাৰ চৰকাৰে নিশ্চয় তেখেতৰ সমষ্টিত যিখিনি আধৰুৱা কাম আছে, সেইখিনি নিশ্চয় চাব। আমাৰ বিভাগীয় মন্ত্ৰীয়ে মোক কৈছে যে তেখেতৰ সমষ্টিত যিখিনি অভাৱ অভিযোগ আছে, সেইখিনি তেখেতে চাব আৰু তাত যদি তেখেতৰ কিবা Specific কিবা কথা আছে, আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক জনালেই হ'ল আৰু বিভাগীয় মাননীয় মন্ত্ৰীয়ে সেইক্ষেত্ৰত মাননীয় বিধায়ক আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়াৰ দ্বাৰা এই কামখিনি কৰাব। .দ্বিতীয় কথাটো হ'ল, আমাৰ লস্কৰ ডাঙৰীয়াই তেখেতৰ হাইলাকান্দি বিধান সভা সমষ্টিৰ মথাউৰিৰ কথা কৈছে আৰু তেখেতে কৈছে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মথাউৰি খিনি fillup কৰিব বুলি কথা দিছিল কিন্তু কথা দিয়াৰ পিছতো সেই মথাউৰিখিনিৰ কাম সম্পন্ন নহ'ল বুলি কৈছে। এই ক্ষেত্ৰত Water Resource Department ৰ মন্ত্ৰীৰ হৈ মই জনাব বিচাৰিছো যে, ৬ নং হাইলাকান্দি বিধান সভা সমষ্টিৰ অন্তৰ্গত কাটাখাল নদীৰ পাৰৰ মথাউৰি সমূহৰ মেৰামতিৰ বাবে জল সম্পদ বিভাগে যোৱা ২০১৬-১৭ বিত্তীয় বৰ্ষত তিনিখন মেৰামতিমূলক আঁচনি (SDRF শিতানত) মুঠ ৪৯২.৯৮ লাখ টকাৰ বাবে গ্ৰহণ কৰিছিল। ইয়াৰে দুখন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু এখন আঁচনিৰ কাম চলি আছে আৰু অহা বাৰিষাৰ আগত এই কাম সম্পূৰ্ণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এনেদৰে ২০১৭-১৮ বিত্তীয় বৰ্ষত চাৰিখন মেৰামতিমূলক আঁচনি (SDRF শিতানত) মুঠ ১০৫৪.০০ লাখ টকাৰ বাবে গ্ৰহণ কৰিছিল। এই চাৰিখন আঁচনিৰে কাম বৰ্তমান চলি আছে আৰু অহা বাৰিষাৰ আগত এই কাম সম্পূৰ্ণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ২০১৮-১৯ চনত SDRF শিতানত ৬ নং হাইলাকান্দি বিধান সভা সমষ্টিৰ অন্তৰ্গত মুঠ ২৬৩.৬১ লাখ টকাৰ চাৰিখন আঁচনি ASDMA ৰ ৩৮তম ৰাজ্যিক কাৰ্যকৰী সমিতি (SEC) ৰ দ্বাৰা অনুমোদিত হৈছে। বৰ্ত মানে এই চাৰিখন আঁচনি প্ৰশাসনিক অনুমোদনৰ ব্যৱস্থাৰ প্ৰক্ৰিয়াত আছে। এই আঁচনিসমূহৰ তথ্য বিভাগৰ পৰা ল'ব পাৰিব। প্ৰশাসনিক অনুমোদন পোৱাৰ পিছত কামসমূহ হাতত লোৱা হ'ব। ইতিমধ্যে বিভাগে ৰাজ্যিক কাৰ্যকৰী সমিতি (SEC) ৰ অনুমোদনৰ ভিত্তিত নিবিদা আহ্বান কৰাৰ কাম হাতত লৈছে। ইয়াৰোপৰিও,

মেৰামতি শিতানত (M&R) ৬ নং হাইলাকান্দি বিধান সভা সমষ্টিৰ অন্তৰ্গত কাটাখাল নদীৰ মথাউৰি মেৰামতি সন্দৰ্ভত মুঠ ১০১.৮১ লাখ টকাৰ ৫ খন আঁচনিৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছে। অহা বাৰিষাৰ আগত এই কাম সম্পূৰ্ণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই সম্পৰ্কত বিস্তৃত ব্যাখ্যা তথা তথ্যৰ প্ৰয়োজন হ'লে আপোনাক দাখিল কৰা হ'ব। অধ্যক্ষ মহোদয়, তেখেতৰ মনত যিখিনি দুখ হৈছে, মই ভাৱো সেইখিনি বহু পৰিমাণে কমি যাব কি য়নো মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি অনুসৰি কাম কৰা হৈছে। এই কথাখিনি মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় সদস্য গৰাকীক অৱগত কৰিলো।

আনহাতে, গোৱালপাৰা সমষ্টিৰ মাননীয় সদস্য আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ বানপানীৰ বিষয়ে কৈছে লগতে গোৱালপাৰা জিলাৰ কৃষ্ণাই বলবলা অঞ্চল আৰু ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ বিষয়ে কৈছে। যোৱাকালি Water Resource Department ৰ Secretary আৰু Additional Chief Engineerৰ লগত এই সন্দৰ্ভত কথা পাতিছিলো। আচলতে কথাটো হ'ল যে, গোৱালপাৰা Circuit House ৰ পৰা গোটেই অঞ্চলটো পাহাৰেৰে আৱৰ্তিত আৰু গোটেই অঞ্চলটো ওখ। তাৰ মাজত এটা gap আছে আৰু যেতিয়া ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি যায় তেতিয়া সেই gap টোৰে পানী সোমাই বানপানীৰ সৃষ্টি কৰে। ব্ৰহ্মপুত্ৰৰ ওপৰত আকৌ এটা মথাউৰি হ'ব নে নহয়, তাৰ feasibility report এটা ল'ব লাগিব। তাৰোপৰি, আলম ডাঙৰীয়াই flash floodৰ বিষয়ে যিটো কথা কৈছে এই কথাখিনি নতুনকৈ আহিছে। এই সম্পৰ্কত বিভাগে ইতিমধ্যে এটা জৰীপ আৰম্ভ কৰিছে। এই জৰীপৰ ক্ষেত্ৰত আপুনিও বিভাগক সহায় কৰিব। Flash flood ৰ ক্ষেত্ৰত কি কৰিব পৰা যায় সেইটো আপুনি চাব আৰু ব্ৰহ্মপুত্ৰৰ যিখিনি ভাগত মথাউৰি নাই বুলি কৈছে সেইখিনি ঠাইত মথাউৰি বনাব পৰা যাব নে নাই সেইটো চালি-জাৰি চাই তাৰ এটা technical feasibility report লাগিব। যদি আমি তাত মথাউৰি বনাও, সেই মথাউৰিটো কেনেধৰণে protect কৰিব লাগিব তাৰ technical support এটা লাগিব। গতিকে তাৰ বাবে অকণমান সময় ৰ'ব লাগিব আৰু বিভাগৰ লগত আপুনি যদি যোগাযোগ কৰে, তেন্তে বিভাগে নিশ্চয় positive response দিব। কাৰণ এই সম্পৰ্কে যোৱাকালি ইতিমধ্যে কথা পাতিছো। এই ক্ষেত্ৰত Wate Resource Department ৰ পৰা এটা বিবৃত্তি আমাক দিছে যে, গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ অধীনত শীমলীতলাৰ পৰা পঞ্চৰত্নলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে কেৱল মাত্ৰ গোৱালপাৰা টাউন সুৰক্ষা বান্ধ (২.১৭৫ কিঃমিঃ দৈৰ্ঘ্য ) আছে। এতিয়ালৈকে নবাগতা শীমলীতলাৰ পৰা পঞ্চৰত্নলৈ মথাউৰি নিৰ্মাণ কৰা হোৱা নাই। উক্ত দূৰত্বৰ ভিতৰত অধিকাংশ ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ দ্বাৰা প্লাৱিত নহয়। যিখিনি অংশত মথাউৰিৰ প্ৰয়োজন আছে সেইখিনিৰ বাবে জৰীপ (survey), অনুসন্ধান (investigation) আৰু সম্ভাৱনীয়তাৰ (feasibility) অধ্যয়ন কৰি প্ৰয়োজন সাপেক্ষে এখন আঁচনি প্ৰস্তুত কৰি কাৰিকৰী উপদেষ্টা সমিতিলৈ বিবেচনাৰ বাবে উপস্থাপন কৰা হ'ব। উক্ত অঞ্চলত গৰাখহনীয়াৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ডেকধোৱাৰ পৰা হলুকন্দা পাহাৰলৈ "NABARD RIDF-XXIII" শিতানত "Anti erosion measures to project Baladmari area from the erosion of river Brahmaputra" নামেৰে মুঠ ৪৫০.০০ লাখ টকাৰ এখন আঁচনিৰ কাম চলি আছে আৰু বৰ্তমানে ৭০% কাম সম্পূৰ্ণ হৈছে। তদুপৰি, উক্ত অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে "Signature Scheme" শিতানত "Protection of Baladmari and its adjoining areas from the erosion of river Brahmaputra" নামৰ ১০.০০ কোটি টকাৰ এখন

আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে। গতিকে signature project কিছুমান আমিও দিছিলো আৰু বাকী সদস্য সকলেও দিছিল। কিন্তু চৰকাৰৰ নীতি মৰ্মে কিছুমান signature project approve হৈ আহিছে আৰু কিছুমান approve হৈ অহা নাই। মই ভাবো যে, আপুনি যিটো signature project দিছে, সেইটো approve নোহোৱাৰ কোনো কাৰণেই নাই। কৃষ্ণাই আৰু জিনাৰী নদীৰ flash flood হোৱাৰ সঠিক কাৰণ আৰু ইয়াক কেনেধৰণে protect কৰিব পৰা যায় তাৰ কাৰণ Water Resource Department এ এতিয়াও অধ্যয়ন কৰি থকা হৈছে। এই অধ্যয়নত যাতে আপোনাৰ লগতে আপোনালোকৰ জনসাধাৰণেও বিভাগক সহায় কৰে। মই ভাবো এনেধৰণেৰে কৰিলে আপোনাৰ সমস্যা সমূহ সমাধান হ'ব। আপুনি কথাখিনি উত্থাপন কৰাৰ বাবে ভাল হ'ল কাৰণ ই বিভাগৰো দৃষ্টি আকৰ্ষণ কৰিছে। ইয়াৰ দ্বাৰা দুয়োগৰাকী মাননীয় সদস্যক মই চৰকাৰৰ তৰফৰ পৰা আশ্বস্ত কৰিছো যে, আপোনালোকৰ grievances খিনি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে and Government will take the grievances and give priority to implement the scheme in your constituency. অধ্যক্ষ মহোদয়, মই আন এটা কথা ক'ব বিচাৰিছো। হাইলাকান্দিৰ বিধায়কজন যথেষ্ঠ স্মাৰ্ট। তেখেতে যথেষ্ঠ জানেও। তেখেতে এটা অভিযোগ আনিছে যে অসমৰ বাহিৰৰ পৰা অহা officer সমূহে অসমখন নষ্ট কৰিলে। এইবিলাক কথা আপুনি নকব। IAS Cadre টো all India service. আমাৰ অসমৰো বহু IAS, IPS officer য়ে বাহিৰত কাম কৰি আছে। গতিকে আমি এনেকুৱা ধৰণৰ কথা ক'ব নাপায়।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কৈছে যে, Water Resource ৰ কেইবাটাও কাম বাকী আছে আৰু Urban Development ৰ PMAY ৰ ঘৰৰ সমস্যাটোও আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি তাৰ কাৰণে মন্ত্ৰীৰ তালৈ যাব। মই আপোনাক অনুৰোধ কৰিছো।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেইবিলাক IAS officer ৰ কথা কোৱা নাই, কেইজনমানৰ কথাহে কৈছো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ Democracy ত চাৰিটা wing আছে - Press, Legislature, Executive and Judiciary. Excutive নোহোৱাকৈ তো আমাৰ কাম নচলে। গতিকে আপোনাৰ কিবা যদি অভিযোগ থাকে আপুনি জনাব, নহলে এইটো এটা খুৱ বেয়া message যাব। গতিকে You should take it in a good sense. ইয়াৰ পিছতো যদি আপোনাৰ কিবা ক'ব থাকে আপুনি মন্ত্ৰীক লগ ধৰিব আৰু প্ৰয়োজন হলে মোকো দিব। তাৰ লিখিত উত্তৰ আপুনি পাব।

এতিয়া আমি next item লৈ আহিছো। BAC ৰ লগত কথা পাতি আমি এটা কাম কৰিছিলো যে, "Assam Legislative Assembly Member's Salaries, Allowances , Amenities and Pension Amendment Bill" খন আজি move কৰিম বুলি specially permission লৈছিলো। গতিকে মই এতিয়া এই item টো লৈ গৈছো।

ৰাজভৱনৰ পৰা সদনত বিবেচনাৰ কাৰণে বিধেয়কখন উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৯ চনৰ ২৮ জানুৱাৰী তাৰিখে এটা বাণী পঠাইছে। মই বাণীটো পাঠ কৰি দিছো -" Under the provision of Article 207 (3) of the Constitution of India, I, Shri Prof. Jagdish Mukhi, Governor of Assam, recommend the

consideration of Assam Legislative Assembly Member's Salaries, Allowances, Amenities and Pension Amendment Bill, 2019 in the Assam Legislative Assembly". মই এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক Bill খন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Legislative Assembly Member's Salaries, Allowances, Amenities and Pension Amendment Bill, 2019 " বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিছো। "The Assam Legislative Assembly Member's Salaries, Allowances, Amenities and Pension Amendment Bill, 2019 " বিবেচনাৰ বাবে লোৱা হ'ল। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওক হয় আৰু যিসকল বিপক্ষে আছে, কওক নহয়। (হয়ৰ সপক্ষে) মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

ইয়াৰ পাছৰ কাৰ্য্যসূচীত আছে বিধেয়কখনৰ ২ নং দফা। এই দফাটোত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওক হয় আৰু যিসকল বিপক্ষে আছে, কওক নহয়। (হয়ৰ সপক্ষে) মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনত কোনো সংশোধন নাই গতিকে বিধেয়কখনৰ এই দফা, নাম, পৰিসৰ আৰু আৰম্ভন সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে বিধায়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওক হয় আৰু যিসকল বিপক্ষে আছে, কওক নহয়। (হয়ৰ সপক্ষে) মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Legislative Assembly Member's Salaries, Allowances, Amenities and Pension Amendment Bill, 2019 " পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনৰ সন্মুখত দিছো। এইটো হৈছে "The Assam Legislative Assembly Member's Salaries, Allowances, Amenities and Pension Amendment Bill, 2019 " be passed. যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওক হয় আৰু যিসকল বিপক্ষে আছে, কওক নহয়। (হয়ৰ সপক্ষে) মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হৈছে।

ইয়াৰ পাছৰ কাৰ্য্যসূচী আছিলে স্থগিত সংকল্প প্ৰস্তাৱ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই এই বিষয়টোত কৈছিলে।

**শ্ৰী ফণীভুষণ চৌধুৰী (বঙ্গাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনালোকৰ

দৃষ্টিগোচৰ কৰিব বিচাৰিছো। আমাৰ " Rules of Procedure and Conduct of Business in Assam Legislative Assembly' ৰ Rule129 ত আছে- "Resolution which are admitted for a particular Session, shall stand lapsed along with the prorogation of the Session.

Provided that any resolution or resolutions which are under discussion shall be concluded during the Session and for that purpose, if necessary, the Speaker may extend time for such discussion." অধ্যক্ষ মহোদয়, এই বিষয়টো মই এই কাৰণে উত্থাপন কৰিব বিচাৰিছো কাৰণ আমাৰ বিধান সভাত এটা পৰম্পৰা আছে যে, সংকল্প প্ৰস্তাৱেই হওক বা resolution য়েই হওক বা প্ৰস্তাৱেই হওক গোটেই বছৰটো চলি থকা উদাহৰণ আমাৰ এই বিধান সভাৰ মজিয়াত আছে। এই বিষয়টো মই এই কাৰণে উত্থাপন কৰিব বিচাৰিছো অধ্যক্ষ মহোদয়, কাৰণ ৰাজ্যখনৰ এটা গুৰুত্বপূৰ্ণ বিষয় লৈ আমি ভালেকেইটা দলে এটা প্ৰস্তাৱ submit কৰিছো। পুৰণা যিটো pending resolution আছে, সেইটো যদি আজি আলোচনা কৰিবলৈ দিয়া হয়, তেতিয়াহলে বৰ্তমান আমাৰ ৰাজ্যখনৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়টো এই অধিবেশনত আমি আলোচনা কৰিবলৈ সক্ষম নহম। গতিকে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক এটাই অনুৰোধ কৰিব বিচাৰিছো যদিও পৰম্পৰা আছে, যিদিনা Private Members Business আছে, সেইদিনা যাতে আমাৰ এই resolution টো আনিব পাৰো তাৰ এটা পৰিবেশ আজি যাতে আপুনি আনি দিয়ে, তাৰ বাবে মই আপোনাক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰী কেশৱ মহন্ত (কলিয়াবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ বিধিগত কথা আৰু বাকীখিনিও উল্লেখ কৰিছে। মই এটা কথা ক'ব বিচাৰো যে এই গুৰুত্বপূৰ্ণ প্ৰস্তাৱটো আমাৰ পবিত্ৰ সদনে আলোচনা কৰা দৰকাৰ। পিছৰ যিটো তাৰিখ আছে ২২ তাৰিখ। সংসদৰ অধিবেশন ১৩ তাৰিখে শেষ হ'ব আৰু বৰ্তমান যিখন চৰকাৰ আছে তেওঁলোকৰ আৰু সংসদৰ অধিবেশন নহয়। ১২ আৰু ১৩ তাৰিখে তাত Legislation আছে, Bill বিলাক pass হ'ব। গতিকে তাৰ আগত এই প্ৰস্তাৱটোৰ ওপৰত আমাৰ এটা সৰ্ব্বসন্মত প্ৰস্তাৱ অসম বিধান সভাৰ পৰা Bill খন বাতিল কৰিবৰ কাৰণে দিব পাৰিলে অসমত বৰ্তমান চলি থকা যিটো জলন্ত সমস্যা, 'নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬' যিখন এতিয়া 'নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৯' হিচাপে pass হৈছে, এই ক্ষেত্ৰত আমি এক সুস্থিৰ সিদ্ধান্ত ল'ব পাৰিম। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়াক এই বিষয়টো দৃষ্টি গোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** খালেক ডাঙৰীয়া আপুনি কি ক'ব বিচাৰিছিলে?

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফণীভুষণ চৌধুৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ উনুকিয়াইছে, আমিও তাত Signatory. যিহেতু বিষয়টো গুৰুত্বপূৰ্ণ আৰু অসমৰ স্বাৰ্থজনিত, ফণীভুষণ চৌধুৰী ডাঙৰীয়া আৰু কেশৱ মহন্ত ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি আমি সমৰ্থন কৰিছো। যিহেতু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ এইখনেই শেষ অধিবেশন, এই অধিবেশন চলি থাকোতেই এই প্ৰস্তাৱটো আলোচনা হোৱাটো আমি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। আমিনুল ইছলাম

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** অধ্যক্ষ মহোদয়, এইটো প্ৰস্তাৱত আমিও Signatory আছিলো

আৰু আমিও আচলতে এইবাৰেই প্ৰথম দেখিলো যে আমাৰ তিনিওটা বিৰোধী দলে এটা single Agenda ৰ ওপৰত resolution দিছে।

**শ্ৰী কেশৱ মহন্ত, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো clear কৰা ভাল।

**মাননীয় অধ্যক্ষ ঃ-** কেশৱ মহন্ত ডাঙৰীয়া, সেই কথাটো মই কম। মই আছো নহয়, মই কম।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** মই কৈ আছো যে , আমি কাৰোৰ লগত আলোচনা কৰি দিয়া নাই। কিন্তু বিষয়টোৰ গুৰুত্বটো মই বুজাব বিচাৰিছো। বিষয়টো ইমান গুৰুত্বপূৰ্ন যে আমাৰ তিনিওটা দলৰে resolution একে হৈ গ'ল। তিনিওটা দলে অনুভৱ কৰিছে, যে

**মাননীয় অধ্যক্ষ ঃ-**আপুনি কথাটো কওঁক। এনেই দীঘল কৰি নাথাকিব।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** গতিকে এই কাৰনেই, বিষয়টো যিহেতু গুৰুত্বপূৰ্ন, সেই কাৰণে সকলোৱে উপলব্ধি কৰিছে, আপুনি ছাৰ ক্লাৰ কৰি দিছে, আমি মানি লৈছো। তিনিওটা দলৰ একেলগে ক্লাৰ কৰি দিছে। গতিকে বিষয়টো যিহেতু গুৰুত্বপুৰ্ন, বুলি আমি সকলোৱে এটা বিষয় আলোচনা বিচাৰিছিলো, যিখিনি কথা আমাৰ মাননীয় ফণীভূষন চৌধুৰী আৰু কেশৱ মহন্ত ডাঙৰীয়াই কৈছে, আমিও এই কথাটো বিচাৰো, সংসদৰ এইটো অধিবেশনত, ১২ তাৰিখে ৰাজ্যসভাত উত্থাপন হ'ব বুলি কালিৰ পৰা খবৰ ওলাইছে। গতিকে আমি ভাবো যে এই মুহুৰ্তত আমি যদি আমাৰ স্থিতিটো প্ৰকাশ কৰিব নোৱাৰো পৰৱৰ্তী পৰ্য্যায়ত আমাৰ স্থিতি আৰু প্ৰকাশ কৰি লাভ নাই। আৰু ইয়াৰ অৱকাশও নাথাকিব। গতিকে এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি আজি যদি এইটো resolution আলোচনা কৰিবলৈ আপুনি সুবিধা দিয়ে। তাৰ পিছত আমি এটা চেষ্টা কৰিম যে আমি সদনে এটা সিদ্ধান্তলৈ

**মাননীয় অধ্যক্ষ ঃ-** মই কথাখিনি আপোনালোকক দিছো, বিষয়টোৰ কথা চিন্তা কৰিহে দিছো। গতিকে কথা এনেই কিন্তু ক'বলগীয়া একো নাই। পাটোৱাৰী ডাঙৰীয়াই কিবা এটা ক'ব খুজিছে কি ক'ব খুজিছিল কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ ডাঙৰীয়া, আমাৰ এটা pending resolution আছে, আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াই মোক কৈছে। গতিকে আমাৰ যিটো Rules and Procedure and Conduct of Business in Assam Legislative Assembly, আমাৰ ফণীভূষন চৌধুৰী ডাঙৰীয়াই Rule টো পঢ়ি দিছে। কিন্তু কথাটো হৈছে যে বিধান সভাত যিখন বিলৰ কথা বা যিটো প্ৰস্তাৱ, AGP কংগ্ৰেছ আৰু AIUDF য়ে আনিছে আমি এই বিলাক কথাত আলোচনা কৰাত আপত্তি একো নাই। আলোচনা কৰক, আমি আপত্তি কৰা নাই। কিন্তু প্ৰশ্নটো হৈছে এইটোৱেই যে এইখন বিধান সভাত ফণীভূষণ চৌধুৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়া, ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়া আপোনা সকলৰ নিজৰো experience আছে মোৰো আছে যে মহাপুৰুষ শংকৰদেৱৰ ওপৰত এটা প্ৰস্তাৱ আনোতে জয়নাথ শৰ্ম্মাই, ২ বছৰ এই বিধান সভাতো প্ৰস্তাৱ চলিছিল। ২ বছৰ চলিছে এটা প্ৰস্তাৱ। গতিকে প্ৰশ্নটো হৈছে যে মাননীয় সদস্য সকলে যদি কোনোৱা এটা বিষয়ত participate কৰিম বুলি যেতিয়া ভাবে,participation ৰ পৰা তেওঁলোকক minimum democratic Right ৰ পৰা deprive কৰিব নোৱাৰে। গতিকে আমাৰ কথা হ'ল আমি এই বিলখনৰ ওপৰত আলোচনা কৰাত আমি বক্তব্য ৰাখিম। আমি আমাৰ চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিম। কিন্তু প্ৰশ্নটো হ'ল কোনোৱা মাননীয় সদস্যই যদি আজি যিটো Private Members day আজি সকলো Private Member য়ে নিজৰ নিজৰ বক্তব্য দাঙি ধৰিব পাৰে। গতিকে বক্তব্য যিহেতুকে দাঙি ধৰিব পাৰে, বিধান সভা কেৰল Rules and Proce-

dure and Conduct of Business তাৰেই ওপৰত নচলে। বিধান সভা conventional টো চলে। সেই কাৰণে এইটো মেচেজ যাব নালাগে যে আমি যেন এই বস্তুটো continue কৰিব বিচাৰিছো, সেইটো নহয়, মাননীয় সদস্য সকলে আজি কয় যে আমি নকওঁ, এই প্ৰস্তাৱটো আহিব। কোনোবাই কয় যে আমি কম কাক বাধা দিব পাৰিব কোৱাৰ পৰা?

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** নহয়, আমি চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিম। ইয়াতে বিৰোধী পক্ষই যিখিনি বিষয় আনিছে বা আজি এজিপি, কংগ্ৰেছ, AIUDF লগ হৈ যিটো প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱটো আমি

**মাননীয় অধ্যক্ষ ঃ-** লগ হোৱা নাই। বেলেগে বেলেগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** এই প্ৰস্তাৱটোত আমি চৰকাৰে কেতিয়াও শংকিত নহয়, আমি ready আছো উত্তৰ দিয়াৰ কাৰণে, কিন্তু আজি যদি কোনোবা বিৰোধীয়ে কয়, তেওঁলোকক কাকো বাধা দিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ সভাপতি ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো Pending resolution, এই বিষয়ত আলোচনাৰ কথা কৈ আছে যে আৰু অংশ ল'ব বিচাৰে। প্ৰয়োজন সাপেক্ষেও আমি ইয়াত অংশ ল'ব নিবিচাৰো, আৰু যোৱা সময়ত যিটো অন্য Pending resolution আছিল অসম বিধান সভাত আব্দুল খালেক ডাঙৰীয়াৰ তেতিয়া কোৱা হৈছিল, প্ৰয়োজন সাপেক্ষে এনেকুৱা এটা প্ৰস্তাৱ যদি প্ৰয়োজন হয়, আকৌ অনা হ'ব। সেইটো Assurance দিয়াৰ কাৰনে আমি উঠাই লৈছো। এতিয়া আমি ভাবো যে প্ৰয়োজন হৈছে। সেই গতিকে আপুনি প্ৰয়োজন সাপেক্ষে ১৩ তাৰিখৰ আগতে যদি ১০ তাৰিখে বিশেষ অধিবেশন দিব পাৰে, তাৰে আমি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** মই চাম। কথাখিনি মই আপোনালোক সকলোৰে লগত আলোচনা কৰি সিদ্ধান্ত ল'ম। এই বিষয়টো মই সময়ত কলোহেতেন। এতিয়া কোৱা নাই। কিন্তু ফণীভূষন চৌধুৰী, আপোনাক মই এই কথাটো এবাৰ কৈছিলো কাৰণ আপুনি senior member আমাৰ Rule Book খনত অলপ contradictory কথা কিছুমান আছে। সেই বিলাকলৈ নাযাও আজি। আৰু এটা ৰুল আছে যিটো ৰুলত আমি পিছলৈ লৈ যাব পৰা ব্যৱস্থাও আছে। আগতে হাউচে সেইটো ৰুলত গৈ পিছলৈ pending কৰিছিল। আপুনি যিটো ৰুল পঢ়িছে, মইও পঢ়িছিলো, এদিন মই এই বিষয়ে আপোনাৰ লগত আলোচনাও কৰিছিলো যে দুটা contradictory Rule আছে। যাৰ কাৰণে আমাৰ এই pending বিলাক হৈ থাকে। সেইখিনি কথা মই details ত নাযাও। আপুনি সেইটো চালেই গম পাব। আপোনাক মই কৈ দিম। এতিয়া মই কৈয়ো দিব পাৰো। Rule 264 টো একেবাৰে contradictory ইয়াৰ লগত। মই বেলেগ কথালৈ আহিছো যে হয়, pending resolution ত যদি কোনেও কথা নকয়, মোৰ কবলগীয়া একো নাই। কিন্তু pending resolution ত মই কাকো কথা কোৱাটো বন্ধ কৰিব নোৱাৰো। কিন্তু মোৰ ইচ্ছা আছে। এই কাৰণে আপোনালোকে ৩ টা resolution বেলেগে বেলেগে দিয়াৰ পাছতো মই দেখিলো, বেলেগ বেলেগ দিলে কি হ'ব? লটাৰী কৰিলে এটা আহি যাব. বাকী দুটা পাৰ্টীয়ে কব যে আমাৰ দুটা কি হ'ল? মই সেই কাৰণে এটা সিদ্ধান্ত ললো যে কথাটো যিহেতু গুৰুত্বপুৰ্ণ, আমাৰ পাটোৱাৰী ডাঙৰীয়াইয়ো কৈছে, They are also ready to give reply. গতিকে কোনোৰে একো

শংকিত হোৱাৰ কথা নহয়। কিন্তু বিষয়টো মই দেখিলো যে এইটো এটা sensitive বিষয়,পিছত এটা খেলি-মেলি হোৱাতকৈ মই তিনিওটা ক্লাৰ কৰি দিছো, আমাৰ এইটো procedure ত সুবিধা আছে। প্ৰত্যেকে বেলেগে বেলেগে তেওঁলোকে ইচ্ছা কৰিলে উত্থাপন কৰিব পাৰিব। মই কাকো এই বিলাকলৈ আনিব খোজা নাই। আজিৰ তাৰিখত pending resolution টো শেষ কৰাৰ নিৰ্ভৰ কৰিব আমাৰ সদস্য সকলৰ ওপৰত । বাকীখিনি কথা যিখিনি আপোনালোকে মোক Suggestion দিছে Definitely I will call a meeting, I will discuss, any possible, I will do this, do Justice Ok

**শ্ৰী ফণীভূষন চৌধুৰী, সদস্য ঃ-** ছাৰ মই এটা কথা ক'ব বিচাৰিছো, ছাৰ আমি যিটো resolution দিছো, আমি debate ত অংশ গ্ৰহণ নকৰো। যিটো pending resolution আছে সেইটো

আমাৰ ২ টা লৈকে Session আছে, আপুনি ২ টা বজাৰ আগতে এই pending resolution টো -----

**মাননীয় অধ্যক্ষ ঃ-** আপুনি সন্দেহ কৰিব নালাগে, চৌধুৰী ডাঙৰীয়া, কোনো সন্দেহ নকৰিব। I will discuss. মই কৈছো আপোনাৰ লগত আমি একেলগে বহি কথা পাতিম। মই বুজি পাওঁ। তাতকৈ আৰু বেছি নকব। নতুন বিষয় হোৱা নাই। Governtment য়েও কব লাগিব। আপোনালোকেও কব লাগিব। সেইটো মই বুজি পাওঁ। কিন্তু তেওঁলোকেটো নকওঁ বুলি কোৱা নাই। এতিয়া pending resolution ৰ ওপৰত ৰমেন্দ্ৰ নাৰায়ন কলিতাই যদি কয় কব পাৰে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপুৰ্ন বিষয়, আজিৰ সংকল্প প্ৰস্তাৱত দিয়া হৈছে। নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬। মই ভাবো এই pending resolution যিটো আছে, তাতকৈ এইটো বেছি গুৰুত্বপুৰ্ন। আৰু সেই কাৰনে মই বিশেষ ভাৱে যদিও যোৱাবাৰ কিছু কথা কৈছো, আধৰুৱা হৈ আছে। গতিকে ইয়াৰ স্বাৰ্থত আমি আমাৰ দলৰ তৰফৰ পৰা মোৰ যিহেতু বক্তব্য আছিল, সেই বক্তব্যটো মই আজি ইয়াত উত্থাপন নকৰো।

**মাননীয় অধ্যক্ষ ঃ-** পিছৰ বক্তাজনৰ নাম আছিল ভূৰন পেগু।

**শ্ৰী ভূৰন পেগু, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যিটো pending resolution ৰ ওপৰত যিটো বিষয় উত্থাপন হৈছিল, এইটো বিষয় ইমান গুৰুত্বপুৰ্ন , বিশেষকৈ অসম যোৱা যিটো হাজাৰ হাজাৰ পৰিয়াল লাখ লাখ মানুহ আজি ভাৰত স্বাধীনতাৰ পাছত ৭৫ বছৰ পাৰ হৈ গ'ল। তাৰ পাছতো আজি ভূমিপুত্ৰ হিচাপে ভূমিৰ পট্টাৰ অধিকাৰী হ'ব নোৱাৰাটো মই ভাবো যে আৰু স্বাধীনতাৰ ৭৫ বছৰ পাছলৈকে ভূমিপট্টা যদি পোৱা নাই, কিমান ডাঙৰ এটা বিষয় এইটো আৰু বিশেষকৈ মোৰ জোনাই সমষ্টিটো যদি চাওঁ বা ধেমাজি জিলাত যদি চাওঁ মই এই pending resolution টো যেতিয়া আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াই ইয়াত উত্থাপন কৰিছিলে, তাৰ পাছত মই যেতিয়া Department য়ে Department য়ে তথ্যবোৰ খোচৰিলো, মোৰ সমষ্টিত ১২ হাজাৰতকৈও অধিক পৰিয়াল এতিয়াও Reserve Forest ত Encroach কৰি আছে বুলি তথ্য দেখাইছে আৰু ১২ হাজাৰতকৈ অধিক পৰিয়াল বুলি ক'লে more than 60 thousand জনসংখ্যা ৬০ হাজাৰতকৈ অধিক জনসংখ্যা মানুহ এতিয়াও তাৰমানে মাটিৰ পট্টাৰ পৰা, মাটিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে আৰু তাৰ পাছত যেতিয়া তথ্যবোৰ চালো, মাননীয় অধ্যক্ষ মহোদয় এতিয়া বেছিকৈ গুৰুত্বপূৰ্ণ আকৌ কিয় হৈছে, এতিয়া আমাৰ চৰকাৰখনে যোৱাবাৰ বাজেট, তাৰ আগৰ বাৰ যেতিয়া বাজেট ঘোষণা কৰিছিল Mega Mission কিছুমান ঘোষণা কৰিছিলে আৰু Mega

Mission খিনিৰ ভিতৰত যদি চাওঁ, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, এই মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, এনেকুৱা এটা সপোন লৈ আগবাঢ়িছে চৰকাৰখনে যে, প্ৰত্যেকখন গাঁৱৰ উন্নতি কেনেকৈ আগুৱাই নিব পৰা যায় বিষয়টোক লৈ, কিন্তু ইয়াত এটা বস্তু লক্ষ্য কৰিব এই যোজনাৰ ভিতৰত only revenue village cover হব আৰু যদি এই যোজনাৰ ভিতৰত revenue village cover হোৱা বিষয়টো যদি আহে, মোৰ তাত ১২ হাজাৰতকৈ অধিক পৰিয়ালৰ মানুহ এই আঁচনিবোৰৰ পৰা বঞ্চিত হ'ব আৰু ১০০ খনতকৈ অধিক গাওঁ বঞ্চিত হ'ব আৰু ইতিমধ্যে মাননীয় অধ্যক্ষ মহোদয়, বঞ্চিত হৈছে, যোৱা এবছৰ ধৰি ট্ৰেক্টৰৰ কাৰণ fill up কৰিব পৰা নাই। এতিয়া আমি ট্ৰেক্টৰ দিব নোৱাৰো আৰু মুখ্যমন্ত্ৰী গ্ৰাম্য উন্নয়ন এই যোজনাৰ ভিতৰত irrigation, agriculture, field development সকলো আচঁনি, যিমান আঁচনি আছে, প্ৰত্যেকখন আঁচনিৰ পৰা এতিয়া এইখিনি মানুহ বঞ্চিত হ'ব। তাৰ উপৰঞ্চি এতিয়া PMAY ঘৰৰ পৰা আৰম্ভ কৰি বঞ্চিত হ'ব, তাৰ উপৰঞ্চি যোৱাবাৰ কি হৈছে, আমাৰ আপোন ঘৰ বুলি, চৰকাৰী বিষয়াসকলৰ কাৰণে ১৫ লাখ টকাকৈ বেংক লোন লব পাৰিব বুলি দেখালে। কিন্তু যেতিয়া এইখিনি অঞ্চলৰ ৰাইজে যেতিয়া এপ্লাই কৰিলে, তেতিয়া বেংকে বিচাৰিছে, ঠিক আছে আপোনাৰ চাকৰি আছে, আপুনি বেংক লোনপাব। কিন্তু ক'ত ঘৰটো বনাব, মাটিৰ কাগজখন লাগে। এতিয়া মাটিৰ কাগজখন দেখাব নোৱাৰাৰ কাৰণে, সেই নিজৰ ঘৰ বনাবলৈ যিটো বেংক লোন লব বিচাৰিছে, চাকৰিয়াল মানুহ হিচাপে তাৰ পৰাও বঞ্চিত হৈছে। তাৰ উপৰঞ্চিও মাননীয় অধ্যক্ষ মহোদয়, এতিয়া সৌসিদিনা Model village ৰ list বিছাৰিলে মোৰ সমষ্টিৰ পৰা । এটা এটা সমষ্টিত দুটা দুটা Model village দিব বুলি । কিন্তু Model village ৰ list খন যেতিয়া মই চাবমিট কৰিব বিচাৰিলো, মোৰ অঞ্চলৰ সকলোতকৈ পুৰণা গাওঁখনৰ নাম যেতিয়া মই, গালিবৰবালি বুলি নামটো যেতিয়া দিবলৈ আৰম্ভ কৰিলো, তেতিয়া গালিবৰবালি listখন Revenue Village ত নাই Forest Village ৰ list ত সোমাই আছে। কিন্তু সকলোতকৈ পুৰণা গাওঁ। কিন্তু তাত এতিয়া এইটো মই ৫ কোটি টকা যিটো এটা Model village ত খৰচ কৰিব চৰকাৰে, সেই ৫ কোটি টকা মই তাত খৰচ কৰিব নোৱাৰো এতিয়া আৰু স্কুল পাৰমিশ্যন, বহু স্কুল provincialisation ৰ বাদ পৰি গৈছে, কিয়নো মাটিৰ পাৰমিশ্যন নাপালে আৰু আমাৰ উঠি অহা প্ৰজন্মই কিবা এটা কৰি খাওঁ বুলিযদি বেংক লোন বিচাৰে, বেংক লোন নাপায়, মাটিৰ কাগজ নাই। মাননীয় অধ্যক্ষ মহোদয়, ইমান এট গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ কাৰণে আৰু আপুনি উত্থাপন কৰিব দিয়াৰ কাৰণে মই আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছো, শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। আজি স্বাধীনতাৰ ৭৫ বছৰ পাছত এই বিষয়টোৰ মীমাংসা হ'ব নে নাই, এইটো বৰ ডাঙৰ প্ৰশ্ন। এতিয়া গাওঁবোৰত আমি যেতিয়া প্ৰত্যেক বছৰে election campaign ত যাওঁ, উন্নয়নমূলক কাম-কাজৰ বিষয়ত যেতিয়া আমি আগবাঢ়ি যাওঁ, তেতিয়া প্ৰত্যেকবাৰে গাওঁৰ ৰাইজে সোধে যে, কেতিয়া মাটিৰ পট্টা হ'ব আমাৰ, কেতিয়া Forest village ৰ পৰা encroachers নামটো উঠাই Revenue Conversion হ'ব বুলি প্ৰত্যেকবাৰ আমাক সুধি থাকে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰ ওলোৱা নাছিলে আৰু আজিলৈকে ওলাব পৰা নাই। কিন্তু ইয়াৰ উত্তৰ আছে, চৰকাৰৰ ওচৰত উত্তৰ আছে, সূত্ৰও আছে। এতিয়া মই কব বিচাৰিছো, মই যেতিয়া গোটেই কাগজপত্ৰবোৰ খুচৰিলো, অধ্যক্ষ মহোদয়, Forest Right Act, 2006. ৰ মতে, Forest Right Act য়ে সুন্দৰ ভাবে দফাটোত লিখা আছে, মাননীয় অধ্যক্ষ মহোদয়, মই পাঠ কৰিব বিচাৰিছো। অলপ সৰু লাইন এটা, Forest Right Act য়ে কি কৰিব পাৰে, Rights of

sattlement and conversion of  all forest village, all habitation unservayed villages and other villages in forest whether recorded notified or not into revenue villages. তাৰমানে Forest Right Act য়ে কৈছে, যদি আপোনাৰ কোনোবা  গাওঁ আছে, Forest ত Record থাকক-নাথাকক, convert যদি কৰিব বিচাৰে,  Revenue গাওঁলৈ  convert কৰিব পাৰিব বুলি কৈছে। সেইটোৰ কাৰণে procedure কিছুমান দিয়া আছে, সেই procedure টো follow হৈ গ'লে সোনকালে re-corded হৈ যাব, দুই তিনি বছৰৰ ভিতৰতে Revenue  Conversion হয়। মাননীয় অধ্যক্ষ মহোদয়,  এইটো হ'ল 2006 ৰ  Forest Right Act মতে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, অসমত notified কৰা উদাহৰণ আছে, অসম চৰকাৰে, 2003 ত এই Rights Act নহাৰ আগতো অসম চৰকাৰৰ Principal Chief Conservator of Forest য়ে প্ৰত্যেকটো Divisional Forest Commissioner ক notice দিছিলে, Conversion of For-est village into Revenue Villages. তাৰমানে Forest village সকলক Rev-enue Village Convert পাৰে বুলি দিছে আৰু ইয়াৰ কাৰণে Reference দিছিলে, In reference to the subject stated above it is to inform you that the Scheduled Cast and Scheduled Tribe Commission Ministry of Tribal Affairs New Delhi, desires that the Forest Villages of the State are to be converted to Revenue Village as per the direction of the Gov-ernment of India, Ministry of Environment and Forest. তাৰ পাছত Let-ter No. টো দি দিছে। You are also aware that as per National  Forest Policy and Forest Villages are to be converted to Revenue Village up till now 155 numbers of Forest Villages are converted to Rev-enue Villages in Himachal Pradesh. উদাহৰণো দিছে 2003 ত, তাত Himachal Pradesh. ত  155 numbers of Forest Villages has been converted to Revenue Village বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়,  তাৰ পাছত মেপ বিচাৰিছিলে, তাৰপাছত Principal Forest Conservator য়ে কৈছে, সকলো তথ্যপতি জমা দিব লাগে আৰু Convert কৰি দিব লাগে অসমৰ খিনিক বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়,  ইয়াৰ মতে, আমি পাৰো Convert কৰিবলৈ আৰু সেইটোৰ কাৰণে Forest Right Act য়ে কৈছে, এই গাইড লাইনয়ে কৈছে, গাওঁ সভাই, আমি প্ৰত্যেকটো গাওঁ সভাই, পঞ্চায়তৰ গাওঁ সভাই প্ৰস্তাৱ এটা গ্ৰহণ কৰি Subdivisional Level Committee  এখন আছে, Committee ক চাবমিট কৰিব লাগে যে, এইখিনি এইখিনি গাওঁ অঞ্চল, এইখিনি এইখিনি মানুহৰ  মাটিৰ পট্টা বা এই Forest Right  দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে আৰু Subdivisional Level Com-mittee য়ে এইটো পাচ কৰি District Level Committee ক দিব আৰু  District Level Committee  য়ে এইটো ঘোষণা কৰিব যে, এইটো পৰা যায় বুলি আৰু ইতিমধ্যে মই খবৰ এটা পাইছো WPT & BC Department য়ে আমাক খবৰ এটা দিছে ইতিমধ্যে Min-istry of Forest  and Environment ৰ পৰা ওপৰৰ পৰা Convert  কৰিব পাৰে বুলি এটা ৰিপৰ্টি দিছে আৰু এইটো ইমানদিন সহজ হৈ আছে উপায়বোৰ, এই কামবোৰ আমি নকৰাকৈ আছো আৰু  কি কাৰণে নকৰাকৈ আছো আমাৰ তৎপৰতাৰ অবিহনে। এতিয়া মই ডি চি অফিচত

ধৰিছো, ইমান সুন্দৰ প্ৰক্ৰিয়া আছে, এই প্ৰক্ৰিয়াৰ মাজত আমি কামটো কিয় নকৰো, তেতিয়া লাহে লাহে গম পালো কেছটো বেলেগ। তাৰমানে আমাৰ চাৰ্ভে হোৱা নাই, এইবোৰ জাগাত। Revenue Survey কৰা নাই, Forest Survey কৰা নাই, Forest ৰ সীমা ক'ত ,Revenue ৰ সীমা ক'ত অনিশ্চয়তাত আছে। যদি Survey কৰিব লাগে অধ্যক্ষ মহোদয়, টকাৰ প্ৰয়োজন। GPS Maping কৰিব পাৰে, সকলো Maping কৰি ধুনীয়াকৈ চেটেলইট লৈ Survey কৰিব পাৰে, সেইটো কাৰণে টকাৰ প্ৰয়োজন। এতিয়া এখন এখন জিলাত ৫০ লাখ, ১ কোটি টকা আমি প্ৰভাইড কৰিব পাৰো, ৩০-৪০ কোটি টকা ধাৰ্য্য কৰিব পাৰো গোটেই অসমৰ সমস্যাটো ছয় মাহৰ ভিতৰত সমস্যাটা সমাধান হৈ যাব। যদি আমাৰ, Land Survey Department য়ে অকলে নোৱাৰে, কিয়নো machinary নাই, Men Power নাই, কিন্তু outsourcing কৰিব পাৰে আজিকালি। গোটেই All India ত বহুত team আছে, outsourcing কৰিলে এখেতসকল চাৰ্ভে কৰিব, চাৰ্ভে ৰিপোৰ্টটো ছয়মাহৰ ভিতৰত যদি চাবমিট কৰি দিয়ে, ছয়মাহৰ পিছত আমি প্ৰক্ৰিয়া টো কৰি এক-দুই বছৰৰ ভিতৰত অসমৰ এই সমস্যাটো আমি স্থায়ীভাৱে সমাধান কৰিব পাৰো আৰু এক-দুই বছৰৰ ভিতৰত যিটো সমস্যা সমাধান কৰিব পাৰো, আজি ৭৫ বছৰ ধৰি যিসকল মানুহৰ against ত অন্যায় হৈ আছে, খিলঞ্জীয়া মানুহৰ against ত, ভূমিপুত্ৰৰ against ত এই অন্যায়বোৰ, মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ এটা অন্যায়টোৰ ন্যায় প্ৰদান কৰাৰ নিচিনা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মোৰ জোনাই সমষ্টিত, এনেকুৱা এটা কেছ আছে, 1953 ৰ পৰা Forest Department ৰ কেছ এটা চলি চলি original তাত, মিচিং দুখন গাওঁ against ত কেছটো চলিছিলে, 1958 ত মীমাংসা হৈছে আৰু 1958 ত কি বুলি মীমাংসা হৈছে, 1943 ত বৃটিছ যেতিয়া আছিলে, বৃটিছে তাৰমানে গালিৰিজাৰ্ভ ফৰেষ্টক, ৰিজাৰ্ভ ফৰেষ্ট বুলি notify কৰি থৈ গুচি গ'ল আৰু কৰি থৈ যোৱাৰ পিছত তাত যে original এই যে মিচিং গাওঁবোৰ আছিলে, সেই মিচিং গাওঁৰ against ত 1953 মানত Forest Department এ কলে যে, You are encrochers. কেচ দি দিলে আৰু কেচটো দিয়াৰ পাছত তেতিয়া 1953 ৰ পৰা Forest Minister এ কৰিলে কি নহয়, সিহঁতে কেচ চলাব নোৱাৰিব বুলি। মাটিৰ পট্টা দি দিয়া যাওঁক, বুলি কওঁতে, তেতিয়া Forest Department এ এটা চাৰ্কোলাৰ ওলাইছিলে যে, এইখিনি মানুহক আৰু এতিয়া আমি কেচ নলও আৰু কেচটো উঠাই লম, কিন্তু কি কৰিব লাগিব, যিহেতু Forest ৰ ভিতৰত আছে, এখেত সকলে ফ্ৰী হাজিৰা কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, বৃটিছৰ খেল। তাত যদি আছে, সময়ে সময়ে Forest Department এ আপোনাক বিচাৰিলে free labour আৰু শেষত সুন্দৰ ভাবে লিখিছে। Report টো মাননীয় অধ্যক্ষ মহোদয়, পাঠ কৰিলে 1958 ৰ report. Notice দিছিলে। Notice টো কাক দিছিলে, To The Divisional Forest Officer Lakhimpur, Division তেতিয়া অ-বিভক্ত লক্ষীমপুৰ জিলা। মাননীয় অধ্যক্ষ মহোদয়, To The Range Officer, Compounding Forest Case. The other day Shri Takot Doley and two other Miri Villegers of Gali Borbali Village came to the Divisional Forest Office, and complain that they do not know what amount they are to pay by each accused for compounding the case drawn up in 1955 against encrochers of Gali Borbali Miri. They have not been served with any notice nor they were explained as to what amount they are to

pay by each of the accused in this connection please my refer compounding order contain in the above noted quoted letter at per, Land Revenue and local rates are to be realised and detailed in the O/R from the year of detection of the case till the end of 1957-58.

এই কেচ ফৰেষ্টত থকা বাবে জৰিমনা ভৰিব লাগিব। Free Labour from each accused if he is an adult one should be realised from the year of detection end of 1957. Detection 1953 হৈছে গাঁৱত মানুহ আছে বুলি ৫ বছৰ ফ্রি লেবাৰ দিব লাগিব। প্রত্যোকটো Adulter compensation of Rs 5.00 only it is to be realised from each of the accused realisation of the above dues from each accused I can withdraw the case from the Court on receipt of compounding Report from you . I cannot stop the action of the Court unless the case are compounded as order- অধ্যক্ষ মহোদয় please enquire personally report the names of 40 Houses of Burisaki to whom the Hon'ble Forest Minister had given settlement and permission during 1953 at April in Gali Reserve Forest. please obtain the list of 40 Houses in writing from Sri Poaram Gam and same from Takut Doley and the case may be dropped and withdrawn from the Court. After approval and receipt of the report from the above if it has to happend so you need not realise compansation but you are to realise local revenue and free labour since 1955 to 1957 from these 40 Houses এইটো হ'ল আপোনাৰ divisional Forest Officer য়ে তেতিয়া ১৯৫৭ ত দিছিলে। অধ্যক্ষ মহোদয় আজিলৈকে এইখিনি গাওঁ recognised হৈ আছে Forest village বুলি। আজি ৭০ বছৰ হৈ গ'ল এইখিনি মানুহৰ ৰেভিনিউ কনভাৰ্ছন হোৱা নাই। কিন্তু আমাক আমাৰ তথ্যই কৈছে আইনে কৈছে। Revenue Gaon Convert হ'ব পাৰে অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয় মই এই সংকল্প প্ৰস্তাৱৰ জৰিয়তে মই অনুৰোধ জনাব বিচাৰিছো, মোৰ জোনাই সমষ্টিত বিশেষকৈ বাৰে বাৰে অধ্যক্ষ মহোদয়, আমি বঞ্চিত হৈ আছো। যোৱা ৩-৪ বছৰ আগত Agriculture University য়ে তাত কৃষি বিজ্ঞান গবেষণা কেন্দ্ৰ এটা কৰিব বুলি মাটি বিচাৰিছিল। আমি মাটি দিলো। ৰেভিনিউ য়ে ২০০ বিঘা লেণ্ড দিলে । কাম আৰম্ভ হৈ গ'ল কিন্তু এদিন ফৰেষ্টৰ বিষয়াই আহি মাটিখিনি ফৰেষ্ট লেণ্ড বুলি নোটিছ দিলে। এতিয়া জোট লাগি আছে। এনেদৰে আমাৰ কৃষক ৰাইজ আজি বঞ্চিত হৈ আছে। অধ্যক্ষ মহোদয় তাত already poly technic College হৈ গ'ল তাৰ কাষৰ মাটিটো দিলো। কিন্তু এই কনফিউজনৰ মাজত আৰু এটা ৰিপোৰ্ট আছে এই ৰিপোৰ্টটো কিমান দুখ লগা। ৮৪ many years back Revenue Deptt Report Many years back Cadestrial survey of Four Villages namely 1. Sonitpur were done and recently sent to D LR Office , Guwahati through D.C, Dhemaji but no NOC from Forest Deptt received as these areas are said to be under Gali Reseve Forest. তাৰমানে Revenue - cadestrial survey কৰি report পঠায়। ৪৭ চনত ৰিপোৰ্টটো

হৈছে সিদিনা বাৰে বাৰে ধৰি থকা বাবে ফৰেষ্টে এতিয়া ক্লিয়েৰেন্স দিছে। ৩০ বছৰ আগতে দিয়া হ'লে মানুহখিনিয়ে ম্যাদী পট্টা পালেহেতেন। অধ্যক্ষ মহোদয় এই কাৰবাৰটোৰ পৰা উদ্ধাৰ পাব লাগে । ইয়াত কোনকেইটা Department জড়িত চাওক- Revenue Department , Forest Department আৰু Forest Act মতে W & P T Department আৰু Panchayat Department । অধ্যক্ষ মহোদয় গাও স ভাত পাচ হ'ব বুলি সুন্দৰভাবে নিৰ্দ্দেশ দিয়া আছে। কিন্তু Sub Division Level Committee ত আৰু Dist. Level Committee ত ৰেভিনিউ ডিপাৰ্টমেন্ট, ফৰেষ্ট ডিপাৰ্টমেন্ট ট্ৰাইবেল এফেয়াৰ অফ ষ্টেট গৰ্ভমেন্ট , Three Members of Panchayatiraj Institution এইখিনিক লৈ কমিটি হ'ব তাত মেম্বাৰ থাকিব ২ জন এচ টিৰ এজন মহিলা সদস্য থাকিব। গোটেই প্ৰক্ৰিয়াটো আৰম্ভ কৰি চাৰ্ভে কৰি Revenue Conversion কৰিব পাৰে। এই কাৰণে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বিষয়টো যাতে চৰকাৰে গুৰুত্বসহকাৰে লয়। কিন্তু লৈছো বুলি ক'লেও নহ'ব অধ্যক্ষ মহোদয় বাজেটত টকাটো ধাৰ্য্য কৰিব লাগিব। বাজেটত প্ৰত্যেক জিলাত চাৰ্ভে কৰা পইচাটো ধাৰ্য্য নকৰিলে অকল প্ৰস্তাৱটো লৈ বহি থাকিলে নহ'ব । proper Survey কৰিব লাগে অধ্যক্ষ মহোদয়, proper Survey কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি এই প্ৰক্ৰিয়াটো অতি সোনকালে এটা টাৰগেট ঠিক কৰি আপোনাৰ নেতৃত্বত এটা মীমাংসা কৰিব লাগে। আজি ৫০-৬০ বছৰ ধৰি যিসকল মানুহ ভুগি আছে তেওঁলোকে উদ্ধাৰ পাব লাগে। তেওঁলোকক ন্যায় প্ৰদান কৰিব লাগে। আৰু এটা কথা অধ্যক্ষ মহোদয় মোৰ সমষ্টি চিলাপথাৰত Revenue Department কেনেকৈ চলি আছে ক'ব বিচাৰিছো। চিলাপথাৰ এখন সৰু টাউন। তাত মোৰ দেউতাই দিয়া মাটিটো ম্যাদী কৰিব বিচাৰি আছো। proposal আজি ১০ বছৰ আগতে দি থৈছো। প্ৰত্যেকবাৰ নিৰ্ব্বাচনত মিটিঙত চিলাপথাৰ টাউনৰ মানুহে ম্যাদী পট্টাৰ বাবে মুভ কৰে । যেতিয়া মিটিং হয় তাত মাটি ম্যাদি কৰাৰ প্ৰপোজেল বিলাক ধেমাজীলৈ পঠোৱা হয় । তাৰ পিছত দিশপুৰৰ ৰেভিনিউ ডিপাৰ্টমেন্টলৈ পঠোৱা হয়। তাৰ পিছত বিভাগে কেবিনেট ক্লিয়েৰেন্স লাগে বুলি ৰৈ থাকে। Cabinet clearence নোহোৱা বাবে ১০ বছৰ ধৰি ম্যাদী পট্টা হোৱা নাই। অধ্যক্ষ মহোদয় হাঁহি উঠা কথা হ'ল - ম্যাদি পট্টা লৈ যেতিয়া মানুহখিনি চিলাপথাৰ টাউনত গোট খায় , তেতিয়া ৰাইজে কয় বিধায়কৰে মাটিৰ পট্টা হোৱা নাই আমাৰ ক'ত হ'ব ? আলোচনা কৰি লাভ নাই। দুবাৰ বিধায়ক হোৱা মানুহজনৰে যদি পট্টা হোৱা নাই , আমি সাধাৰণ মানুহ আমাৰ কেনেকৈ হ'ব? আমি দিশপুৰত গৈ মাটি পট্টা কৰাটো সপোনৰ অগোচৰ বুলি এৰি দিয়ে। মই Revenue Departmentৰ highest Lavel ত বাৰে বাৰে কৈ আছিলো যে, ইয়াত কিয় হস্তক্ষেপ কৰিব লাগে ? বাকী মাটিৰ ক্ষেত্ৰত District Level ত হৈ যায় Land Advisory Board বা Land Advisory Committee ত D C Level ত মাটিৰ পট্টা দিয়ে. । এতিয়া চিলাপথাৰৰ নিচিনা ঠাইত কোনো এজন মানুহক ১ কঠা মাটি বা ডেৰ কঠা মাটি ম্যাদী কৰাৰ বাবে Secretariat ত বা Commissioner ৰ টেবুলত ফাইল কিয় আহিব লাগে মই বুজি নাপাও। এটা কথা চাব অধ্যক্ষ মহোদয় Land Advisory Committee ত M P থাকে, IAS OFFICER , D. C , Circle Officer , MLA সকল থাকে, জিলা পৰিষদৰ চেয়াৰমেন থাকে, সকলো থাকে , ডিষ্ট্ৰিক্ট লেভেলৰ চৰকাৰী বিষয়া থাকে তাত পাচ কৰা এটা প্ৰস্তাৱক বিশ্বাস নকৰি কিয় ফাইলটো দিশপুৰত ১০ বছৰ ঘুৰি থাকে । কি প্ৰয়োজন । চিলাপথাৰৰ এই মানুহ ঘৰে মাটি পাব লাগেনে নালাগে এইটো কেনেকৈ ঠিক কৰিব মই ক'ব

নোৱাৰো। মই ভাবো Land Law - Rules এই প্ৰক্ৰিয়াৰ মাজত সকলোখিনি ফচি আছে অধ্যক্ষ মহোদয়। ভাৰত স্বাধীন হোৱাৰ পিছত Forest Village হৈয়ে আছে। আজি ৭৫ বছৰ মানুহ বঞ্চিত হৈ আছে অকল এই retroism বাবে । ফাইল টেবুলে টেবুলে ঘুৰি থকাৰ বাবে আজি মানুহখিনি বঞ্চিত হৈ আছে। আইন -কানুনবিলাক আমাৰ পক্ষত কিন্তু ভালকৈ ব্যৱহাৰ নোহোৱা কাৰণে মই ভাবো মানুহখিনি বঞ্চিত হৈ আছে। মই অকল এখন সৰু টাউনৰ কথাহে কৈছো অসমত আজি লাখ লাখ মানুহ ভুগি আছে। স্বাধীন দেশৰ নাগৰিক হিচাপে, ভূমি পুত্ৰসকলে আজি ভুগি আছে। অধ্যক্ষ মহোদয়, এই পোৱাৰাম গাম আৰু তেওঁৰ নাতি পুতিসকলে যদি মাটিৰ পট্টা নাপায় তেনেহ’’লে চৰকাৰৰ ওপৰত সদায় ক্ষোভিত হৈ থাকিব। এই ক্ষোভবিলাকেই কেতিয়াবা বিস্ফোৰণ ঘটে। এই ক্ষোভবোৰেই খিলঞ্জীয়া মানুহক চৰকাৰ বিৰোধী এটা অৱস্থালৈ ঠেলি দিয়ে। মই আশা ৰাখিছো dereserve কৰাৰ দৰকাৰ নাই। dereserve কৰাৰ proposal central Government লৈ পঠিয়ালে এইটোৱে আৰু ২০ বছৰ লগাব। আমাৰ আইন-কানুন Forest Wright Act ৰ ভিতৰতে আছে, ৰেভিনিউ এক্টৰ ভিতৰতে আছে । মই পদ্ম হাজৰিকা ডাঙৰীয়াক এই প্ৰস্তাৱ অনাৰ বাবে ধন্যবাদ জনাইছো। এই প্ৰস্তাৱৰ ওপৰত বিধান সভাৰ মজিয়াত discussion অনা বাবে আৰু মোক বক্তব্য ৰখাৰ বাবে সুবিধা দিয়া বাবে আপোনাকো ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো অধ্যক্ষ মহোদয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰনোজ পেগু।

**ড° ৰনোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, অতি গুৰুত্ব পূৰ্ণ প্ৰস্তাৱটোৰ ওপৰত বক্তব্য ৰাখিবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ। লগতে মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়া ক ধন্যবাদ জনাইছো তেখেতে এই গুৰুত্বপূৰ্ণ প্ৰস্তাৱটো উত্থাপন কৰাৰ কাৰণে আৰু এই বিষয়টো ইমানে গুৰুত্বপূৰ্ণ, ইতিমধ্যে ভূৱন পেগু ডাঙৰীয়াই।

**শ্ৰী আব্দুল খালেক ঃ** এটা কেৱল চাৰ, Point of Order উত্থাপন কৰি থৈছো চাৰ।

**মাননীয় অধ্যক্ষ ঃ** পিছত কৰিব, মই দিম, তেনেকৈ নহয় কথাৰ মাজত নকৰিব Point of Order, please. মই allow কৰিম।

**ড° ৰনোজ পেগু ঃ** এইটো এটা নাগৰিত্বৰ লগত জড়িত এটা বিষয় এই কাৰণে আমি সকলোৱে জানো কেইটামান দিনৰ আগত পঞ্চায়ত নিৰ্বাচন অনুস্থিত হৈ গৈছে। সমগ্ৰ অসমৰ ৰাইজে পঞ্চায়ত নিৰ্বাচনত অংশ গ্ৰহণ কৰিছে, ভোট দান কৰিছে। কিন্তু প্ৰায় ১ লাখ জনসংখ্যাৰ লোক শোণিতপুৰ জিলাৰ যি উত্তৰ অঞ্চলত বসবাস কৰে ঢেকিয়াজুলী, বৰছলাৰ পৰা আৰম্ভ কৰি ৰঙাপাৰা, চতিয়া সমষ্টিলৈ তাৰ পৰা ১ লাখ জনসংখ্যালোক তেওঁলোকে তেওঁলোকৰ নাগৰিক অধিকাৰ সাব্যস্থ কৰাৰ কাৰণে পঞ্চায়ত নিৰ্বাচনত অংশ কৰাৰ পৰা তেওঁলোক সম্পূৰ্ণৰূপে বঞ্চিত। তেওঁলোকক বেদখলকাৰী সজাই ৰখা হৈছে আৰু পঞ্চায়ত ব্যৱস্থাৰ পৰা তেওঁলোকক সম্পূৰ্ণভাৱে আঁতৰাই ৰখা হৈছে। পঞ্চায়ত ব্যৱস্থাৰ পৰা যেতিয়া আতৰাই ৰাখিছে ইয়াৰ লগে লগে অধ্যক্ষ মহোদয়, তেওঁলোকে পঞ্চায়তৰ জৰিয়তে যি সমূহ তৃণমূল পৰ্য্যায়ৰ উন্নয়নৰ আঁচনি সেই আঁচনি সমূহৰ পৰাও এই সকল সৰহ সংখ্যক খিলঞ্জীয়া লোক, ভূমিপুত্ৰ লোক তেওঁলোক বঞ্চিত। তেওঁলোকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ নাপায়, তেওঁলোকে স্বচ্চ ভাৰত মিছনৰ অধীনত শৌচালয় নাপায়, সেই গাওঁবিলাকত বিদ্যুৎ যোগান নাই আৰু মই যোৱাকালি আলোচনা কৰিছিলো মাননীয় সদস্য অশোক সিংঘাল ডাঙৰীয়াৰ লগত, যে আপুনি বিধায়ক উন্নয়ন পুঁজিৰ পৰা এই অঞ্চল বিলাকত আঁচনি ল’ব পাৰে নে নোৱাৰে বা লৈছে নে লোৱা নাই? তেতিয়া তেখেতে মোক হাতযোৰ কৰি কৈছে যে মই বিধায়ক

আঁচনিও এই অঞ্চল বিলাকত দিব পৰা নাই কাৰণ এই অঞ্চলবিলাক বনাঞ্চল আৰু এই অঞ্চল বিলাকৰ এইখিনি ৰাইজক বেদখলকাৰী সজাই ৰখা হৈছে। ইয়াৰ লগত মোৰ যিটো ধেমাজীৰ বিধান সভা সমষ্টি, মোৰ সমষ্টিত প্ৰায় ৬ টা গাওঁ পঞ্চায়ত আছে যিসমূহৰ ৰাইজে তেওঁলোকে পঞ্চায়ত নিৰ্বাচনত অংশ গ্ৰহণ কৰে কিন্তু তেওঁলোকে বহু চৰকাৰী সা-সুবিধাৰ পৰা তেওঁলোকৰ মাটিৰ কাগজ নথকাৰ কাৰণে, পট্টাখন নাই কাৰণে তেওঁলোক বঞ্চিত। ইতিমধ্যে তীব্ৰ ক্ষোভ সূচনা হৈছে যে মুখ্যমন্ত্ৰীৰ যি সমগ্ৰ গ্ৰাম্য বিকাশ যোজনা সেই যোজনাৰ অধীনত প্ৰত্যেকখন গাঁৱলৈ এখন এখন ট্ৰেক্টৰ প্ৰদান কৰা হৈছে, তাৰ একো একোটা আত্মাসহায়ক গোট বা পথাৰ পৰিচালনা সমিতিক। কিন্তু যিমান সমূহ এই অঞ্চলত যিবিলাক ফৰেষ্ট বুলি কৈ থোৱা হৈছে সেই অঞ্চল বিলাকত কোনো খেতিয়ক ৰাইজে এই ট্ৰেক্টৰ বা এনেধৰণৰ অন্যান্য চৰকাৰী আঁচনি সমূহ তেওঁলোকে নাপায়। এইটো দেশৰ নাগৰিকৰ যি আমাৰ সংবিধান প্ৰদত্ব আমাৰ মৌলিক অধিকাৰ, এই মৌলিক অধিকাৰৰ পৰা এই অঞ্চলৰ খেতিয়ক ৰাইজক নাগৰিক সকলক সম্পূৰ্ণৰূপে বঞ্চিত কৰি ৰখা হৈছে আৰু বঞ্চিত কৰাৰ কাৰণে আজি এইটো অতি গুৰুত্বপূৰ্ণ হৈছে যে এই সময়ত আমি এনেকুৱা এটা সংকল্প প্ৰস্তাৱ লোৱাটোৱে নহয় এনেকুৱা এটা সংকল্প প্ৰস্তাৱ আমি কাৰ্য্যকাৰী কৰাব লাগিব। ইয়াত এই মুহূৰ্তত মই অসমৰ ইতিহাসৰ এটা কথা উনুকিয়াব বিচাৰো যে ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পাছত ১৯৫০ চনত অসমত বৰভুঁইকপ হৈছিল। বৰভুঁইকপ হোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ নদীখনৰ গতি বিধি সম্পূৰ্ণৰূপে সলনি হ'ল। সলনি হৈ তাৰ পিছৰে পৰা তীব্ৰ গড়াখহনীয়া আৰম্ভ হ'ল আৰু সেই গড়াখহনীয়াই কিমান মানুহক ভূমিহীন কৰিলে কিমান মাটি গড়াখহনীয়াই বহ্মপুত্ৰত জাহ যোৱালে, সেই তথ্য যদি বিচাৰো তেনেহলে এটা উদাহৰণেই যথেষ্ট যে ১৯৫০ চনৰ আগত নদী দ্বীপ মাজুলীৰ মাটিৰ কালি আছিল প্ৰায় ১২৫০ বৰ্গ কিলোমিটাৰ আৰু আজি যদি সেইটোৰ তথ্য লোৱা যায় মাত্ৰ ৬০০ বৰ্গ কিলোমিটাৰ। তাৰমানে মাজুলীৰ আধা অংশ মাটি ব্ৰহ্মপুত্ৰত জাহ গ'ল। কেৱল মাজুলীয়ে নহয়, মাজুলীৰ লগতে সংলগ্ন হৈ থকা ধেমাজী, ঢকুৱাখানা, লক্ষীমপুৰ বা নামনিৰ ফালে শোণিতপুৰ অঞ্চল ইয়াৰে হাজাৰ হাজাৰ নহয় লাখ হিচাপত হেক্টৰ মাটি ব্ৰহ্মপুত্ৰত জাহ গ'ল। এই নদীৰ পাৰত থকা এনেকুৱা এখন গাঁও নাই যিখন গাঁও বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্থ হৈ স্থানান্তৰিত হ'ব লগা হোৱা নাই। প্ৰত্যক খন গাঁও স্থানান্তৰিত হৈছে তেওঁলোকে অন্যান্য ঠাইত মাটি বিচাৰি গৈছে বা মাটিত তেওঁলোকে গাঁও পাতিছে। কিন্তু আহি আহি এতিয়া এনেকুৱা এটা অৱস্থা হৈছে যে এনেধৰণে যদি ১৯৫০ চনৰ নালাগে, এতিয়া আমাৰ যিসকল নতুনকৈ বানপানী ত ক্ষতিগ্ৰস্থ হৈছে ভূমিহীন হৈছে, স্থানান্তৰিত হৈছে তেনেকুৱা কোনো মানুহক ক'তো সংস্থাপন দিবৰ কাৰণে আমাৰ কোনো মাটি নাই। নিশ্চিত ভাৱে আমাৰ ৰিৰ্জাভ ফৰেষ্ট সমূহ আছে, ফৰেষ্ট সমূহ সংৰক্ষণ কৰিব লাগে, কিন্তু মানুহৰ কাৰণেও কিছু মাটি সংৰক্ষণ কৰিব লাগিব। ভৱিষ্যতে ১৯৫০ চনৰ নিচিনা আকৌ দূৰ্ঘটনা নহ'ব বা প্ৰাকৃতিক দুৰ্যোগ নহ'ব তেনেকুৱা কোনো কথা নাই, হ'ব পাৰে। যদি হয় তেনেহলে আমি এই মানুহ বিলাকক ক'ত সংস্থাপন কৰিম। আমাৰ হাতত যে মাটি নাই তাৰ এটা প্ৰমাণ হ'ল যে আমাৰ বিধান সভাৰ, আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ প্ৰথম বছৰতে আমি এটা সংকল্প লৈছিলো যে ডিব্ৰু ছৈখোৱা যিখন National Park, সেই ডিব্ৰু ছৈখোৱা National Park ৰ ভিতৰত ২ খনকৈ গাঁও আছে ঐতিহাসিক, অতিকৈ পুৰণি। ৫০-৪০ বছৰ আগৰ, ব্ৰিটিছৰ আগৰ পৰা থকা গাঁও। এখন হ'ল লাইকা আৰু এখন হ'ল দধিয়া। এই দুয়োখন গাঁও যিহেতু ডিব্ৰু ছৈখোৱা National Park হিচাপে ঘোষণা কৰা হ'ল এই ২ খন গাঁও তাৰ পৰা স্থানান্তৰিত কৰিব লাগে। কিন্তু আজিলৈকে এই ২ খন গাঁৱৰ ৰাইজক তাৰ পৰা স্থানান্তৰিত কৰাৰ কাৰণে আমি কতো

মাটি চৰকাৰেও বিচাৰি পোৱা নাই আৰু ৰাইজেও বিচাৰি পোৱা নাই। ইয়াতে এটা কথা আহে যে যি সময়ত আমাৰ যেতিয়া যিখনপুৰণি ব্ৰিটিছৰ দিনৰ আইন আছিল Indian Forest Act, 1927. এই এক্ট খনৰ অধীনত ৰিৰ্জাভ ফৰেষ্ট সমূহ declared কৰা হ'ল, ৰিৰ্জাভ ফৰেষ্ট সমূহ declared কৰোতে সেই ফৰেষ্টৰ ভিতৰত বসবাস কৰি থকা যিসকল খেতিয়ক ৰাইজ আছে, যিসকল খিলঞ্জীয়া মানুহ আছিল তেওঁলোকৰ ভৱিষ্যতৰ কথা সেই সময়ত চিন্তা নকৰিলে, সেই সময়ত অসমত থকা অসম চৰকাৰৰ দায়িত্বত থকা বিভাগ, বন বিভাগৰ দায়িত্বত থকা লোক সকলে যাৰ কাৰণে যেতিয়া ডিব্ৰু ছৈখোৱাক National Park হিচাপেও ঘোষণা কৰা হ'ল সেই সময়তো তেওঁলোকৰ কথা চিন্তা কৰা নহ'ল বা তাৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ কথা চিন্তা কৰা নহ'ল। আজি আমি বহুতে বুজি নাপাওঁ যে National Park আৰু Wildlife Sanctuary এই দুইটাৰ মাজৰ পাৰ্থক্যটো কি ? যে National Park বুলি যেতিয়া কৈ দিয়ে তাত কোনো ধৰণৰ মানুহৰ কাম-কাজ, কোনো ধৰণৰ Activities National Park ত ভিতৰত allow নহয়। National Park ৰ ভিতৰৰ পৰা আমি খৰি এডালো দাঙিব নোৱাৰো, National Park ৰ ভিতৰত আমাৰ কোনো গৰু-ছাগলী চৰিব নোৱাৰে। কিন্তু যেতিয়া Wildlife Sanctuary কৰি ৰখা হয়, যে Wildlife Sanctuary খনৰ ভিতৰত সেইটো আইনে permit কৰিছে যে তাত গৰু-মহ চৰিব পাৰে বা তাৰ যিবোৰ Minor Forest product, খৰি-খেৰ ৰাইজে আনিব পাৰে। কিন্তু ডিব্ৰু ছৈখোৱাখনক Wildlife Sanctuary কৰি নাৰাখি এইখন যেতিয়া National Park কৰি দিলে, National Park কৰি দিয়াৰ পাছত তাত খৰি এডাল, খেৰ এডালো কোনো মানুহে স্পৰ্শ কৰিব নোৱাৰে। তাত দুখনকৈ গাঁও আছে, সেই দুখনকৈ গাঁও অন্ধকাৰত থাকে। এটা NGO আহিলে যে গাঁও বিলাকত কিছুমান Solar Light দিবৰ কাৰণে। লগে লগে বনবিভাগে সেই Solar Light দিয়াৰ ব্যৱস্থাটোও বন্ধ কৰি দিলে। তাত কোনো ধৰণৰ চৰকাৰী আঁচনি ৰূপায়ণ কৰিবলৈ দিয়া নহয়। এবাৰ মিচিং অটোনমাচ কাউন্সিলে তাত এটা পথ বনাবলৈ আগবাঢ়িছিল লগে লগে ফৰেষ্ট বিভাগে আহি সেই পথটোৰ নিৰ্মাণ কাৰ্য্য বন্ধ কৰিলে। গতিকে এই ধৰণৰ যি বিলাক অমানবীয় সংবিধানিক, সংবিধান প্ৰদত্ব যি মৌলিক অধিকাৰ, মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা ঘটনা সংঘটিত হৈ আছে যিখিনি খুব সুন্দৰ ভাৱে মাননীয় বিধায়ক ভূৱন পেগু ডাঙৰীয়াই ইয়াতে ব্যাখ্যা দাঙি ধৰিছে তাৰ পৰিপ্ৰেক্ষিতত আজি ৰ তাৰিখত এইটো খুব গুৰুত্বপূৰ্ণ সিদ্ধান্ত হ'ব লাগে। এইটো আমাৰ সকলোৰে এই সংকল্প প্ৰস্তাৱটো গৃহীত কৰিব লাগিব আৰু গৃহীত কৰাই নহয় ইয়াক কাৰ্য্যকৰী কৰাব লাগিব। যে আমাৰ দেশৰ নাগৰিক, আমাৰ দেশৰ ভূমি পুত্ৰ, আমাৰ দেশৰ এইসকল খিলঞ্জীয়া মানুহ, যি সকল লোকে আজি কিছুমান বনাঞ্চল বুলি কৈ থকা অঞ্চলত তেওঁলোক বসাবাস কৰি আছে, তেওঁলোকে যি নাগৰিক অধিকাৰৰ পৰা সাংবিধানিক প্ৰদত্ব মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে তাৰ এটা সমিধান ইয়াৰ জৰিয়তে উলিয়াব লাগিব আৰু এইটো সমিধান উলিয়াবলৈ হলে ২০০৬ চনৰ যিখন Forest Act, The Schedule Tribe and other Traditional Forest Dweller Right Act,2006. এই এক্টখনৰ ভিতৰতে ইয়াৰ ব্যৱস্থা আছে যে আমি D-Reserve কিছুমান অঞ্চলক কৰিব লাগিব। D-Reserve কৰাৰ বাহিৰে আমাৰ কোনো বেলেগ গত্যন্তৰ নাই। আজি যদি আমি গহপুৰ বনাঞ্চললৈ যাওঁ, যিখিনি গহপুৰ বনাঞ্চল বুলি কয় তাত পকা ৰাষ্টা হ'ল, তাত ইলেক্ট্ৰীচিটি হ'ল, ডাঙৰ ডাঙৰ স্কুল-কলেজ হ'ল, তাত হস্পিটাল হ'ল কিন্তু কাগজে-পত্ৰই সেইখিনিও আজি ফৰেষ্ট হৈ আছে। মোৰ এতিয়াও মনত আছে মই ১৯৭৮ চনত মেট্ৰিক দিছিলো আৰু মেট্ৰিক দিয়াৰ আগমুহূৰ্ততে মই

ৰাজনীতিত জড়িত হৈছিলো। কিছুমান ঘটনাই মোক সেই সময়তে আৱেগিকভাৱে মোক জড়িত কৰাইছিল। ১৯৭৮ চনত দৈয়াঙত এটা উচ্ছেদ অভিযান চলিছিল, যিটো উচ্ছেদ অভিযানত সেই সময়ত নীলিমা দত্ত নামৰ এগৰাকী ছোৱালীৰ মৃত্যু হৈছিল। তাৰ পৰৱৰ্তীৰ বছৰটোত ১৯৭৯ চনৰ ৫ জানুৱাৰী তাৰিখে চুঙাজানৰ ঘটনা যিটো সীমান্ত সংঘৰ্ষ সংঘটিত হৈছিল, সেই সীমান্ত সংঘৰ্ষই হাজাৰ হাজাৰ মানুহক গৃহহীন কৰাই নহয়, শ শ মানুহৰ সেই সীমান্ত সংঘৰ্ষত মৃত্যু হৈছিল। কিন্তু সেই ১৯৭৮ চনতে যি সমস্যাই দেখা দিছিল সেই সমস্যাৰ মীমাংসা আজিও হোৱা নাই। দৈয়াঙৰ মানুহে আজিও মাটিৰ পট্টা পোৱা নাই। সেইখিনি সংঘৰ্ষ জৰ্জৰিত মানুহ, সেইখিনি ক্ষতিগ্ৰস্থ মানুহ তাৰে একাংশ মানুহ তাত থাকিব নোৱাৰি তেওঁলোক তাৰ পৰা পলাই আহিছিল, পলাই আহি তেওঁলোকে তামুলপুৰৰ বগাজুলি বনাঞ্চলত আশ্ৰয় গ্ৰহণ কৰিছিল। কিন্তু দুৰ্ভাগ্য এইটোৱে ১৯৮৬ চনত পুনৰ বগাজুলি বনাঞ্চলতো সেই মানুহখিনিৰ ওপৰত সেই উচ্ছেদ অভিযান চলিছিল পুনৰ তেওঁলোকক তাৰ পৰা উঠাই দিয়া হৈছিল। এইটো দেশৰ নাগৰিকৰ প্ৰতি, মানুহৰ প্ৰতি বছৰি বছৰি কৰি থকা এই যি অন্যায় আছে, এই অন্যায় কৰবাত নহয় কৰবাত নহয়, এটা অন্ত পেলাব লাগিব। আৰু তাৰ কাৰণে মই সকলো সদস্যক মই আহ্বান জনাওঁ আৰু চৰকাৰক আহ্বান জনাওঁ যে আমি এক দৃঢ় সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰি ইয়াক খুব সোনকালে আমাৰ দেশৰ যি নাগৰিক সকল আছে, সেই নাগৰিক সকলৰ তেওঁলোকৰ অধিকাৰ প্ৰদান কৰিব লাগে। তাৰ লগতে আমি ভৱিষ্যতৰ কাৰণে আজি আমাৰ হাতত যিহেতু মাটি নাই PGR/VGR বিলাকো Supreme Court ৰ আদেশৰ কাৰণে মাটিৰ পট্টন বন্ধ হৈ আছে। সেইহে আমাক কিছু Buffer Land Stock লাগে। আজি Land Bank ৰ কথা কৈছো কিন্তু গাওঁ বিলাকত আজি মাটি পাবলৈকে নাই, আমাৰ কৰবাত কিবা দুৰ্যোগ হ'লে বা ডাঙৰ অনুষ্ঠান প্ৰতিস্থান পাতিবলৈ আমাৰ মাটি নাই। এই মাটি যদি উলিয়াব লাগে তেতিয়া হ'লে যি বিলাক নামত কাগজে পত্ৰই বা ফাইলত বনাঞ্চল হৈ আছে, কিন্তু প্ৰকৃতাৰ্থত এই বিলাক ইতিমধ্যে জনাঞ্চললৈ পৰিৱৰ্তিত হৈছে। এই যি বিলাক অঞ্চলত কোনো ধৰণৰ গছ-গছনি নাই, সেই অঞ্চল বিলাক De-reserve কৰি আমাৰ এটা Buffer Land Area সৃষ্টি কৰিব লাগে, আমাৰ Land Bank কিছু পৰিমাণে সৃষ্টি কৰিব লাগে। আৰু এইটো কৰাৰ কাৰণে এইখন বিধান সভাই এটা বলিষ্ঠ পদক্ষেপ ল'ব বুলি মই আহবান জনাই এই সংকল্প প্ৰস্তাৱটো যিটো মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই উত্থাপন কৰিছিল সেইটো গৃহীত কৰাৰ কাৰণে পূৰ্ণ সমৰ্থন আগবঢ়োৱোৰ লগতে আৰু আপুনি মোক কথাখিনি কোৱাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী আব্দুল খালেক ডাঙৰীয়াই কিবা এটা ক'ব বিচাৰিছিল Point of Order ৰ ক্ষেত্ৰত।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰুল বুকত লিখা আছে যে Resolution ৰ ওপৰত সৰ্বাধিক ১৫ মিনিট হে কব পাৰিব, সেইটো অকনমান আপুনি চাই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ এই ক্ষেত্ৰত ভূবন পেগুয়ে ক'লে ১৮ মিনিট আৰু ৰণোজ পেগুয়ে ক'লে ১৪ মিনিট।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ড° ৰণোজ পেগুৰ কথাটো মই ধৰা নাই চাৰ, যিহেতু আমাৰ ৰুল বুকত এই বিষয়ে লিখা আছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে মই গোটেইখিনি বস্তু চাই আছো।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Rule Book ত লিখা আছে যে মন্ত্ৰীয়ে উত্তৰ দিওঁতে ৩০ মিনিট সময় হে ল'ব পাৰে, কিন্তু আমাৰ মন্ত্ৰী বিলাকে উত্তৰ দিওঁতে বহুত সময় লয়।

**মাননীয় অধ্যক্ষ** ঃ মোৰ ভাল লাগিছে আপোনালোকে এই বিলাক কথাত Support দিয়াৰ কাৰণে । এতিয়া মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী ।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী(মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই পবিত্ৰ সদনত শাসকীয় দলৰ বিধায়ক শ্ৰী পদ্ম হাজৰিকা দেৱে যিটো সংকল্প প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে, ইয়াৰ ওপৰত সমৰ্থন জনাই অংশ গ্ৰহণ কৰিবৰ কাৰণে মোক সুবিধাৰ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে অসমৰ লাখ লাখ জনতাৰ স্বাৰ্থ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি স্থায়ী ভাৱে ভূমিহীন হৈ আজি যি সকলে এই অসমত জীয়াই থাকিব লগীয়া হৈছে তেওঁলোকৰ প্ৰতি লক্ষ্য ৰাখি তেখেতে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সদনত উত্থাপন কৰিছে, ইয়াৰ বাবে মই হাজৰিকা দেৱলৈ ধন্যবাদ জ্ঞাপন কৰিছো। আজি কবলৈ গলে গোটেই অসমত আমাৰ Forest Area, Reserve Forest য়ে হওঁক বা Reserve নকৰা Forest য়ে হওঁক, এই বনাঞ্চল সমূহত লাখ লাখ মানুহে বিশেষকৈ অসমীয়া বিলাকে বসবাস কৰি আছে। আইনগত কিছুমান কাৰণত এই বনাঞ্চল বিলাকত বসবাস কৰা ৰাইজক ভূমি অধিকাৰ প্ৰদান কৰা ব্যৱস্থাটো যোৱা দিন বিলাকত নহ'ল কিন্তু আমি এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ দিব লাগিব যে যোৱা ২০০৬ চনত যি Forest Area বিলাকত বসবাস কৰা নাগৰিক সকলৰ কাৰণে ভূমিপট্টা প্ৰদান কৰা যিটো আইন বনোৱা হ'ল ইয়াৰ ফলত বছৰ বছৰ ধৰি বনাঞ্চলত বসবাস কৰা জনসাধৰণক ভূমিপট্টা অধিকাৰ প্ৰদান কৰাৰ ৰাস্তাটো স্পষ্ট হৈ পৰিছে। অতি দুখৰ বিষয় ইমান বছৰ লৈকে এই বনাঞ্চল সমূহত বসবাস কৰা আমাৰ মানুহ বিলাকে যদিও তেওঁলোক ভাৰতীয় নাগৰিক বা অসমৰে অসমীয়া মানুহ তথাপিও আমি তেওঁলোকক নাগৰিকৰ অধিকাৰৰ পৰা বঞ্চিত হৈ এই অঞ্চল বিলাকত বসবাস কৰা আমি দেখিবলৈ পাইছিলো। এই কথাটো কিন্তু সত্য যে সংবিধানে এই সকলো মানুহ বিলাককো জীয়াই থাকিবলৈ মৌলিক অধিকাৰ প্ৰদান কৰিছে আৰু মানৱ অধিকাৰ প্ৰদান কৰিছে। কিন্তু তেখেত সকলে এইবোৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। এটাই মাত্ৰ অধিকাৰ তেখেত সকলক দিয়া হৈছে সেইটো হৈছে ভোটাধিকাৰ। এই বনাঞ্চলৰ কিছু মান অঞ্চলত বা গাওঁ বিলাকত য'ত মানহ বিলাকে বসবাস কৰি আছে তেখেত সকলে সংসদীয় নিৰ্বাচন বা MP Election ত কিন্তু আমাৰ প্ৰতিনিধি বিলাকক ভোট দি জয়যুক্ত কৰি আহিছে। চৰকাৰ বনালে দল বিলাকে গৈ এইবোৰ অঞ্চলত Campaign কৰিবলৈ যাওঁতে আমি আপোনালোকৰ ভোট লৈছো আপোনালোকৰ গাওঁ বিলাকক Revenue কৰিবৰ কাৰণে, ভূমিৰ অধিকাৰ প্ৰদান কৰিবৰ কাৰণে আমি সৰ্বশক্তিৰে এই কথাটো বিধান সভাত উত্থাপন কৰিম, আমি আইন বনাম, আমি আপোনালোকক অধিকাৰ প্ৰদান কৰিম। এই বিলাক প্ৰতিশ্ৰুতি প্ৰতিটো দলৰ পৰাই বনাঞ্চলত বসবাস কৰি থকা মানুহ বিলাকক দিয়া হৈছিল, কিন্তু বছৰ বছৰ ধৰি এই প্ৰক্ৰিয়াৰে চলি থকাৰ পিছতো কিন্তু আমি দেখিবলৈ পালো যে চৰকাৰ হৈ গ'ল, নিৰ্বাচনো পাৰ হৈ গ'ল কিন্তু সেই মানুহ বিলাকৰ যিটো মৌলিক অধিকাৰ, সাংবিধানিক যিটো অধিকাৰ, জীয়াই থকাৰ কাৰণে আমাৰ যি এডোখৰ ভূমিৰ প্ৰয়োজন আছে সেইখিনি কাৰ্য্যকৰী কৰাটো আমি কিন্তু দেখা নাপালো। আজি এই কথাটো স্পষ্ট যে ২০০৬ চনত যি Forest Right Act বনোৱা হ'ল আৰু ইয়াৰ যোগেদি এই বনাঞ্চল বিলাকত বসবাস কৰা জনগণক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ ৰাস্তাটো স্পষ্ট হৈ গ'ল। আজি ২০০৬ চনৰ পৰা ২০১৯ চনলৈকে ১৩ বছৰ পাৰ হৈ গল কিন্তু এই ১৩ বছৰৰ

পিছতো আজি অসমত পূৰ্ণাঙ্গৰূপে কিহৰ কাৰণে এই আইন কাৰ্যকৰী কৰা হোৱা নাই। কিয় এতিয়ালৈকে আংশিক ভাৱে ৰূপায়ন কৰা হ'ল সেইটো এটা ডাঙৰ প্ৰশ্ন। ক'ত আছে খেলি মেলি, চৰকাৰৰ সদিচ্ছাৰ অভাৱ নে তেওঁলোকৰ Machinery য়ে কাম কৰাত সহায় নকৰে, নে যি বিলাক ইয়াৰ লগত জড়িত বিভাগ আছে WPT, Forest, P&RD আৰু আমাৰ জিলা পৰ্য্যায়ত যি বিলাক বিষয়া, মহকুমা, জিলা যি বিলাকক লৈ আজি কমিটি গঠন কৰা হয় যেনে Sub-division level, District Level এই বিলাকত কিবা খেলি-মেলি আছে নেকি, নে চৰকাৰত কিবা খেলি-মেলি আছে নে পাৰস্পৰিক আমাৰ যিটো সহযোগীতা আগবঢ়াই ক্ষিপ্ৰতাৰে এই আইনখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত কাম কৰিব লাগে আৰু কিহৰ কাৰণে আজিলৈকে এই কামটো সম্পূৰ্ণ হৈ উঠা নাই সেইটো এটা বিচাৰ্য্য বিষয়। কিয়নো ১৩ বছৰ সময় কম সময় নহয়, গতিকে আজি যিটো সংকল্প প্ৰস্তাৱ ইয়াত আনিছে এই ক্ষেত্ৰত মই ভাবো যে এই প্ৰস্তাৱৰ যোগেদি আমাৰ এই চৰকাৰখনে যিহেতু আকৌ আঢ়ৈ বছৰ শাসন কৰাৰ সময় পাইছো, সেইখিনি সময়ত যোৱা ১৩ বছৰত কৰিব নোৱাৰা কামটো সম্পূৰ্ণ ভাৱে কৰি আমাৰ জনসাধাৰণৰ যিটো ভূমিৰ অধিকাৰ সেইখিনি প্ৰদান কৰিবৰ কাৰণে ক্ষিপ্ৰতাৰে এটা পদক্ষেপ লব বুলি মোৰ এটা বিশ্বাস আছে। আজিৰ এই পবিত্ৰ সদনত আমাৰ বিধায়ক শ্ৰী ভূৱন পেগু ডাঙৰীয়া আৰু শ্ৰী ৰণোজ পেগু ডাঙৰীয়ায়ো তথ্য সহকাৰে বহুতো যুক্তি দৰ্শাইছে আমি স্পষ্ট ভাৱে গম পাইছো যে অসমৰ প্ৰায় প্ৰতিখন জিলাতে Forest Area ত কম বেচি পৰিমানে প্ৰধানকৈ ট্ৰাইবেল জনগোষ্ঠীয়, নেপালী, আদিবাসী লোক সকলৰ লগতে কিছু থলুৱা জেনেৰেল কাষ্টৰ মানুহ বিলাকেও বসবাস কৰিবলৈ লৈছে। আজি জনগোষ্ঠীয় লোক সকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ কাৰণে Tribal Belt & Block ৰ অধীনত যি আইনী ব্যৱস্থা আছে, সেই Tribal Belt & Block ৰ আইনী ব্যৱস্থা পূৰ্ণাংগ ভাৱে ৰূপায়ণ বা কাৰ্যকৰী নকৰাৰ কাৰণেই ট্ৰাইবেল জনগোষ্ঠীয় লোক সকলৰ মাটি বাৰী আদি বেলেগৰ হাতলৈ গুচি গ'ল। Tribal Belt & Block ৰ আইনী ব্যৱস্থাৰ অধিনতে ট্ৰাইবেল জনগোষ্ঠীয় লোক সকল আজি ভূমিহীন হব লগা হল। ট্ৰাইবেল জনগোষ্ঠিয় লোক সকলৰ মাতৃভূমিৰ ওপৰত কৃত্ৰিম পৰিবেশৰ সৃষ্টি কৰি আক্ৰমণ কৰা হ'ল যাৰ ফলত জনগোষ্ঠীয় লোক সকলে বসবাসৰ বাবে মাটি বিচাৰি হাবি-জংঘলৰ মাজলৈ সোমাই যাব লগা হৈছে আৰু কিছু সংখ্যকে বানপানী, গড়াখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগ আদি বিভিন্ন কাৰণত Alternative Land ৰ Arrangement নোহোৱাৰ বাবেও আজি তেওঁলোকে বেআইনী ভাবে হলেও হাবি-জংঘলৰ মাজলৈ সোমাই যাবলৈ বাধ্য হৈছে। পূৰ্বৰ পৰা এই মানুহখিনিৰ ওপৰত চৰকাৰৰ সুদৃষ্টি নপৰাৰ কাৰণে হাজাৰ হাজাৰ ভূমিহীন লোক এইদৰে থাকিব লগীয়া হৈছে। মানুহ হিচাপে জীয়াই থাকিবলৈ মাটি লাগে, মাটি নহ'লে মানুহ ক'ত থাকিব? সেইবাবে এই শ্ৰেণীৰ মানুহখিনিয়ে থাকিবলৈ মাটি বিচাৰি বনাঞ্চলত বসবাস কৰিবলৈ বাধ্য হৈছে, আচলতে বন বিভাগেই থাকিবলৈ দিছে, থাকিবলৈ দিয়াটো হয়তো ভুল হৈছে। কিন্তু বন বিভাগে মানুহ খিনি থাকিবলৈ লওঁতে প্ৰথমতেই কিয় বাধা নিদিয়ে। দুই তিনি বছৰ পাৰ হৈ যোৱাৰ পাচত এই বিভগে Eviction ৰ কাম হাতত লয়। নিগাজিকৈ বসবাস কৰাৰ পাচত মানুহ বিলাক সেই ঠাই এৰি যাবলৈ সন্মত নহয় আৰু সময় যোৱাৰ লগে লগে বিভাগীয় বিষয়া সকলেওঁ Eviction ৰ প্ৰক্ৰিয়াটো বন্ধ কৰি দিয়ে। এইদৰে লাহে লাহে বনাঞ্চলত বিলাকত গাঁৱৰ সৃষ্টি হ'ল আৰু প্ৰায় ৩০/৪০/৫০ বছৰ ধৰি এই বনাঞ্চলত বিলাকত ভূমিহীন লোক সকলে নিগাজিকৈ বসবাস কৰিবলৈ ল'লে। আজি ইয়াত শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰি আলি, গহপুৰৰ ঢেকীয়া অঞ্চলৰ কথা উল্লেখ কৰিছে, কিন্তু আজি প্ৰায় ১৯৭৪ চনৰ পৰা এই অঞ্চলত গাওঁ পাতি বসবাস কৰি আহিছে। যিহেতুকে

চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সুযোগ সুবিধা পোৱা নাই, সেই গতিকে এই অঞ্চলৰ মানুহ বিলাকে অশেষ কষ্ট কৰি নিজৰ গাঠিৰ ধন ভাঙি স্কুল আদি স্থাপন কৰিছে। অৱশ্যে কিছু কিছু অঞ্চলত বন বিভাগে Eviction কৰি সেই স্কুল বিলাকো ভাঙি দিয়াৰ অনেক উদাহৰণ পোৱা যায়। এই অঞ্চলৰ মানুহ বিলাকে বন বিভাগৰ ফালৰ পৰা তেনেকুৱা কোনো ধৰণৰ Aggressive Action যিহেতুকে পোৱা নাই গতিকে তেওঁলোকেওঁ ভাবি লৈছে যে এই বিলাক অঞ্চল বিলাকত আৰু Forest নহয়, এইটো হ'ল তেওঁলোকৰ Psychological Development. যিহেতুকে এই Psychological Development টো এতিয়া Forest Department Officer ৰ মাজলৈকে আহি গল, গতিকে that should be formalized, that should be translated into the Act and according to The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006, it should be executed. গতিকে বনাঞ্চলত বসবাস কৰা লোক সকলে তাত আৰু বনাঞ্চলত নহয় বুলি এটা Psychological Development হৈছে আৰু সেই বাবেই Forest Land বিলাক occupy কৰি আছে। সেয়েহে, The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006, ৰ আধাৰত এই লোক সকলক সেই অঞ্চলতে থাকিবলৈ দিয়ক আৰু এই আঢ়ৈটা বছৰৰ ভিতৰতে এই আইনখন বাস্তবায়িত কৰিব লাগিব বুলি মই আজি সদনত দাবী জনাইছো।

আনহাতে এই বিষয়টোত Dereservation ৰ কথাও যিহেতু জড়িত হৈ আছে। The matter of Draservation of Forest is a long back process. মই ভাৱো যে Govt. of India ই agree নকৰাৰ এটা উদ্দেশ্য আগত ৰাখিয়েই এই 2006 ৰ Act খন নিশ্চয় এটা alternative ব্যৱস্থা হিচাপে আনিছে, কাৰণ বেছি বনাঞ্চল থকা এলেকা বিলাকত আমি যদি Dereserve কৰাৰ এটা প্ৰক্ৰিয়া আৰম্ভ কৰো, তেনেহলে এনেধৰণৰ উদাহৰণ ভবিষ্যতেও আহি যাব পাৰে। গতিকে আকৌ Forest reservation ৰ প্ৰক্ৰিয়া ল'ব লগা হ'ব পাৰে। সেয়েহে Govt. of India ই এই ব্যৱস্থাটো divert and demoralize কৰাৰ কাৰণে The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006 আইনখন আমাৰ হাতত তুলি দিছে আৰু এই আইন খনেই আমাৰ বনাঞ্চলৰ গাওঁ বিলাকত বসবাস কৰা লোক সকলক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব বুলি ভাবো।

আজিৰ সদনে সৰ্বসন্মতি ক্ৰমে শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়া দেৱে যিটো সংকল্প প্ৰস্তাৰ আনিছে, আমাৰ প্ৰতিটো দলৰ সকলো বিধায়কেই মানৱীয়তাৰ খাতিৰত নিশ্চয় সমৰ্থন জনাব। এই ভূমিহীন মানুহ বিলাক সাংবিধানিক মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ জীয়াই থাকিব লগীয়া হল, ভাৰতীয় নাগৰিক হিচাপে জীয়াই থকাৰ ক্ষেত্ৰত যিবিলাক হেঙাৰ হিচাপে আছিল সেইবিলাক আঁতৰাবৰ কাৰণে এই প্ৰস্তাৱটোক পূৰ্ণ সমৰ্থন আগবঢ়ায় নিশ্চয় ৰূপায়ন কৰাৰ কাৰণে ব্যৱস্থা ল'ব। এইটো ৰূপায়ণ কৰোতে যাতে কোনো অফিচাৰে নিজৰ নিজৰ দায়িত্ব গ্ৰহণ কৰাত গাফিলতি নকৰে, তেখেত সকলৰ activity যাতে Positive Form ত হয়, ইয়াৰ কাৰণে আমাৰ অসমৰ Chief Secretary ৰ নেতৃত্বত এখন Committee গঠন কৰাৰ প্ৰয়োজন আছে। ভূমি অধিকাৰ প্ৰদান কৰাৰ লগতে Forest Area ৰ Revenue Conversion কৰিববৰ কাৰণে ইতিমধ্যে আইনত অন্তৰ্ভুক্ত কৰা হৈছে। এতিয়া কোনটো District কোনটো Sub-division ত কেনে ধৰণে কাম

আগবাঢ়িছে, কোনটো বিভাগে কেনে দৰে কাম কৰি আছে, কোন Officer এ সদিচ্ছাৰে কাম কৰা নাই এইখিনি কামকাজ চোৰাচিতা কৰাৰ কাৰণে Chief Secretary ৰ নেতৃত্বত এখন Committee গঠন কৰিব লাগে আৰু এই Committee এ সকলো বিলাক Examine কৰি তিনিমাহৰ মূৰে মূৰে প্ৰতিবেদন দাখিল কৰিব লাগিব। আমি প্ৰায়ে শুনিবলৈ পাওঁ যে কিছুমান অফিচাৰে গুৰুত্ব সহকাৰে নিজৰ দায়িত্ব পালন নকৰে।এইটো যদি সচাকৈয়ে হয় তেতিয়া হ'লে আজি যি আলোচনা কৰিলো সেইটো বাস্তৱত ৰূপায়িত কৰাটো ইমান সহজ নহ'ব। সেইকাৰণে There should be a State Level Committee headed by the Chief Secretary, Assam to monitor the process of implementation. মই ভাবো এইটো যদি হয় আমাৰ আশা পূৰণ হ'ব। যিটো লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি আজি যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেইটো আজি পবিত্ৰ সদনত আলোচনা কৰা হ'ল। এইটো এটা ঐতিহাসিক পদক্ষেপ। এইক্ষেত্ৰত আমাৰ চৰকাৰ খনে সফল হৈ এটা ইতিহাস ৰচনা কৰিব পাৰিব বুলি মোৰ বিশ্বাস, আৰু ইয়াকে কৈ এই প্ৰস্তাৱৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰীবিনোদ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই প্ৰস্তাৱ আনিছে। প্ৰস্তাৱটো যথেষ্ট এটা গুৰুত্বপূৰ্ণ স্থগিত সংকল্প প্ৰস্তাৱ আৰু বিশেষকৈ মই ক'ব বিচাৰিছো অলপ আগতে আমাৰ ওপৰোক্ত বক্তা ৰনোজ পেগু ডাঙৰীয়াই তেখেতৰ বক্তব্যত ডিব্ৰু-চৈখোৱাৰ কথা আনিছে। তথাপি ডিব্ৰু-চৈখোৱাৰ বিষয়ে মই এইকাৰণে দুআষাৰ ক'বলৈ বিচাৰিছো যে আমাৰ এই ৰাষ্ট্ৰীয় উদ্যানখনক ১৯৯৯ চনত ৰাষ্ট্ৰীয় উদ্যান হিচাবে ঘোষণা কৰা হ'ল আৰু ইয়াৰ আগতে ১৯৫২ চনৰ পৰা ১৯৫৫ চনলৈকে ডিব্ৰুগড় জিলাৰ দধিয়াৰ এই ৰিজাৰ্ভ বনাঞ্চললৈ আমাৰ মিচিং জনগোষ্ঠীৰ ৭০ ঘৰ লোক প্ৰথমতে আহিছিল আৰু লাইকাত যিখন গাওঁ আছে তাত ১৯৫২ ৰ পৰা ১৯৫৫ লৈকে ৯০ ঘৰ লোক আহিছিল আৰু ক্ৰমান্বয়ে ইয়াৰ হাউচ হোল্ড এতিয়া হ'লগৈ প্ৰায় ১৪৪৭ ঘৰ আৰু ইয়াৰ জনসংখ্যা ৬৭২৫ হোৱা বুলি চেনচাচে দেখাইছে। যোৱাবাৰ বাজেট অধিবেশনত প্ৰথমবাৰ যেতিয়া আমি বিধায়ক হিচাবে আহিছিলো তাত আমি দেখিবলৈ পাইছিলো যে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত থকা দধিয়া আৰু লাইকাক জীৱিকাৰ আৰ্হিৰে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কাৰণে ১০ কোটি টকা মুকলি কৰি দিয়া হৈছিল আৰু সেই সময়ত মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই বিভাগীয় মন্ত্ৰী শ্ৰীমতী প্ৰমীলা ৰাণী ডাঙৰীয়ানীক তিনিচুকীয়া জিলালৈ পঠিয়াইছিল। বিভাগীয় বিষয়া সকলৰ লগতে দুইখন জিলা উপায়ুক্ত আৰু ডি এফ অ সকলৰ লগত আমি বৈঠকত মিলিত হৈছিলো। ইয়াৰ পিছত প্ৰাৰম্ভিক পৰ্য্যায়ত কিছুমান আলোচনা চলি আছিল আৰু সেই আলোচনা চলি থকাৰ সময়তে দধিয়াৰ ৭ খন গাঁৱৰ কিছু ৰাইজে বাহ গাড়ী লৈ গড়াখহনীয়াৰ কাৰণে খিলবাৰীৰ তাৰণীলৈ ওলাই গ'ল। সেইসময়ত তাত এটা ডাঙৰ সংঘৰ্ষৰ সৃষ্টি হ'বলৈ আগবাঢ়িছিল। প্ৰায় তিনিদিন ধৰি তেওঁলোকে তাৰপৰা ওলাই অহা নাছিল। তাৰণী বনাঞ্চলত মৰাণ জনগোষ্ঠীৰ যিসকল লোক আছে তেওঁলোকেও এই লোক সকলক তাত থাকিবলৈ নিদিয়াৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। সেইসময়ত লগে লগে আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াণী তিনিচুকীয়ালৈ আহিছিল আৰু জনগোষ্ঠীয় সংগঠনৰ লগতে টি এম পি এ ৰ যিসকল লোক তাত উপস্থিত আছিল তাত আমাৰ স্বাক্ষৰ হৈছিল আৰু লিখিত ভাৱে প্ৰশাসনৰ ফালৰ পৰা দিয়া হৈছিল যে দধিয়া আৰু লাইকাক আমি পুনৰ সংস্থাপন দিম। এইক্ষেত্ৰত প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়াণী থকালৈকে কাম বিলাক দ্ৰুত গতিত আগবাঢ়ি আছিল। পঞ্চায়ত নিৰ্বাচনৰ আগে আগে যেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ গৃহ গাওঁ বিন্ধাকতা পঞ্চায়তৰ দুটা ৱাৰ্ডত ইলেকশ্যনেই নহ'ল। এই

বিষয়টোৰ কাৰণে তেওঁলোকে তাত নিৰ্বাচন বৰ্জন কৰিলে। গতিকে এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয় কাৰণ চৰকাৰী ভাৱে আমি তেওঁলোকক একোৱে দিব নোৱাৰো। কাৰণ তেওঁলোকে পঞ্চায়তত ভোটাধিকাৰ সাব্যস্ত্য কৰিব পাৰে কিন্তু চৰকাৰী ভাৱে আমাৰ যিবিলাক আঁচনি থাকে তাত আমি তেওঁলোকক চৰকাৰী ভাৱে অন্তৰ্ভুক্ত কৰিব নোৱাৰো। মাছ মৰাৰ ক্ষেত্ৰটো তেওঁলোকক বন্ধ কৰা দেখিবলৈ পোৱা গৈছে বা বহু সময়ত তাত থকা কিছু লোকে বনৰীয়া জীৱ-জন্তু যেনে হৰিণা পহু, বন গাহৰি, বনৰীয়া ম'হ ইত্যাদিৰ কিছুমান কাম চোৰাং ভাৱে কৰিবলৈ বাধ্য হোৱা দেখা গৈছে। এইটো আইন মতে একেবাৰে দণ্ডণীয় কিন্তু বাধ্য হৈ তেওঁলোকে কৰিব লগা হৈছে কাৰণ বানপানী, গড়াখহনীয়াই তেওঁলোকক সম্পূৰ্ণভাৱে বিধ্বস্ত কৰিছে। তেওঁলোকে সেইসময়ত চিকাৰ নকৰিলে বা কাঠ, বাঁহ বন নাকাটিলে জীয়াই থকাৰ উপায় নাই। এই বিষয়ত মাননীয় বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়া দেৱে অতি গুৰুত্ব সহকাৰে যিটো সংকল্প প্ৰস্তাৱ আনিছে সচাঁকৈয়ে গুৰুত্বপূৰ্ণ। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত ট্যুৰিজ্যিম ডেভেলপমেণ্টৰ কাৰণে প্ৰায় ২০ কোটি টকাৰ প্ৰজেক্ট চলি আছে। গতিকে যি সময়ত আমি ট্যুৰিজিম ডেভেলপমেণ্টৰ কাৰণে আগবাঢ়িছো সেইসময়ত যদি ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা তেওঁলোকক আমি উলিয়াই লৈ নাহো, পুনৰ সংস্থাপন নিদিওঁ তেনেহ'লে কিন্তু আগন্তুক দিনত ভয়ানক পৰিস্থিতিৰ সৃষ্টি হ'ব। কাৰণ আজি ৬৭ বছৰে তেওঁলোক তাত জীৱিকা নিৰ্বাহ কৰি আছে আৰু সেই সময়ত আমি তেওঁলোকক একো সহায় কৰিব পৰা নাই। বানপানী হোৱাৰ সময়ত তেওঁলোকে তিনিচুকীয়া, চাবুৱা অঞ্চলত আহি বসতি স্থাপন কৰে আৰু পানী শুকোৱাৰ পিছত তেওঁলোকে যাবও নিবিচাৰে। কাৰণ তেওঁলোকে তাত বহুত কষ্টত আছে। চাবুৱাৰ পৰা লাইকালৈ বা দধিয়ালৈ নাৱেৰে গ'লে প্ৰায় ৪ ঘণ্টা লাগে। মই বনাঞ্চল বহুত দেখিছো, কিন্তু নদীৰ মাজত থকা এনেকুৱা বনাঞ্চল কতো দেখা নাই আৰু যদিহে এই ৰাষ্ট্ৰীয় উদ্যানখন আমি খালী কৰিব নোৱাৰো তেতিয়াহ'লে তেওঁলোকৰ কাৰণেও এটা ভয়ানক সমস্যা আহি আছে আৰু আমাৰ ট্যুৰিজিম ডেভেলপমেণ্টৰ নামত যিবিলাক ব্যয় কৰা হৈছে আগন্তুক দিনত সেইবিলাকো কিন্তু অথলে যাব। কাৰণ ইতিমধ্যে হৰিণাপহু তাত লাহে লাহে কমি আহিছে। আমি সকলোৱে জানো যে এই ৰাষ্ট্ৰীয় উদ্যানখনত বনৰীয়া ঘোঁৰাৰ কাৰণে যথেষ্ট নাম আছে আৰু ভাৰতৰে হওঁক বা বাহিৰৰে হওঁক বিভিন্ন ধৰণৰ পৰ্য্যটক আহে। ৰাজ্যিক বনমন্ত্ৰী ডাঙৰীয়া শ্ৰী নৱ কুমাৰ দলে আমাৰ তালৈ গৈছিলে যেতিয়া নিৰ্বাচন বৰ্জন কৰাৰ কথা তাত ওলাইছিল। কিন্তু তেওঁলোকে কোনো কথা মানি নল'লে। গতিকে আমাৰ বনমন্ত্ৰী ডাঙৰীয়া শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই কথাখিনি খুব গুৰুত্ব সহকাৰে লওঁক কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিহেতু জন্মস্থান গতিকে তেওঁকো দোষাৰোপ কৰি থাকে। দধিয়াৰ মানুহখিনিৰ যিহেতু এই অৱস্থা আৰু এই মানুহখিনিক আমি যেতিয়ালৈকে পুনঃসংস্থাপন দিব নোৱাৰিম তেতিয়াহ'লে আগন্তুক দিনত সকলো ফালৰ পৰা ই এটা ডাঙৰ সমস্যা হৈয়েই থাকিব। সেয়েহে বাজেটতো যেতিয়া এই টকা ধাৰ্য্য কৰা হৈছিল বিভাগে যিধৰণে দ্ৰুতগতিত কামখিনি আগবঢ়াব লাগিছিল সেইমতে আগবঢ়া আমি দেখিবলৈ নাপালো। এতিয়া মৰাণ জনগোষ্ঠীয়েই হওঁক বা মটক জনগোষ্ঠীয়েই হওঁক তেওঁলোকে কৈছে যে তেওঁলোকৰ আশে পাশে থকা ভূমিত তেওঁলোক যদি সোমায় বা আহিব বিচাৰে তেতিয়াহ'লে এই মৰাণ বা মটক জনগোষ্ঠী সকলে এইক্ষেত্ৰত তেওঁলোকক সহায় কৰাৰ কথা আমাক কৈছে। গতিকে যিহেতু এই প্ৰস্তাৱটো মাননীয় পদ্ম হাজৰিকা দেৱে আনিছে তেওঁক মই ধন্যবাদ দিছো আৰু মই আশা কৰিছো ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা এই দুখন গাওঁ যাতে আমি উলিয়াই আনি আগন্তুক দিনত যাতে পুনৰ সংস্থাপন কৰিব পাৰো এইক্ষেত্ৰত পুনৰ বাৰ মই বনমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে তেখেতে এইক্ষেত্ৰত

এটা হস্তক্ষেপ লওঁক যিহেতু ৰাজ্যিক মন্ত্ৰী নৱ কুমাৰ দলে ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া এই বিষয়ত ভাল ধৰণে জ্ঞাত। গতিকে মই আশা কৰিছো যাতে এই দুখন গাৱঁত যিসকল আমাৰ খিলঞ্জীয়া আৰু  মিচিং জনগোষ্ঠীৰ যিসকল লোক আছে তেওঁলোকক ভূমিৰ অধিকাৰ দি জীৱিকাৰ আৰ্হিৰে তেওঁলোকক জীয়াই থকাৰ কাৰণে দুখন গাওঁ যাতে আমি একেলগে স্থাপন কৰিব পাৰো তাৰবাবে বাজেটতো যোৱা বাৰ চিন্তা কৰা হৈছিল আৰু এইবাৰো যাতে এইকথাটো আমি বাজেটত আনি পেলাই পুনৰবাৰ তেওঁলোকক আমি এইখিনি সুবিধা দি মানুহ হিচাপে জীয়াই থকাৰ সুবিধা এটা প্ৰদান কৰিব বুলি আমি আশা কৰিছো আৰু এই প্ৰস্তাৱটোৰ ওপৰত মই দুআষাৰ বক্তব্য ৰাখিব দিয়াৰ কাৰণে অধ্যক্ষ ডাঙৰীয়াৰ লগতে প্ৰস্তাৱটো অনাৰ কাৰণে বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ  এতিয়া সদন ০৬-০২-২০১৯ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰাখিছো।**